www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

' আজিৰ সংখ্যাৰ বিশেষ পৃষ্ঠা
খ্যাত-অখ্যাত
-------- ৫ পৃষ্ঠাত -------- '

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৩৮ ❒ শনিবাৰ ❒ ২৮ জুন, ২০২৫ চন ❒ ১৩ আহাৰ, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 138 ❒ Saturday ❒ 28th June, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

## মৰাণ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত মৰাণ, মটকসকলেহে কৰিব পাৰিব ভোটদান

# ৰাজ্যৰ ৯৪২টা অনুষ্ঠানলৈ ভূমি আৱণ্টন ৰাজ্য চৰকাৰৰ

○ শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠানৰ ১৯৭৭টা প্ৰস্তাৱৰক অনুমোদন কেবিনেটৰ ○

○ মহিলা তথা SC, ST লোকৰ বাবে সংৰক্ষিত হ'ব জিলা পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ ○




নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ জুন ঃ আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্য অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত হয়। কেবিনেটত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছতে কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰি কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যৰ ৯৪২টা নামঘৰ, মন্দিৰ, ক্লাৱ, মহিলা সমিতি আদিৰ বাবে ভূমি আৱণ্টনৰ প্ৰস্তাৱত আজিৰ কেবিনেটে অনুমোদন জনায়। তদুপৰি শিক্ষানুষ্ঠান আৰু সামাজিক, ▸▸৬ পৃষ্ঠাত

### আজিৰ কলম

## জনসাধাৰণৰ হিতৰ হকে সংবাদ সেৱা



শৰৎ চন্দ্ৰ চিৰিং ফুকন

এটা কথা সৰ্বজনবিদিত যে গণতন্ত্ৰত ৰাইজেই ৰজা। গণতান্ত্ৰিকভাৱে ▸▸৬ পৃষ্ঠাত

## বোকাখাতৰ উপৰি গুৱাহাটী, তেজপুৰ আৰু লখিমপুৰত গ্ৰেণেড বিস্ফোৰণৰ পৰিকল্পনা

# বোকাখাতৰ গ্ৰেণেড বিস্ফোৰণৰ ঘটনাত জড়িত আটাইকেইজনকে গ্ৰেপ্তাৰ কৰা হৈছেঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৭ জুন ঃ বোকাখাতৰ গ্ৰেনেড বিস্ফোৰণৰ সৈতে জড়িত থকা সকলো সন্দেহযুক্ত লোকক আটক কৰিছে আৰক্ষীয়ে। এই কথা সদৰি কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ লগতে এই দলটোৱে গুৱাহাটী, তেজপুৰ, লখিমপুৰকে ধৰি ৰাজ্যৰ চাৰিটা ডাঙৰ স্থানত বিস্ফোৰণ সংঘটিত কৰাৰ পৰিকল্পনা কৰিছিল বুলি সদৰি কৰিছে মুখ্যমন্ত্ৰীয়ে। ইফালে অভিযুক্তৰ ঘৰৰ পৰা গ্ৰেণেড আৰু পিষ্টল উদ্ধাৰ কৰা ▸▸৬ পৃষ্ঠাত

## সময়মতে S-400 বায়ু প্ৰতিৰক্ষা প্ৰণালী ভাৰতক প্ৰদান কৰাৰ নিশ্চয়তা ৰাছিয়াৰ

ৰাজনাথ সিঙৰ ৰাছিয়ান প্ৰতিৰক্ষামন্ত্ৰীৰে দ্বিপাক্ষিক সাক্ষাৎ



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ জুন ঃ প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে আজি চীনৰ ছিংগাওত ৰাছিয়াৰ প্ৰতিৰক্ষামন্ত্ৰী এণ্ড্ৰেই বেলৌছভৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত অংশ লয়। এই বৈঠকত দুয়ো দেশৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতাৰ বিষয়ে আলোচনা কৰা ▸▸৬ পৃষ্ঠাত

## সাহায্য লওঁতে নিজৰ ক্ষেত্ৰত অলপ কঠোৰ হৈ আনৰ ক্ষেত্ৰত অলপ কোমল হ'ব লাগে!

অসম বাৰ্তা, গুৱাহাটী, ২৬ জুন ঃ অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ পত্নীয়ে লাভ কৰা ৰাজসাহায্য বিতৰ্কই বৰ্তমান ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে আনকেইগৰাকীমান বিতৰ্কিত ব্যক্তিয়ে দুগ্ধ উৎপাদন ▸▸৬ পৃষ্ঠাত

## BJPত যোগদান কৰাৰ পৰা বেয়া কাম কৰাৰ তথ্য কোনেও দেখুৱাব নোৱাৰে

# কংগ্ৰেছত থাকোঁতে দলৰ বাবে কিছুমান বেয়া কাম কৰিছিলো আৰু সেই কামবোৰে এতিয়াও খেদি ফুৰে ঃ জয়ন্ত মল্লবৰুৱা



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ জুন ঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক লৈ অসমত এক তীব্ৰ বিতৰ্কৰ সূত্ৰপাত ঘটিছে। নলবাৰীৰ প্ৰাক্তন বিজেপি বিধায়ক তথা বৰ্তমানৰ কংগ্ৰেছ নেতা ▸▸৬ পৃষ্ঠাত

## সোৱণশিৰিৰ বুকু কাটি শিল-বালিৰ চুৰি

অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২৬ জুন ঃ লখিমপুৰ জিলাৰ সোৱণশিৰি নদীখন অবৈধ ব্যৱসায়ীৰ বাবে সোণৰ কণী পৰা হাঁহলৈ পৰিৱৰ্তন হৈ পৰিছে। দিনে-নিশাই ▸▸৬ পৃষ্ঠাত

## কেইবাগৰাকী লোক সন্ধানহীন, ১৫টা বাসগৃহকে ধৰি সা-সম্পত্তিৰ বিস্তৰ ক্ষতি

# হিমাচলৰ ডাৱৰ বিস্ফোৰণত নিহত ৫ গৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ



অনলাইন ডেস্ক, ছিমলা, ২৬ জুন ঃ ভাৰতৰ অন্যতম পাহাৰীয়া আৰু প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা ৰাজ্য হিমাচলত চলিছে প্ৰকৃতিৰ তাণ্ডৱ। ৰাজ্যখনত হোৱা ডাৱৰ বিস্ফোৰণৰ ফলত বান পৰিস্থিতিৰ সৃষ্টি হৈছে। এই বানত বৰ্তমানলৈকে প্ৰাণ হেৰুৱাইছে কমেও পাঁচজন লোকে। আন কেইবাজনো নিৰুদ্দেশ হৈ থকা বুলি বৃহস্পতিবাৰে নিশ্চিত কৰে মুখ্যমন্ত্ৰী সুখ- ▸▸৬ পৃষ্ঠাত

## বন্দুক, দা লৈ চি আৰ পি এফৰ দলৰ লগত বাক্ বিতণ্ডা

# ৰবৰৰ খেতি কৰি অসমীয়া কৃষকৰ ভূমি বেদখলৰ চেষ্টা নগাৰ

নিউজ ডেস্ক, গুৱাহাটী, ২৬ জুন ঃ সীমান্তত অসমীয়াৰ চাহ বাগিচাৰ মাজত ৰবৰৰ খেতি কৰি অসমীয়া কৃষকৰ ভূমি বেদখলৰ চেষ্টা চলাইছে নগাই। উল্লেখ্য যে, ১ নং ওপৰ তৰানি ▸▸৬ পৃষ্ঠাত

### মাজুলীত উৎপাদিত ৰঙা বাওধানৰ বিশ্বমুখী যাত্ৰা

# বিদেশলৈ ৰপ্তানি মাজুলীৰ ২৬৭ মেট্ৰিক টন ৰঙা বাও ধান



## মাজুলীৰ ১০০০ হেক্টৰ ভূমিত কৰা হৈছিল ৰঙা বাওধানৰ খেতি

অসম বাৰ্তা, উজনী মাজুলী, ২৭ জুন ঃ মাজুলীৰ বিশুদ্ধ প্ৰাকৃতিক ▸▸৬ পৃষ্ঠাত

পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱৰাত আৰক্ষীৰ ১০ ৰাউণ্ড ৰবৰৰ গুলী নিক্ষেপ

## ৰঙা চন্দনৰ গছক কেন্দ্ৰ কৰি কাৰ্বিভূমিত কাৰ্বি, খাছীৰ সংঘাত

অসম বাৰ্তা, ডিফু, ২৬ জুন ঃ অসম-মেঘালয় সীমান্তৰ কাৰ্বিভূমিৰ তাপাত অঞ্চলত সীমান্তৰ কাৰ্বিভূমিক লৈ পুনৰ কাৰ্বি আৰু খাছী লোকৰ মাজত ▸▸৬ পৃষ্ঠাত

## দুৰ্নীতি উন্মোচন কৰাৰ বাবে সংবাদ মাধ্যমক চৰকাৰে আক্ৰমণ কৰিবলৈ লৈছে

# গণতন্ত্ৰত অঘোষিত জৰুৰী অৱস্থা ঃ গৌৰৱ গগৈ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ জুন ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যৰ নিৰ্বাচক তালিকাৰ নিৰপেক্ষতাৰ বিষয়ে গুৰুতৰ উদ্বেগ উত্থাপন কৰি অভিযোগ কৰিছে ▸▸৬ পৃষ্ঠাত

সময় আমাৰ শত্ৰু, আমাৰ হাতত সময় খুব কম!

## ব্ৰহ্মপুত্ৰৰ বুকুত ফেৰীক আগভেটা ১৫০ জনীয়া বন্যহস্তীৰ দলৰ



অসম বাৰ্তা, উজনী মাজুলী, ২৭ জুন ঃ দীৰ্ঘদিনৰ পৰা ব্ৰহ্মপুত্ৰৰ মাজৰ একাংশ চাপৰিত ১৫০ ▸▸৬ পৃষ্ঠাত

- যোৰহাট-মাজুলী জলপথৰ ফেৰীলৈ বিপদ মাতিছে বন্যহস্তীৰ দলে
- এছডিআৰএফৰ দলৰ আৱদ্ধ ফেৰী উদ্ধাৰ

### স্বপ্নৰ চুইজাৰলেণ্ডত উন্নয়নৰ ফোঁপোলা স্বৰূপ

## স্বাধীনতাৰ ৭৭ বছৰ পিছতো ভাৰত-ভূটান সীমান্তৰ শুক্লাই নদীত নিৰ্মাণ নহ'ল এখন দলং

ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৭ জুন ঃ চৰকাৰ আহে আৰু যায়, পৰিৱৰ্তন হয় জনপ্ৰতিনিধি, নেতা-পালিনেতাৰ। পিছে পৰিৱৰ্তন নহয় সাধাৰণ জনতাৰ সমস্যা আৰু ▸▸৬ পৃষ্ঠাত





### তিনিচুকীয়া জিলাৰ দূৰণীবতীয়া ভিতৰুৱা গাৱঁৰ জনজাতীয় লোকৰ কাষত জিলা প্ৰশাসন

# ‘ধৰতী আবা জন-ভাগিদাৰী অভিযান’ৰ দ্বাৰা চৰকাৰী সুবিধা প্ৰদানৰ বিশেষ প্ৰয়াস

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৭ জুন ঃ** দূৰণীবতীয়া পিছপৰা অঞ্চলৰ জনজাতীয় ৰাইজক চৰকাৰী আঁচনিৰ সকলো সুবিধা প্ৰদানৰ বাবে যোৱা ১৫ জুনৰ পৰা আৰম্ভ হোৱা কেন্দ্ৰীয় চৰকাৰৰ ধৰতী আবা জন ভাগিদাৰী অভিযানৰ সৈতে সঙ্গতি ৰাখি আজিও তিনিচুকীয়া জিলাৰ কেবাখনো ভিতৰুৱা গাঁৱত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সেই অনুসৰি শদিয়া সম-জিলাৰ অন্তৰ্গত ছৈখোৱা উন্নয়ন খণ্ডৰ হাহঁখাটি গাওঁ পঞ্চায়ত এলেকাৰ কচুধূপ বজালতলি সমূহীয়া ভৱনত, ডিৰাক গাওঁ পঞ্চায়তৰ চুমনি চাপৰি খেলপথাৰত আৰু ডুমডুমা সম-জিলা তথা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাভৰুভেটি গাওঁ পঞ্চায়তৰ সোণাপুৰ দেউৰী হয়। সভাত বিভিন্ন উন্নয়নী বিভাগৰ বিষয়া উপস্থিত থাকি ৰাইজক চৰকাৰৰ বিভিন্ন জনমুখী আঁচনিৰ সুবিধা কেনেদৰে গ্ৰহণ কৰিব সেই বিষয়ে বুজাই কয়। এই উপলক্ষে সভাস্থলিত এদিনীয়া বিনামূলীয়া চিকিৎসা শিবিৰ আৰু আধাৰ সেৱা প্ৰদান কেন্দ্ৰ স্থাপন কৰা হয়। তদুপৰি, প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনাৰ কাৰ্ড বিতৰণ, যক্ষ্মা ৰোগৰ পৰীক্ষা, আভা অৰ্থাৎ আয়ুষ্মান ভাৰত পৰিচয় পত্ৰ প্ৰস্তুতি, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা উপযুক্ত নতুন হিতাধিকাৰীৰ পৰা ৰেচন কাৰ্ডৰ বাবে আবেদন পত্ৰ বা তথ্য সংগ্ৰহ, কৃষি বিভাগৰ দ্বাৰা নতুন হিতাধিকাৰীক পিএম কিষাণ আৰু কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা নতুন জব কাৰ্ড আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ বাবে আবেদন গ্ৰহণ তথা অনুমোদন আদি কামো ঠাইতে সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, এই মাহ জোৱা কাৰ্যসূচীৰ অধীনত কালি শদিয়া সমজিলাৰ শদিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত হলোগাওঁ গাওঁ পঞ্চায়তৰ গড়গাঁও জনজাতি প্ৰাথমিক বিদ্যালয়ত, ছৈখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত হাহঁখাটি গাওঁ পঞ্চায়তৰ অন্তৰ্ভুক্ত উপৰ লাওপানী সমূহীয়া ভৱনত, তালাপ গাওঁ পঞ্চায়তৰ এৰাগাওঁ মুকলি মঞ্চ, ডিৰাক গাওঁ পঞ্চায়তৰ বৰডিৰাক হাইস্কুলত আৰু কাকপথাৰ গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত ধৰতী আবা জন-ভাগিদাৰী অভিযানৰ আয়োজিত অনুৰূপ অনুষ্ঠানত স্থানীয় ৰাইজে ব্যাপক সঁহাৰি জনোৱা পৰিলক্ষিত হয়। কাইলৈ দিনৰ ১১ বজাত শদিয়া সম-জিলাৰ ছৈখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত খোৱাং গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত, ১২ বজাত ছৈখোৱা গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত আৰু ডুমডুমা সম-জিলা তথা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাভৰুভেটি গাওঁ পঞ্চায়তৰ বাহিৰংদৈ মিচিং গাঁৱত ধৰতী আবা জনভাগিদাৰী অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হ’ব। সকলো কাৰ্যসূচীতে স্থানীয় ৰাইজৰ অংশগ্ৰহণ জিলা প্ৰশাসনৰ তৰফৰ পৰা কামনা কৰা হৈছে।




# মৰিগাৱঁত ১৫ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট নগাঁৱৰ জয়লাভ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৭ জুন ঃ** অসম ক্ৰিকেট সন্থাৰ জৰিয়তে পৰিচালিত ১৫ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ গ্ৰুপ “১” ৰ দ্বিতীয়খন খেলত নগাঁও ক্ৰীড়া সন্হাই মৰিগাঁও জিলা ক্ৰীড়া সন্হাৰ বিপক্ষে ৪৯ ৰাণৰ ব্যৱধানত জয়লাভ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্হাৰ আতিথ্য আৰু ক্ৰিকেট উপসমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আজিৰ খেলত নগাঁও ক্ৰীড়া সন্হাৰ দলটোৱে প্ৰথমে বেটিঙ কৰি সুমিত্ৰা বসুমতাৰীৰ ধৈৰ্যশীল ১৮ ৰাণৰ বৰঙনিৰে ১৭-১ অভাৰত সকলো উইকেট হেৰুৱাই ৬৭ ৰাণ সংগ্ৰহ কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ হৈ সুন্দৰ বলিঙ প্ৰদৰ্শনৰে নৌছিন আফ্ৰা আঞ্জুমে ৪ টা উইকেট দখল কৰাৰ লগতে পৰিনীতা দেবী আৰু প্ৰিয়ংকা টিমুঙে ২ টাকৈ উইকেট লাভ কৰাৰ উপৰিও কংকনা পাতৰে ১ টা উইকেট দখল কৰে। প্ৰত্যুত্যৰত মৰিগাঁও দলে ১১-১ অভাৰত ১৮:ৰাণতে সকলো উইকেট হেৰুৱাই পৰাজয় বৰণ কৰে। বলিঙত নগাঁৱৰ হৈ দীপশিখা বৰদলৈয়ে ৪ টা উইকেট দখল কৰাৰ লগতে হিমাক্ষী ডেকা আৰু দিশানী ভৌমিকে ৩ টাকৈ উইকেট লাভ কৰে। অসম ক্ৰিকেট সন্হাৰ পেনেল আম্পায়াৰ দিগন্ত বৰ্মন আৰু মুস্তাফিৰ আহমেদে পৰিচালনা কৰাৰ আজিৰ খেলখনৰ শেষত অসম ফুটবল সন্হাৰ উপসভাপতি জিতু বৰদলৈৰ উপস্থিতিত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰৰ তত্ত্বাৱধানত আয়োজিত এক চমু সম্বৰ্ধনা অনুষ্ঠানত দুয়ো দলৰ খেলুৱৈ,মেনেজাৰ আৰু প্ৰশিক্ষক সকলক একোটাকৈ স্মাৰকৰে সন্মানিত কৰাৰ লগতে আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা নগাঁৱৰ দ্বীপশিখা বৰদলৈক প্ৰদান কৰা হয়।

### ই-ৰিক্সা চালক সন্থাৰ সৈতে মৰিগাঁও জিলা প্ৰশাসনৰ গুৰুত্বপূৰ্ণ বৈঠক

# প্ৰতিখন ই-ৰিক্সাৰ থাকিব লাগিব পঞ্জীয়ন, চালকৰ অনুজ্ঞাপত্ৰ, ফিটনেছ প্ৰমাণপত্ৰ আৰু বীমা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৭ জুন ঃ** জিলা পথ সুৰক্ষা সমিতিৰ বৈঠকত হোৱা সিদ্ধান্ত অনুসৰি আজি মৰিগাঁও জিলা প্ৰশাসন আৰু জিলাখনৰ বিভিন্ন ই-ৰিক্সা চালক সন্থাৰ বিষয়ববীয়াসকলৰ মাজত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত ই-ৰিক্সাসমূহে মানি চলিবলগীয়া নিয়মাৱলী আৰু তেওঁলোকৰ বিভিন্ন সমস্যা লৈ বিতংভাৱে আলোচনা কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে ই-ৰিক্সা চালক সন্থাৰ বিষয়ববীয়াসকলক মৰিগাঁও জিলাৰ বিভিন্ন ঠাইত চলাচল কৰা ই-ৰিক্সাসমূহৰ এখন সূচী প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়ে। এই সূচীৰ সত্যাসত্য নিৰূপণ কৰি জিলা প্ৰশাসনে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ প্ৰকাশ কৰে। বৈঠকত প্ৰতিখন ই-ৰিক্সাই পঞ্জীয়ন কৰাটো বাধ্যতামূলক আৰু চালকৰ অনুজ্ঞাপত্ৰ, ফিটনেছ প্ৰমাণপত্ৰ, বীমা আদি থাকিবই লাগিব বুলি স্পষ্ট কৰি দিয়া হয়। তেওঁ কয় যে নিবনুৱাসকলৰ প্ৰতি সহানুভূতি আছে যদিও আইনৰ উৰ্দ্ধত কোনো হ’ব নোৱাৰে। প্ৰয়োজনীয় নথি নোহোৱা ই-ৰিক্সাসমূহৰ বিৰুদ্ধে প্ৰয়োজন হ’লে ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি তেওঁ সকিয়াই দিয়ে। লগতে কলেজীয়া ছাত্ৰীক হাতত ধৰি নিজৰ বাহনত উঠিবলৈ টানি অনা বুলি একাংশ ই-ৰিক্সা চালকৰ বিৰুদ্ধে উঠা অভিযোগ কোনো কাৰণতে সহ্য কৰা নহ’ব আৰু তেনে অভিযোগ লাভ কৰিলে অভিযুক্তৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি তেওঁ কয়। ই-ৰিক্সা চালক সন্থাৰ তৰফৰ পৰা আজিৰ সভাত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰা হয়। জিলা প্ৰশাসনৰ তৰফৰ পৰা তেওঁলোকৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰাৰ প্ৰয়াস কৰা হ’ব বুলি অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সমস্যাসমূহ এদিনতে সমাধান নহয়। পাৰস্পৰিক সহযোগিতা আৰু সমন্বয়েৰেহে সমস্যাসমূহৰ সমাধান সূত্ৰ উলিয়াব পৰা যাব বুলি তেওঁ কয়। আজিৰ সভাত ই-ৰিক্সাত যাত্ৰীৰ বাহিৰে কোনো ধৰণৰ গধূৰ সামগ্ৰী যেনে ৰড, বাঁহ আদি উঠাব নোৱাৰিব বুলিও তেওঁলোকক স্পষ্ট কৰি দিয়া হয়। লগতে চৰকাৰী নীতি নিৰ্দেশনাসমূহ মানি চলিবলৈ কোৱা হয়। জিলা পৰিবহণ বিষয়া অনিমেষ দাসে কয় যে ই-ৰিক্সাত সৰ্বাধিক চাৰিজন যাত্ৰীহে কঢ়িয়াব পাৰিব আৰু মূল পথত ই-ৰিক্সা উঠাব নোৱাৰিব। সভাত ই-ৰিক্সা চালকসকলে যাতে যাত্ৰীৰ পৰা দুগুণ ভাৰা ল’ব নোৱাৰে তাৰ বাবেও তেওঁলোকক স্পষ্ট কৰি দিয়া হয়। লোকনিৰ্মাণ (পথ) বিভাগৰ অধীক্ষক অভিযন্তা জিন্নাত আহমেদে সভাত উপস্থিত সকলোকে পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰিব লাগিব বুলি মন্তব্য কৰে। তেওঁ কয় যে পৰৱৰ্তী পথ সুৰক্ষা সমিতিৰ বৈঠকতো ই-ৰিক্সা সন্থাৰ বিষয়ববীয়াসকলক আমন্ত্ৰণ জনোৱা হ’ব। পৰ্যায়ক্ৰমে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবেও আলোচনা কৰা হ’ব বুলি তেওঁ কয়। সভাত উপ-আৰক্ষী অধীক্ষক প্ৰীতম শইকীয়াই পথ সুৰক্ষাৰ নীতি নিৰ্দেশনাসমূহ আৰু ই-ৰিক্সাৰ প্ৰয়োজনীয় নথি-পত্ৰ মজুত ৰখাটো চালকসকলৰ সুৰক্ষাৰ বাবেই দৰকাৰী বুলি মত প্ৰকাশ কৰে। আজিৰ সভাত এম ভি আই বলেন পাঠক আৰু মৰিগাঁও সদৰ যানবাহন শাখাৰ বিষয়া দীপক বাৰুৱতীয়েও ভালেখিনি পৰামৰ্শ আগবঢ়ায়। সভাত মৰিগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া মানস প্ৰতীম বৰুৱা আৰু সংশ্লিষ্ট বিষয়াসকল উপস্থিত আছিল।

# বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেণ বড়ো গুৱাহাটীত চিকিৎসাধীন

**অসম বাৰ্তা, হাওৰাঘাট, ২৬ জুন ঃ** বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সাহিত্য অকাডেমিৰ বড়ো এডভাইজৰী ব’ৰ্ডৰ আহ্বায়ক তৰেণ বড়ো গুৱাহাটীৰ দিছপুৰ পলিক্লিনিক নামৰ এখন ব্যক্তিগত চিকিৎসালয়ত আজি বিয়লি ভৰ্তি হৈ চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত জাতিৰ বাবে আগবঢ়োৱা অৱদানৰ বাবে তেওঁক নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰা হৈছে। ১৯৫৫ চনৰ ১ নৱেম্বৰত গোৱালপাৰাত জন্ম গ্ৰহণ কৰা আৰু বৰ্তমান গুৱাহাটীত থকা তৰেণ বড়োই ১৯৭৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম এ (পিজি) উত্তীৰ্ণ হৈ গুৱাহাটীৰ ৰিজাৰ্ভ বেংকৰ চাকৰি কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁ ১৯৮৪ -১৯৯০ চনত বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য হয়। ইয়াৰ পিছতে তেওঁ বড়ো সাহিত্য সভাৰ মুখপত্ৰ ‘The Bodo’ ৰ সম্পাদক, যুটীয়া সম্পাদক, কোষাধ্যক্ষ, উপ সভাপতি আৰু বড়ো সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। ইপিনে ২০০৫ চনত সদৌ ভাৰত ৰিজাৰ্ভ বেংক কৰ্মচাৰী সন্থাৰ গুৱাহাটী শাখাৰ সম্পাদক, ২০১৩ চনত বোলছবিৰ এডভাইজৰী ব’ৰ্ডৰ সদস্য, ২০১৫ চনত কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি, নাগৰিক কমিটীৰ সদস্য, ২০২৩ চনত নতুন দিল্লীৰ সাহিত্য অকাডেমিৰ বড়ো এডভাইজৰী ব’ৰ্ডৰ আহ্বায়ক হিচাপেও তেওঁ বৰ্তমান কাৰ্যনিৰ্বাহ কৰি আছে। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা স্বনামধন্য বিশিষ্ট লেখক সাহিত্যিক তৰেণ বড়োই নাটক, চুটি গল্প, উপন্যাস, কবিতা আদি বৰ্তমানলৈকে ১৪ খনতকৈও অধিক গ্ৰন্থ ৰচনা কৰিছে। তেওঁক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বহুকেইটা বঁটা প্ৰদান কৰিছে। সেইবোৰৰ ভিতৰত হৈছে ক্ৰমে জননেতা ভীভবৰ দেউৰী একতা বঁটা, মহম্মদ ইব্ৰাহিম আলী সাহিত্য বঁটা, অসম খেল আৰু সাংস্কৃতিক বঁটা,আহমদ আলী বাশখণ্ড সাহিত্য বঁটা, শ্ৰেষ্ঠ সমাজকৰ্মী বঁটা আদিৰ পিছতে নতুন দিল্লীৰ প্ৰগতি ময়দানত গান্ধী জয়ন্তীৰ দিনটোতেই অনুষ্ঠিত কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত জাতিৰ বাবে আগবঢ়োৱা অৱদানৰ বাবে নিৰ্বাচিত কৰি তেওঁক নতুন দিল্লীৰ এই সন্মানীয় ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়।

### মৰিগাঁও মহাবিদ্যালয় আৰু ডায়েটত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

# এডভাণ্টেজ আছামৰ জৰিয়তে ৰাজ্যৰ প্ৰতিখন জিলা ভাবিব নোৱাৰাকৈ উপকৃত হৈছে

### প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱাৰ কৌশল আয়ত্ব কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে

**ষ্টাফ ৰিপৰ্ট, মৰিগাঁও, ২৭ জুন ঃ** অসম কলেজ শিক্ষক সংস্থা আৰু মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ উদ্যোগত আজি পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা হয় এডভাণ্টেজ আছাম ২.০ বিষয়ত এখন কৰ্মশালা আৰু সজাগতামূলক সভা। এডভাণ্টেজ আছামত উচ্চ শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰী আৰু আজিৰ যুৱ সমাজে ল’বলগা ভূমিকা সম্পৰ্কত অনুষ্ঠিত উক্ত কৰ্মশালাখনিত মূল বক্তৃতা প্ৰদান কৰে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তেঁও অসম কলেজ শিক্ষক সংস্থাৰ এই কৰ্মশালাখনক এক প্ৰশংসনীয় পদক্ষেপ বুলি মন্তব্য কৰে। তেঁও কয় যে এডভাণ্টেজ আছামৰ জৰিয়তে ৰাজ্যৰ প্ৰতিখন জিলা ভাবিবনোৱাৰাকে উপকৃত হৈছে। মৰিগাঁও জিলায়ো ছেমিকণ্ডা”ৰ প্ৰকল্পৰ নিচিনা এটা বৃহৎ উদ্যোগ লাভ কৰিবলৈ সক্ষম হৈছে। জিলাখনত স্থানীয় একাংশ উদ্যমী ব্যক্তিৰে উদ্যোগ স্থাপনৰ বাবে প্ৰায় পোন্ধৰ শ কোটি টকা বিনিয়োগৰ এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হৈছে বুলি তেঁও উল্লেখ কৰে। তেঁও ভাষণত কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে দেশৰ শিক্ষা খণ্ডত অমূল পৰিৱৰ্তন আনিছে। এই ক্ষেত্ৰত ৰাজ্য সমূহো পিছ পৰি থকা নাই। অনুষ্ঠানটোত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ। অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি জয়ন্ত বৰুৱা, সম্পাদক পৰাগজ্যোতি মহন্ত, মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লীলাকান্ত বৰঠাকুৰ, উপাধ্যক্ষ ড০ ধনঞ্জয় কুশ্ৰে প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে শিক্ষা মন্ত্ৰীগৰাকী মহাবিদ্যালয় প্ৰাংগনত উপস্থিত হোৱাৰ পাছতে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী বাহিনী, ছাত্ৰ একতা সভা আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে তেঁওক বিপুল অভিবাদনেৰে প্ৰেক্ষাগৃহলৈ আদৰি নিয়ে।

**মৰিগাঁৱৰ ডায়েটতো শিক্ষামন্ত্ৰী ৰণোজ পেগু** শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে আজি মৰিগাঁৱৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ ডায়ট পৰিদৰ্শন কৰে। তেওঁ ডায়েটৰ শিক্ষাৰ্থী সকলক উদ্দেশ্য কৰি কয় যে ডি.এল.এড শেষ কৰাৰ পাছত সকলোৱে সংস্থাপনৰ বাবে যত্ন কৰিব লাগিব। ইয়াৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত ঞ্জউত্তীৰ্ণ হোৱাৰ কৌশল আয়ত্ব কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। তেঁও এই শিক্ষা বৰ্ষৰ পৰা Intregrated Teacher Education Programme অসমৰ ১৭খন কলেজত আৰম্ভ হ’ব বুলি উল্লেখ কৰি ইয়াৰ ফলত বিভিন্ন কলেজ আৰু ডায়েট বা বি.এড কলেজৰ মাজত সমন্বয়ৰ সম্ভাৱনা ব্যক্ত কৰে। ছাত্ৰ-ছাত্ৰীসকলক শুদ্ধ পঠনৰ বাবে উৎসাহিত কৰাৰ প্ৰয়োজনীয়তা ব্যক্ত কৰি তেওঁ FLN আৰু Training At Right Level প্ৰশিক্ষণৰ প্ৰাসঙ্গিকতা বিষয়ে বক্তব্য ৰাখে। অনুষ্ঠানটোত আদৰণি ভাষণ দিয়ে ডায়টৰ প্ৰৱক্তা শুভলক্ষ্মী কোঁৱৰে। ইপিনে ডায়েটত শিক্ষামন্ত্ৰীক সংগ দিয়ে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু তিৱা স্বায়ত্ব শাষিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰ আৰু ডায়টৰ অধ্যক্ষ কিশোৰ কুমাৰ দাসে।

# মেজেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ সাংসদ পুঁজিৰ ১৫লাখ টকা

**অসম বাৰ্তা, নামতি,২৭ জুন ঃ** নাজিৰাৰ মেজেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ কামৰ আজি শুভাৰম্ভ কৰিলে মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই।মেজেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে ৰাজ্য সভাৰ সাংসদ উন্নয়ন পুঁঞ্জজিৰ ১৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিব লগা কামৰ বৃহস্পতিবাৰে দিনৰ প্ৰায় তিনিমান বজাত শুভাৰম্ভ কৰে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই।মন্ত্ৰী গৰাকীৰ সৈতে উপস্থিত থাকে তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ুৰ বৰগোহাঁই। মন্ত্ৰী গৰাকীয়ে পিতৃয়ে শিক্ষাগ্ৰহণ কৰি যোৱা এই বিদ্যালয়খনৰ উন্নয়নৰ বাবে সাংসদ পুঁজি দিবলৈ পায় আৱেগিক হৈ পৰে। ইয়াৰ উপৰিও নাজিৰা বিধানসভা সমষ্টিৰ চাৰিখন কৈ বিদ্যালয়ৰ আধুনিকীকৰণ কোঠা নিৰ্মাণৰ কাৰণে আধাৰশিলা স্থাপন কৰে। লগতে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই যোৰহাট লোক সভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ লৈ এই দৰে মন্তব্য কৰিলে ব্যস্ততাৰ অজুহাৰ পৰা মুক্ত হওক যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৰাকীয়ে ৰাইজৰ মাজলৈ নহাত এনেদৰে কটাক্ষ কৰে। সেয়েহে মুখ্যমন্ত্ৰীয়ে নাজিৰা বিধানসভা সমষ্টিৰ উন্নয়নৰ বুজ লৈ সাংসদৰ কাম কৰিবলৈ কয় ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাক।

# মধ্যাহ্ন ভোজন তিনি মাহ ধৰি ছাত্ৰ-ছাত্ৰীক যোগান নিদিয়াৰ অভিযোগ

### মধ্য লোচনাবৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছফিকুল ইছলামৰ বিৰুদ্ধে সৰৱ অভিভাৱক

**অসম বাৰ্তা , মৈৰাবাৰী, ২৭ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত মৈৰাবাৰীৰ নিকটৱৰ্তী মধ্য লোচনাবৰী প্ৰাথমিক বিদ্যালয়ত চৰকাৰে যোগান ধৰা ছাত্ৰ ছাত্ৰীৰ বাবে অহা দুপৰীয়া আহাৰ তিনি মাহ ধৰি নোখোৱাৰ অভিযোগ উত্থাপিত কৰিছে অভিভাৱকসকলে। প্ৰধান শিক্ষক ছফিকুল ইছলামে বিদ্যালয়ত পলমকৈ আহি ছাত্ৰ ছাত্ৰীক পাঠদানৰ পৰিৱৰ্তে ম’বাইলত ব্যস্ত থকা বুলি ও অভিযোগ উত্থাপিত হৈছে। মধ্যান্হ ভোজনৰ আহাৰৰ ক্ষেত্ৰত অনিয়ম কৰাৰ উপৰিও আন্ত: গাঠনি আৰু ইউনিফৰ্মৰ ক্ষেত্ৰতো খেলিমেলি কৰা বুলি অভিভাৱক সকলে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। বিদ্যালয় খনত নামফলক লগোৱাটো অতি জৰুৰী যদিও নামফলক লগোৱাটো দুৰৰে কথা বিদ্যালয় খনৰ পৰিবেশ দেখিলে আপুনি নিজেই আচৰিত হৈ যাব। প্ৰধান শিক্ষক গৰাকীয়ে বিদ্যালয়ত খনত ১০৫ জন ছাত্ৰ ছাত্ৰীৰ বিপৰীতে মধ্যান্হ ভোজনৰ চাউল আৰু ধন বিভাগীয় ফালৰ পৰা উঠোয়া হয় যদিও ছাত্ৰ ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা একেবাৰে তাকৰ। অভিভাৱক সকলে প্ৰধান শিক্ষক গৰাকীৰ প্ৰতি অতিষ্ঠ হৈ লাহে লাহে বিদ্যালয় খনৰ পৰা নিজৰ নিজৰ ল’ৰা ছোৱালীক বেলেগ বিদ্যালয়লৈ নিবলৈ বাধ্য হয়। ইফালে চি আৰ চি চি আৰু প্ৰধান শিক্ষকৰ মাজত কিবা গোপন বুজাবুজি থকাৰো অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত স্হানীয় অভিভাৱক সকলে লাহৰীঘাট শিক্ষা খণ্ডৰ খ’ বিষয়া, মৰিগাঁও জিলা শিক্ষা বিষয়া, শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্তকো প্ৰধান শিক্ষক ছফিকুল ইছলামৰ বিৰুদ্ধে একোখনকৈ অভিযোগ দাখিল কৰিছে।

# হোজাইত ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় দিৱস উদযাপন

**অসম বাৰ্তা, লংকা, ২৭ জুন ঃ** হোজাই জিলা সদৰ শ্ৰীমন্ত শংকৰ দেৱ নগৰৰ চৰকাৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস । হোজাই জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ড্ৰাগছ বিৰোধী অভিযানৰ অংশ হিচাপে আয়োজন কৰা সভাত মুখ্য অতিথি হিচাপে জিলা উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী উপস্থিত থাকে। বিশিষ্ট অতিথিসকলৰ মাজত জিলা আৰক্ষী অধীক্ষক সৌৰভ গুপ্তা আৰু লামডিঙৰ বিধায়ক শিবু মিশ্ৰ উপস্থিত থাকে। ইয়াৰ উপৰিও জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া, জিলা বিদ্যালয় পৰিদৰ্শক, জিলা ড্ৰাগছ পৰিদৰ্শক, আৰু সমাজ কল্যাণ বিভাগৰ অন্যান্য কৰ্মচাৰীসকল উপস্থিত থাকে। জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া নীলেশ্বৰ ৰায়ে আজিৰ ড্ৰাগছ বিৰোধী সজাগতা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত জিলা উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আদৰণি ভাষণ প্ৰদান কৰে। জিলা উপায়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে ভাষণত ড্ৰাগছৰ জালত পৰা সহপাঠীৰ এগৰাকী ছাত্ৰীক কি হৈছিল তাৰ দুখজনক কাহিনী উল্লেখ কৰে। সভাত প্ৰতিজন বিশিষ্ট ব্যক্তিৰ ভাষণত তেওঁলোকে উল্লেখ কৰে যে বৰ্তমানৰ ড্ৰাগছ আসক্তিয়ে যুৱক-যুৱতীসকলক বিশেষকৈ যুৱক-যুৱতীসকলক ধ্বংসৰ পথলৈ ঠেলি দিছে আৰু এই ধ্বংসলীলাৰ পৰা মুক্তি পাবলৈ হ’লে বৰ্তমানৰ ছাত্ৰ সমাজৰ পৰা আৰম্ভ কৰি আনকি অভিভাৱকসকলো সকলোৱে সচেতন হ’ব লাগিব। তদুপৰি ড্ৰাগছৰ প্ৰভাৱত প্ৰতিটো পৰিয়াল কেনেকৈ ধ্বংসৰ দিশে আগবাঢ়িছে আৰু ইয়াৰ প্ৰতিকাৰ কেনেকৈ কৰিব পাৰি সেই সম্পৰ্কেও এক বৃহৎ আলোচনা হয়।

# মহানগৰীৰ জোনালীত বিশ্ব পক্ষী দিৱসৰ আয়োজন

### চৰাই বিষয়ক বিশ্বকোষ প্ৰকাশৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ২৭ জুন ঃ** ৰাজ্যিক পক্ষী সুৰক্ষা সমিতি, অসমৰ উদ্যোগত মহানগৰীৰ ৰাধাগোবিন্দ বৰুৱা পথৰ জোনালীস্থিত সনাতন ধৰ্ম সভা প্ৰাংগনত অনুষ্ঠিত হ’ব বিশ্ব পক্ষী দিৱস। অহা ১ আৰু ৩ জুলাই, মঙলবাৰ আৰু বৃহস্পতিবাৰে দুদিনীয়া কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰা হ’ব ত্ৰয়োবিংশতিতম বিশ্ব পক্ষী দিৱস। এই উপলক্ষে কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ অমূল্য বৰ্মনক সভাপতি আৰু নগেন চন্দ্ৰ শৰ্মাক মুখ্য সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰিবলগীয়া বিশ্ব পক্ষী দিৱস উপলক্ষে সমিতিয়ে ‘ পক্ষী সংবাদ’ শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰিছে। কাৰ্যসূচী সৰ্বতোপ্ৰকাৰে সফল কৰি তুলিবলৈ আৰ জি বৰুৱা ৰোডৰ জ্যোতি উপ পথত থকা ৰাজ্যিক পক্ষী সুৰক্ষা সমিতি, অসমৰ কাৰ্যালয় প্ৰাংগনত আজি বিশ্ব পক্ষী দিৱস উদযাপন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সভাত পক্ষী সুৰক্ষা সমিতিৰ সভাপতি, পক্ষীবিদ ভুৱনেশ্বৰ শৰ্মা, ড০ অমূল্য বৰ্মন, নগেন চন্দ্ৰ শৰ্মা, ড০ খৈয়াম উদ্দিন আহমেদ, আব্দুল আলিমৰ লগতে আন কেইবাগৰাকী সদস্যই অনুষ্ঠান সফল কৰি তোলাৰ বাবে পৰামৰ্শমূলক বক্তব্য দাঙি ধৰে। পক্ষীবিদ ভুৱনেশ্বৰ শৰ্মাই জানিবলৈ দিয়ে যে ৰাজ্যিক পক্ষী সুৰক্ষা সমিতি, অসমৰ তৎপৰতাত শীঘ্ৰেই পক্ষী বিষয়ক বিশ্বকোষ প্ৰণয়নৰ আঁচনি গ্ৰহণ কৰা হ’ব। এই বিশ্বকোষৰ প্ৰকাশ অসমীয়া সাহিত্যৰ ইতিহাসত এক নতুন সংযোজন হ’ব বুলি পক্ষীবিদ গৰাকীয়ে আশা প্ৰকাশ কৰে।

# মৰিগাওঁ জিলা কৃষি বিভাগৰ কাৰ্যালয়ত পৰ্যালোচনা সভা

**ষ্টাফ ৰিৰ্পটাৰ, মৰিগাঁও, ২৭ জুন ঃ** বৃহস্পতিবাৰে মৰিগাঁও জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত বিভাগৰ অধীনত ৰূপায়ন হোৱা বিভিন্ন আঁচনি সন্দৰ্ভত এখন পৰ্যালোচনা তথা সজাগতা সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) অণুসূয়া শৰ্মাৰ উপস্থিতিত আয়োজিত সভাত প্ৰধানমন্ত্ৰী ফচল বীমা, কৃষক পঞ্জীয়ন, ন্যূনতম সমৰ্থিত মূল্যত বড়ো ধান আৰু মাকৈ ক্ৰয় সন্দৰ্ভত আলোচনা কৰা হয়। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত প্ৰায় শতাধিক কৃষি সখী আৰু কৃষি সম্প্ৰসাৰন সহায়ক সকলক ফচল বীমা প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰ কৰিবৰ বাবে নিৰ্দেশনা প্ৰদান কৰে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত কৃষক সকলে যাতে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতি সৃষ্টি নহয় তাৰ বাবে অধিক কৃষকক শালি ধান আৰু মাটিমাহৰ খেতি বীমাকৰন নিশ্চিত কৰিবলৈ যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰা হয়। ইয়াৰ লগতে কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া তীব্ৰতৰ কৰাৰ লগতে চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্যত বড়ো ধান আৰু মাকৈ বিক্ৰীৰ জৰিয়তে কৃষক সকল যাতে অধিক লাভান্বিত হ’ব পাৰে তাৰ বাবে গাঁৱে গাঁৱে গৈ কৃষক ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাই বিশেষ ভাৱে নিৰ্দেশনা প্ৰদান কৰে। উক্ত অনুষ্ঠানত মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুছেইন, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কিশোৰ কলিতা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথৰ লগতে সংশ্লিষ্ট বিষয়া কৰ্মচাৰী আৰু বীমা কোম্পানীৰ বিষয় ববীয়া সকল উপস্থিত থাকে।

# মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অভিভাৱক সভা সম্পন্ন, অভিভাৱক সমিতি গঠন

**উজনী মাজুলী, ২৭ জুন ঃ** মাজুলীৰ মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি ২০২৫ শিক্ষা বৰ্ষৰ প্ৰথমখন অভিভাৱক সভা অনুষ্ঠিত হয়। আজি দুপৰীয়া বাৰ বজাৰ পৰা আৰম্ভ উক্ত বৃহৎ অভিভাৱক সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়াই। যদু কলিতাই আঁত ধৰা সভাখন উদ্বোধন কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কমল গোস্বামীয়ে । সভাত উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ অজিত সভাপণ্ডিতে। বিদ্যালয়ৰ শতাধিক অভিভাৱকে অংশগ্ৰহণ কৰা সভাত প্ৰায়সমূহ অভিভাৱকে নিজৰ অনুভৱ প্ৰকাশ কৰে। সভাত শিক্ষকসকলৰ তৰফৰ পৰা জ্যেষ্ঠ শিক্ষক সত্যৰঞ্জন হাজৰিকা , উপাধ্যক্ষ গজেন বৰা, জ্যেষ্ঠ শিক্ষক ৰমেশ চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক শশী নাথে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। সভাত অভিভাৱকসকলৰ তৰফৰ পৰা অভিভাৱক দিলীপ ৰাজখোৱা, বিদ্যা নাথ, জগত (জীৱন ) নাথ, ৰিতা বৰা, প্ৰশান্ত হাজৰিকা, পুস্পধৰ নাথ, দিলীপ দাস, দুৰ্গেশ্বৰ নাথ , মনোজ দলে আদিয়ে নিজৰ অনুভৱ প্ৰকাশ কৰি বক্তব্য প্ৰদান কৰে। সভাত অধ্যক্ষ অজিত সভাপণ্ডিতে অভিভাৱকসকলক প্ৰতি মাহতে বিদ্যালয়লৈ আহি নিজৰ সন্তানৰ মূল্যায়ন কৰিবলৈ আহ্বান জনায়। উক্ত অভিভাৱক সভাতে অভিভাৱক মানিক হাজৰিকাক সভাপতি, বিনয় লিখকক সম্পাদক হিচাপে লৈ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ১৯ জনীয়া অভিভাৱক সমিতিখন গঠন কৰা হয়। উক্ত, সভাতেই বিদ্যালয়ৰ আন্ত :গাথনি উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত শলাগ জ্ঞাপন কৰে ৰমেশ চন্দ্ৰ শইকীয়াই।

# তিনিচুকীয়া জিলাৰ সকলো চৰকাৰী বিষয়া-কৰ্মচাৰীৰ নিচামুক্তিৰ শপত গ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৭ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে আজি তিনিচুকীয়া জিলাৰ সকলো চৰকাৰী কাৰ্যালয়ত বিষয়া-কৰ্মচাৰীসকলে নিচা আসক্তিৰ বিৰুদ্ধে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নিচাযুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আজি পুৱাৰ ভাগতে প্ৰতিটো কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল একগোট হৈ নিজে যিকোনো নিচাৰ আসক্তিৰ পৰা মুক্ত হৈ থকাৰ লগতে নিজৰ পৰিয়াল, বন্ধু -বান্ধৱ, ওচৰ-চুবুৰীয়াৰ মাজতো তাৰবাবে প্ৰয়াস চলোৱাৰ বাবে শপত গ্ৰহণ কৰে। জিলা আয়ুক্তঞ্জৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাসে সকলো বিষয়া-কৰ্মচাৰীক এই শপত বাক্য পাঠ কৰায়। অনুষ্ঠানত জিলা পঞ্ঞ্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। ইয়াৰ উপৰিও জিলাখনৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়তে এই কাৰ্যসূচী ৰূপায়ন কৰা হয়। ডুমডুমা সম-জিলা আয়ুক্তৰ কাৰ্যালয়তো বিষয়া - কৰ্মচাৰীসকলে অনুৰূপ শপত গ্ৰহণ কৰে।

## সম্পাদকীয়

# নতুন যুগৰ আধ্যাত্মিকা

প্ৰখ্যাত আধ্যাত্মিক বক্তা, ধৰ্মীয় গুৰু জয় গুৰু কৃষ্ণ (প্ৰেমানন্দ প্ৰভু) পুনৰ শেহতীয়াকৈ বিতৰ্কৰ কেন্দ্ৰ হৈ পৰিছে। বিদেশ ভ্ৰমণৰ সময়ত তেওঁক পশ্চিমীয়া ধৰণৰ পোচাক-টাইট জিনছ, চাৰ্ট, ছানগ্লাছ পৰিধান কৰি দেখা গৈছে, যাৰ পিছতেই সামাজিক মাধ্যমত এক তীব্ৰ আলোচনাৰ সৃষ্টি হৈছে। সাধাৰণতে ধুতি-চাদৰ, গামোচা আদি পৰম্পৰাগত পোচাকত দেখা পোৱা ধৰ্মগুৰুজনে এনে আধুনিক সাজ-পাৰ পিন্ধাটো বহুতে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। ভাইৰেল হোৱা ফটোবোৰত দেখা গৈছে যে জয় গুৰু কৃষ্ণই বিদেশত নিজৰ পৰিয়ালৰ সৈতে আনন্দমুখৰ মুহূৰ্ত কটাইছে। তেওঁৰ মুখমণ্ডলত আত্মবিশ্বাস আৰু পৰিৱেশৰ সৈতে খাপ খোৱাৰ এক স্বাভাৱিক ভাব ফুটি উঠিছে। এই দৃশ্যই তেওঁৰ একাংশ অনুৰাগীৰ মাজত নতুন যুগৰ আধ্যাত্মিকতাৰ প্ৰতীক হিচাপে প্ৰতিভাত হৈছে। কিন্তু আনহাতে, একাংশৰ মাজত ইয়াৰ প্ৰতি তীব্ৰ বিৰূপ প্ৰতিক্ৰিয়া দেখা গৈছে। একাংশৰ মতে, "ধৰ্মগুৰু এজনৰ এনে সাজ-পাৰ দেখা গ'লে ভক্তসকলৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হয়। যিজনে জীৱনৰ পথ প্ৰদৰ্শন কৰে, তেওঁ নিজৰ পৰিচয় সুস্পষ্টভাৱে ৰাখিব লাগে।" আনহাতে, অন্য একাংশে যুক্তি দিছে, "বাহ্যিক সাজে ধাৰ্মিকতা নিৰ্ধাৰণ নকৰে। হৃদয়ত ধৰ্ম থাকিলে, যিকোনো পৰিৱেশতে ইয়াৰ প্ৰকাশ সম্ভৱ।" বিশ্লেষকসকলৰ মতে, এই বিতৰ্ক কেৱল এখন ভাইৰেল ছবিৰ পৰিসৰত সীমাবদ্ধ নহয়। ইয়াৰ মাজেদি আজিৰ সমাজত ধৰ্ম, আধ্যাত্মিকতা আৰু ব্যক্তিগত স্বাধীনতাৰ মাজৰ সমতুল্য সমীকৰণটো কেনেদৰে সংজ্ঞায়িত কৰা হ'ব-সেয়া লৈ এক গুৰুত্বপূৰ্ণ আলোচনাৰ সূচনা হৈছে। ধৰ্মীয় নেতাসকলেও সময়ৰ সৈতে আগবাঢ়িব লাগে বুলি ক'লৈ বহুতে যুক্তি দিয়ে যে, তেওঁলোকৰো এটা ব্যক্তিগত জীৱন আছে। প্ৰেমানন্দ গুৰুৰে এজন "মানৱ" হিচাপে নিজৰ স্বাভাৱিকতা প্ৰকাশ কৰাৰ অধিকাৰ আছে বুলি তেওঁৰ সমৰ্থকসকলৰ যুক্তি যুক্তিসংগত। কিন্তু ইয়াত এটা প্ৰশ্ন উঠে-কোনটো সীমা? আমি এখন যুগসন্ধিৰ সমাজত বাস কৰিছোঁ, য'ত পৰম্পৰা আৰু আধুনিকতাৰ মাজত সংঘাত অবিৰত। কিন্তু প্ৰগতিশীল সমাজ এখনৰ বাবে প্ৰয়োজন যুক্তি আৰু বিশ্বাসৰ মাজত সমতা ৰক্ষা কৰা। ধৰ্মগুৰু এজনে যদি আধুনিক পোচাক পিন্ধে, সেয়া তেওঁৰ ব্যক্তিগত পছন্দ। কিন্তু তেওঁ যদি ধৰ্মীয় শিক্ষাত অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ভণ্ডামিকেই প্ৰচাৰ কৰে, তেন্তে সেইটো সমালোচনাৰ যোগ্য। গতিকে, প্ৰশ্নটো এয়ে নহয় যে প্ৰেমানন্দ প্ৰভুৱে জিনছ পিন্ধে নে ধুতি-প্ৰশ্নটো হ'ল তেওঁৰ শিক্ষা আৰু আচৰণত কিমান যুক্তি, কিমান মানৱতা আৰু কিমান প্ৰকৃত আধ্যাত্মিকতা প্ৰতিফলিত হয়। আধুনিকতাৰ অৰ্থ হৈছে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বন্ধনৰ পৰা মুক্ত হৈ যুক্তিসংগত চিন্তাৰে আগবঢ়া। ধৰ্ম আৰু আধ্যাত্মিকতাৰ নামত যদি আমি ব্যক্তিগত স্বাধীনতা আৰু মানৱতাক গৌণ কৰোঁ, তেন্তে আমাৰ সমাজ কেতিয়াও প্ৰগতিশীল হ'ব নোৱাৰে। গতিকে, ধৰ্মগুৰুসকলকো মানৱ হিচাপে গ্ৰহণ কৰিবলৈ শিকোৱাটো সময়ৰ দাবী। কিন্তু একেলগে এইটোও নিশ্চিত কৰিব লাগিব যে ধৰ্মৰ নামত যেন যুক্তিৰ পৰা আঁতৰি নাযায়।

> ‘ভাৰতত নিৰ্বিঘ্নে সংঘটিত ধৰ্মীয় হিংসা আৰু উচতনিমূলক বক্তব্যৰ ধাৰাই বিদেশত ভাৰতৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতিৰ নিদৰ্শনৰ নেতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। ইয়াৰ পূৰ্বেও গো-মাংস ভক্ষণক কেন্দ্ৰ কৰি ধৰ্মীয় সংঘৰ্ষৰ সূত্ৰপাত হৈছিল ভাৰতত। কেতিয়াবা এনে মুকলি বিষবাষ্প বিয়পোৱা ঘটনাৰ আঁৰত ৰাজনৈতিক শক্তিৰ পৃষ্ঠপোষকতা নথকা নহয়।’

# উচতনিমূলক বক্তব্য ধৰ্মীয় ৰাজনীতিৰেই অংগ

**সঞ্জয় ৰবিদাস**

দেশত একাংশ ৰাজনৈতিক নেতাই মুকলিকৈ অন্য ধৰ্মীয় লোকৰ বিৰুদ্ধে হিংসাভৰা, ঘৃণাভৰা, উচতনিমূলক, আক্ৰমণাত্মক মন্তব্য আগবঢ়োৱাৰ দৰে অসহিষ্ণু পৰিৱেশ এটা গঢ়ি উঠিছে। বিশ্ববিয়াপী থকা প্ৰবাসী ভাৰতীয়সকলে এনে ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰা দেখা গৈছে। দুবছৰমান পূৰ্বে বাংগালোৰ আৰু আহমেদাবাদস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট(আই আই এম) ১,১৮৩ গৰাকী শিক্ষাৰ্থী আৰু শিক্ষকে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ চিঠি লিখি ধৰ্মীয় হিংসাৰ বিৰুদ্ধে থিয় হ'বলৈ প্ৰধানমন্ত্ৰীগৰাকীক আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ মৌনতাই ঘৃণাভৰা কণ্ঠবোৰক সাহস দিছে আৰু দেশৰ ঐক্য তথা গণতান্ত্ৰিক অখণ্ডতাৰ প্ৰতি ভাবুকি কঢ়িয়াইছে বুলিও কোৱা হৈছিল চিঠিখনত। ভাৰতত নিৰ্বিঘ্নে সংঘটিত ধৰ্মীয় হিংসা আৰু উচতনিমূলক বক্তব্যৰ ধাৰাই বিদেশত ভাৰতৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতিৰ নিদৰ্শনৰ নেতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। ইয়াৰ পূৰ্বেও গো-মাংস ভক্ষণক কেন্দ্ৰ কৰি ধৰ্মীয় সংঘৰ্ষৰ সূত্ৰপাত হৈছিল ভাৰতত। কেতিয়াবা এনে মুকলি বিষবাষ্প বিয়পোৱা ঘটনাৰ আঁৰত ৰাজনৈতিক শক্তিৰ পৃষ্ঠপোষকতা নথকা নহয়। দেশৰ ৰাজনীতিত ধৰ্মীয় আবেগৰ ঢৌ তুলি সহজে ক্ষমতা দখলৰ সপোন দেখিছে এচাম ৰাজনীতিবিদে।



উন্নয়নৰ বলত নিৰ্বাচন জিকিবলৈ সাহস নকৰা এইসকল নেতাই নিজ ভাষণত ধৰ্ম, আল্লা, ভগৱানক ব্যৱহাৰ কৰি ধৰ্মীয় মেৰুকৰণৰ যোগেদি ধৰ্মীয় ভোটাৰৰ সৃষ্টি কৰে। তেওঁলোকলৈ আমাৰ আহ্বান--- ভোটাৰসকলক নাগৰিক জ্ঞান কৰক, হিন্দু ভোটাৰ, মুছলমান ভোটাৰ নাম নিদিব। যোগ্যজনক ৰাইজে ভোট দিবই। দলসমূহে উপযুক্ত পঞ্চবাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰি সঠিক ৰূপায়ণৰ প্ৰতিশ্ৰুতিৰে জনতাক আশ্বাস দিয়ক, বিশ্বাসত ল'বলৈ কওক আৰু বিশ্বাসী হোৱাৰ যোগ্য হওক। ৰাজনীতিৰ সৈতে মন্দিৰ, মছজিদৰ সম্পৰ্কও নাই। ধৰ্মীয় ৰাজনীতি এক অশুভ পৰম্পৰা আৰু ই সাম্প্ৰদায়িক বিষবাষ্পৰ সৃষ্টি কৰে, গোষ্ঠী সংঘৰ্ষৰ সূত্ৰপাক উদ্‌গনি দি দেশৰ নাগৰিকক ভাগ ভাগ কৰে আৰু দেশৰ ধৰ্মীয়, ভাষিক, সাংস্কৃতিক অখণ্ডতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে।

অসমৰ প্ৰেক্ষাপটত চালে দেখা যায় যে, অসমত পূৰ্বতে হিন্দুত্বৰ ৰাজনীতি নাছিল। অসমীয়া মানুহে নিজকে হিন্দু, মুছলমান বুলি পৰিচয় দিয়াতকৈ অসমীয়া বুলি পৰিচয় দি ভাল পাইছিল। কিন্তু ২০১৪ চনৰ পৰা বিহাৰ, উত্তৰপ্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰৰ দৰে অসমতো হিন্দুবলয়ৰ ৰাজনৈতিক বতাহ বলিল। ধৰ্মীয় উন্মাদনা বিয়পোৱা সাম্প্ৰদায়িক ৰাজনীতিৰ কবলৰ পৰা অৱশেষত অসমেও নিস্তাৰ নাপালে। ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰে শাসনৰ গাদী দখল কৰাই মূল লক্ষ্য ধৰ্মীয় নেতাৰ। সেয়েহে ধৰ্মীয় আবেগসৰ্বস্ব ভোটযুদ্ধত জয়লাভ কৰিবলৈ দেশত মন্দিৰ, মছজিদহে স্থাপন কৰা হয়, য'ত নাগৰিকৰ চিকিৎসাও সম্ভৱ নহয় আৰু উপলব্ধ নহয় শিক্ষালাভৰ সুবিধাও। ধৰ্মনিৰপেক্ষ দেশত ধৰ্মীয় তথা সাম্প্ৰদায়িক ৰাজনীতি নিশ্চয়কৈ দেশৰ সংবিধানৰ পৰিপন্থী। অন্যথা ধৰ্মীয় ৰাজনীতিত ৰক্তক্ষয়ী সংঘৰ্ষৰ সূত্ৰপাত ঘটাৰ পূৰ্ণ সম্ভাৱনা থাকে। দেশত আজি হিন্দু, মুছলমানৰ নামত নৈতিকতাবৰ্জিত ক্ষেত্ৰতসৰ্বস্ব ৰাজনীতি কৰা হয়। ধৰ্মকেন্দ্ৰিক সাম্প্ৰদায়িক বিষবাষ্পৰ ৰাজনীতি মানৱ জাতিৰ শান্তি বা মংগল কল্যাণৰ ক্ষেত্ৰত কিমান ভয়ানক হৈ পৰিব পাৰে সেয়া চিন্তা কৰে কোনে? দয়া, প্ৰেম, মানৱতা, ভাতৃত্ববোধ, পৰোপকাৰ, ঐক্য আদি মহান গুণসমূহ মানৱ জাতিৰ মাজত থকালৈকেহে পৃথিৱী বসবাসৰ বাবে সুস্থ হৈ থাকিব। আমি নিজ নিজ ধৰ্ম আৰু ঈশ্বৰৰ অন্ধ সমৰ্থক। ধৰ্মান্ধতাই আমাক বলিয়া কৰে, বিবেক লোপ পায়। ঈশ্বৰ বিশ্বাসে আমাক পাপ-পুণ্যৰ শিক্ষা দিয়ে ঠিকেই, কিন্তু অন্য ধৰ্মৰ লোকসকলৰ প্ৰতি আমি অসহিষ্ণু হৈ পৰো এই ধৰ্মীয় গোড়ামিৰ বাবেই। অথচ কোনো ধৰ্মগ্ৰন্থতেই কোৱা হোৱা নাই যে পৰৰ ধৰ্মক হীন চকুৰে চোৱা উচিত। ধৰ্মক সাৰথি কৰি ৰাজনৈতিক দলবোৰে বিচ্ছিন্নতাবাদৰ নিকৃষ্ট ৰাজনীতি কৰিছে। চৰকাৰ, ন্যায়ালয়, আৰক্ষী -প্ৰশাসন, সচেতন নাগৰিক আৰু সংবাদ মাধ্যমে দেশৰ ঐক্য-সংহতি বিনষ্ট কৰিবলৈ চেষ্টা চলোৱা যিকোনো অশুভ শক্তিক প্ৰতিহত কৰা উচিত। দেশৰ সুস্থ আৰু নিৰ্ভয় বাতাবৰণ ৰক্ষা কৰাৰ স্বাৰ্থত ভাৰতবাসীক ধৰ্ম, জাত-পাতৰ ভিত্তিত ভাগ ভাগ কৰিবলৈ বিচৰা শক্তিবোৰৰ বিৰুদ্ধে দেশৰ প্ৰধানমন্ত্ৰীয়ে কেনে দৃঢ় স্থিতি গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

*ঠিকনা ঃ বৰহোলা, যোৰহাট*
*ম'বাইল ঃ ৬৯০১১৫৪৫৮৩*

# শিক্ষাৰ্থীৰ কেৰিয়াৰ গঠনত বাতৰি কাকতৰ ভূমিকা

**ড° বুলজিৎ বুঢ়াগোহাঁই**
কেৰিয়াৰ পৰামৰ্শদাতা
ম'বাইলঃ ৯৪৩৫১৮৮৬৩০



আজিৰ যুগত কেৰিয়াৰৰ বিকল্পবোৰ বৃদ্ধি পাইছে, তাৰ লগে লগে বিভ্ৰান্তি আৰু অনিশ্চয়তাও বৃদ্ধি পাইছে। নতুন বৃত্তি, পাঠ্যক্ৰম, প্ৰযুক্তিৰ উত্থানে শিক্ষাৰ্থীসকলৰ বাবে সুযোগ সম্প্ৰসাৰিত কৰিছে যদিও একে সময়তে উপযুক্ত নিৰ্দেশনাৰ অভাৱে বহুতকে কোনটো পথ বাছি ল'ব সেই বিষয়ে বিভ্ৰান্ত কৰি তুলিছে। ফলত তেওঁলোকে প্ৰায়ে শেষত তেওঁলোকৰ দক্ষতা, আগ্ৰহ বা ব্যক্তিত্বৰ লগত মিল নোহোৱা সিদ্ধান্ত লয়, যাৰ ফলত হতাশা, সময় হেৰুৱা আৰু প্ৰেৰণা হ্ৰাস পায়। এনে পৰিস্থিতিত সঠিক আৰু নিৰপেক্ষ কেৰিয়াৰ পৰামৰ্শ, তথ্যসমৃদ্ধ পৰামৰ্শ, তথ্যৰ নিৰ্ভৰযোগ্য উৎসই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীৰ কেৰিয়াৰ গঠনত বাতৰি কাকতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। বাতৰি কাকতে নিয়মিতভাৱে এটি কেৰিয়াৰ পৃষ্ঠা প্ৰকাশ কৰি বিভিন্ন কেৰিয়াৰ বিকল্প, প্ৰয়োজনীয় যোগ্যতা, কৰ্মসংস্থাপন সম্ভাৱনা, বৃত্তি, সুবিধা আদিৰ বিষয়ে তথ্য প্ৰদান কৰিলে শিক্ষাৰ্থীসকল উপকৃত হ'ব।

বিভিন্ন প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান, উচ্চ শিক্ষা আৰু বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰত আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ বিষয়ে প্ৰবন্ধ যদি বাতৰি কাকতত প্ৰকাশ হয়, তেন্তে শিক্ষাৰ্থী তথা অভিভাৱকসকলে উপযুক্ত শিক্ষানুষ্ঠান বাছনি কৰিবলৈ সহায় হ'ব। লগতে UPSC, SSC, NEET, JEE, CUET আদি বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগে, তাৰ বিষয়ে যদি দিহা-পৰামৰ্শ আগবঢ়োৱা হয়, তেন্তে শিক্ষাৰ্থীৰ আত্মবিশ্বাস বৃদ্ধি পাব। এইবোৰ পৰীক্ষাত সফল হোৱা শিক্ষাৰ্থীসকলৰ সাক্ষাৎকাৰ আৰু অভিজ্ঞতা সংবাদ মাধ্যমত প্ৰকাশ কৰিলে, সেইবোৰে আন শিক্ষাৰ্থীৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'ব আৰু তেওঁলোকে নিজৰ লক্ষ্য স্থিৰ কৰাত সহায় হ'ব। ইয়াৰোপৰি, বাতৰি কাকতে যদি কোনো অভিজ্ঞ কেৰিয়াৰ পৰামৰ্শদাতাৰ সহায়ত 'প্ৰশ্ন-উত্তৰ' শিতান আৰম্ভ কৰে, তেন্তে শিক্ষাৰ্থীসকলে নিজৰ বিভ্ৰান্তি আৰু দুৰ্বলতাৰ উপযুক্ত সমাধান লাভ কৰিব পাৰে। এই শিতানে সঠিক, নিৰপেক্ষ আৰু প্ৰামাণিক তথ্যৰ যোগান ধৰি শিক্ষাৰ্থীসকলক ভুল সিদ্ধান্তৰ পৰা ৰক্ষা কৰিব পাৰে। কিছুমান সংবাদ মাধ্যমে বিজ্ঞাপন হিচাপে কেৰিয়াৰ বিষয়ক তথ্যসমূহ প্ৰকাশ কৰে, যি শিক্ষাৰ্থী তথা অভিভাৱকসকলৰ বাবে বিভ্ৰান্তিকৰ হ'ব পাৰে। এই ক্ষেত্ৰত সংবাদ মাধ্যমৰ দায়িত্বশীলতা অতি প্ৰয়োজনীয়।

আশা কৰিছোঁ, সংবাদ মাধ্যমসমূহে কেৰিয়াৰ বিষয়ৰ প্ৰচাৰ-প্ৰসাৰৰ দায়িত্বক যথাযোগ্য গুৰুত্বসহকাৰে গ্ৰহণ কৰিব আৰু সমাজৰ ভৱিষ্যৎ গঠনকাৰী শিক্ষাৰ্থীসকলৰ বাবে এক সহায়ক আৰু বিশ্বাসযোগ্য মাধ্যমৰ ৰূপত আত্মপ্ৰকাশ কৰিব।

# গ্ৰীষ্মকালীন বন্ধ আৰু সৃজনশীলতাৰ সুবৰ্ণ সুযোগ

**চন্দন কুমাৰ নাথ**

গ্ৰীষ্মকালৰ আগমনৰ লগে লগে প্ৰকৃতি যেন এক নতুন ৰূপত সজীৱ হৈ উঠে। তীব্ৰ ৰ'দৰ তাপ আৰু গৰমৰ মাজতো এই ঋতুটোৱে শিক্ষাৰ্থীসকলৰ বাবে এৰি দিয়ে এটি দীঘলীয়া বন্ধৰ সময়। বিদ্যালয়-মহাবিদ্যালয়ৰ গ্ৰীষ্মকালীন ছুটীৰ এই সময়ছোৱা কেৱল বিশ্ৰামৰ বাবে নহয়, নিজৰ দক্ষতা, সৃজনশীলতা আৰু ব্যক্তিত্ব বিকাশৰ বাবেও এক সুবৰ্ণ সুযোগ। এই সময়ত শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলেও সঠিক পৰিকল্পনাৰ জৰিয়তে এই দিনকেইটা অৰ্থপূৰ্ণ আৰু প্ৰেৰণাদায়ক কৰি তুলিব পাৰে। গ্ৰীষ্মকালৰ বন্ধৰ সময়ত প্ৰথমে যিটো কথা মনলৈ আহে সেয়া হ'ল বিশ্ৰাম। বছৰজোৰা পঢ়া-শুনাৰ ক্লান্তিকৰ ৰুটিনৰ পিছত শিক্ষাৰ্থীৰ মন-মগজুৱে বিশ্ৰামৰ প্ৰয়োজন। কিন্তু বিশ্ৰামৰ অৰ্থ এই নহয় যে দিনটোৰ বেছিভাগ সময় টেলিভিছনৰ সন্মুখত বা মোবাইল ফোনৰ পৰ্দাত সময় অতিবাহিত কৰা। বৰঞ্চ এই সময়ত প্ৰকৃতিৰ মাজত সময় কটোৱা, পৰিয়ালৰ সৈতে মিলি-জুলি কিছু সময় কটোৱা বা নিজৰ পছন্দৰ কামত মনোনিৱেশ কৰাটোৱেই হ'ব পাৰে প্ৰকৃত বিশ্ৰাম। উদাহৰণস্বৰূপে, ৰাতিপুৱা সোনকালে উঠি প্ৰকৃতিৰ শান্ত পৰিৱেশ অনুভৱ কৰিবলৈ যোৱাটো শৰীৰৰ বাবে স্বাস্থ্যকৰ আৰু মনৰ বাবে প্ৰশান্তিকৰ। অসমৰ গ্ৰামাঞ্চলৰ সেউজীয়া পথাৰৰ মাজেৰে খোজকঢ়া বা নদীৰ পাৰত বহি প্ৰকৃতিৰ শোভা উপভোগ কৰিলে মানসিক চাপ কমি যায়। গৱেষণাৰ পৰা জনা যায় যে প্ৰকৃতিৰ সান্নিধ্যই মানুহৰ মানসিক স্বাস্থ্যৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলায়। তদুপৰি এই সময়ত ঘৰৰ চাৰিওফালে সৰু-সুৰা গছ-গছনি ৰোপণ কৰি প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰিব পাৰি। গ্ৰীষ্মকালীন বন্ধৰ এই সময়ত নতুন দক্ষতা শিকাৰ বাবে এক উৎকৃষ্ট সুযোগ। শিক্ষাৰ্থীসকলে নিজৰ আগ্ৰহৰ ক্ষেত্ৰত নতুন কিবা এটা শিকিবলৈ চেষ্টা কৰিব পাৰে। উদাহৰণস্বৰূপে, অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জড়িত কিছুমান কলা শিকাটো অতি ফলপ্ৰসূ হ'ব পাৰে। যেনে- ভাৱনা, সত্ৰীয়া নৃত্য, বাঁহী বজোৱা বা ঢোল বজোৱাৰ দৰে পৰম্পৰাগত শিল্প শিকিলে নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱৰ লগতে নতুন দক্ষতাৰ বিকাশ ঘটে। ইয়াৰ উপৰিও আধুনিক দক্ষতা যেনে- ফটোগ্ৰাফী, ডিজিটেল মাৰ্কেটিং, ক'ডিং বা গ্ৰাফিক ডিজাইনৰ দৰে বিষয়তো হাতে-কামে শিকিব পাৰি। বৰ্তমান সময়ত অনলাইন প্লেটফৰ্মৰ জৰিয়তে এনে দক্ষতা শিকাৰ সুযোগ বহুত। উদাহৰণস্বৰূপে, Coursera, Udemy বা YouTubeৰ দৰে প্লেটফৰ্মত বিনামূলীয়া বা সুলভ মূল্যত এনে কৰ্মশালা উপলব্ধ। এই দক্ষতাসমূহে শিক্ষাৰ্থীৰ ভৱিষ্যৎ কেৰিয়াৰ গঢ়াতো সহায় কৰিব পাৰে। শিক্ষাৰ্থীৰ বাবে গ্ৰীষ্মকালীন বন্ধৰ এই সময়ত পঢ়া-শুনাৰ প্ৰতিও মনোযোগ দিয়াটো গুৰুত্বপূৰ্ণ। কিন্তু এই পঢ়া-শুনা কেৱল পাঠ্যপুথিৰ মাজত সীমাবদ্ধ থাকিব নালাগে। অসমীয়া সাহিত্যৰ ভঁৰালত আছে অসংখ্য ধন। লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক বা হীৰেন ভট্টাচাৰ্যৰ কবিতা পঢ়িলে ভাষাৰ প্ৰতি প্ৰেম জন্মে আৰু সৃজনশীল চিন্তাধাৰাৰ বিকাশ ঘটে। ইয়াৰ উপৰিও বিশ্ব সাহিত্যৰ বিখ্যাত কৰ্ম যেনে- শ্বে'পীয়েৰৰ নাটক, ৰবীন্দ্ৰনাথ ঠাকুৰৰ গীতাঞ্জলী বা গাব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজৰ উপন্যাস পঢ়িলে নতুন দৃষ্টিভংগীৰ জন্ম হয়। পঢ়াৰ অভ্যাসে শিক্ষাৰ্থীৰ কল্পনাশক্তিক জগাই তুলি তেওঁলোকক অধিক সৃজনশীল আৰু চিন্তাশীল কৰি তুলিব পাৰে। অভিভাৱকসকলে এই সময়ত সন্তানৰ বাবে এখন সৰু গ্ৰন্থাগাৰ গঢ়ি তুলিব পাৰে বা স্থানীয় পুথিভঁৰালৰ সদস্যতা ল'বলৈ উৎসাহিত কৰিব পাৰে। গ্ৰীষ্মকালীন বন্ধৰ সময়ত শাৰীৰিক স্বাস্থ্যৰ প্ৰতিও মনোযোগ দিয়াটো অতি প্ৰয়োজনীয়। গৰমৰ বাবে বাহিৰত খেলা-ধূলা কৰাটো কঠিন হ'লেও স্থানীয় ক্ৰীড়া সংস্থাৰ সৈতে যোগাযোগ কৰি সাঁতোৰ, যোগাসন বা ইনড'ৰ খেলৰ দৰে কাৰ্যকলাপত অংশগ্ৰহণ কৰিব পাৰি। অসমৰ গ্ৰামাঞ্চলত প্ৰচলিত পৰম্পৰাগত খেল যেনে- কবাডি, দৌৰ বা ৰছী টনাৰ দৰে খেলত অংশগ্ৰহণ কৰিলে শাৰীৰিক সক্ষমতাৰ লগতে সামাজিক সংযোগ গঢ়ি উঠে। গৱেষণাৰ পৰা জানা যায় যে নিয়মিত ব্যায়ামে শিশুৰ মানসিক স্বাস্থ্যৰ ওপৰতো ইতিবাচক প্ৰভাৱ পেলায়। তদুপৰি স্বাস্থ্যকৰ খাদ্যাভ্যাস গঢ়ি তুলিবলৈও এই সময় অতি উপযুক্ত। পৰিয়ালৰ সৈতে মিলি ঘৰতে স্বাস্থ্যকৰ খাদ্য প্ৰস্তুত কৰাৰ অভ্যাস গঢ়িলে শিশুৱে পুষ্টিৰ বিষয়ে জানিব পাৰে। এই সময়ত সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰকাশৰ বাবেও কিছুমান কাম কৰিব পাৰি। শিক্ষাৰ্থীসকলে স্থানীয় সমাজৰ কিছুমান সামাজিক কামত অংশগ্ৰহণ কৰিব পাৰে। যেনে- পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান, গছ ৰোপণ কাৰ্যসূচী বা দুৰ্গম অঞ্চলৰ শিশুসকলৰ বাবে শিক্ষাৰ সুযোগ সৃষ্টিৰ বাবে কাম কৰা। এনে কামে শিক্ষাৰ্থীৰ মাজত নেতৃত্বৰ গুণ আৰু সামাজিক দায়িত্ববোধৰ বিকাশ ঘটায়। অসমৰ বিভিন্ন অঞ্চলত বহুতো স্বেচ্ছাসেৱী সংস্থাই এনে কামৰ আয়োজন কৰে, য'ত শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি নিজৰ সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰে। গ্ৰীষ্মকালীন বন্ধৰ সময়ত পৰিয়ালৰ সৈতে সময় কটোৱাটোও এক গুৰুত্বপূৰ্ণ দিশ। পৰিয়ালৰ সৈতে মিলি কিছুমান স্থানীয় ঐতিহাসিক স্থান বা প্ৰাকৃতিক সৌন্দৰ্য্যৰ স্থান ভ্ৰমণ কৰিলে শিশুৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পায়। অসমৰ কাজিৰঙা, মাজুলী, শিৱসাগৰৰ ঐতিহাসিক স্থান বা হাফলঙৰ দৰে প্ৰাকৃতিক স্থান ভ্ৰমণ কৰিলে শিশোৱে নিজৰ ৰাজ্যৰ বিষয়ে অধিক জানিব পাৰে। এনে ভ্ৰমণে পৰিয়ালৰ সদস্যৰ মাজতো ঘনিষ্ঠতা বৃদ্ধি কৰে। শেষত ক'ব পাৰি যে গ্ৰীষ্মকালীন বন্ধৰ এই সময়ছোৱা কেৱল ছুটীৰ সময় নহয়, নিজৰ সম্ভাৱনা আৱিষ্কাৰৰ সময়। সঠিক পৰিকল্পনা আৰু সৃজনশীল কাৰ্যকলাপৰ জৰিয়তে এই সময় শিক্ষাৰ্থীৰ বাবে অৰ্থপূৰ্ণ আৰু প্ৰেৰণাদায়ক কৰি তুলিব পাৰি। প্ৰকৃতিৰ সৈতে সংযোগ, নতুন দক্ষতাৰ বিকাশ, পঢ়াৰ অভ্যাস, শাৰীৰিক স্বাস্থ্যৰ যত্ন আৰু সামাজিক দায়বদ্ধতাৰ জৰিয়তে শিক্ষাৰ্থীসকলে এই সময়ৰ সৰ্বোত্তম ব্যৱহাৰ কৰিব পাৰে। অভিভাৱক আৰু শিক্ষকৰ সহযোগিতাৰে এই সময় শিক্ষাৰ্থীৰ জীৱনৰ এক অমূল্য অধ্যায় হৈ পৰিব পাৰে।



*ঠিকনা ঃ সৰভোগ, বৰপেটা*
*ম'বাইল ঃ ৯১৩২৮৪৯৭২৬*

# বৰ্ষা বৰ্ণন ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিত অসমীয়াৰ জনজীৱন

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টিৰাজিত অসমীয়া সমাজ জীৱন, অসমৰ প্ৰকৃতি, গ্ৰাম্য-জীৱনৰ অতুলনীয় চিত্ৰ অংকন কৰি গৈছে। গুৰুজনাই প্ৰকৃতিৰ পৰা জীৱনবোধৰ সমল, প্ৰকৃতিৰ অনুপম সম্পদ শইচ-পথাৰ, ঋতু অনুযায়ী আদি লৈ প্ৰস্তুত কৰা কৰ্মসংস্কৃতি অসমীয়াক দি গৈছে। যাৰ সৈতে নিবিড় সম্পৰ্ক কৰি ধৰ্মীয় আৰু সামাজিক জীন যাত্ৰা আগবাঢ়ি গৈছে। তেওঁৰ ধৰ্ম প্ৰচাৰ কিম্বা সাহিত্য সংস্কৃতিৰ সৃষ্টিয়েই হওক সকলোতে বিৰাজ মান ও চালিকা শক্তি ভগবান শ্ৰীকৃষ্ণ। তেওঁৰ জীৱন ধাৰণ সৰুৰ পৰাই কৃষক, গো-ধন কিম্বা গাঁৱৰ নান্দনিক পৰিবেশৰ লগত ওটপোটভাৱে জড়িত আছিল। গো-ধন ভাৰতীয় জীৱনৰ পৰম সম্পদ আৰু ইয়াৰ সৈতে উৎপাদন ও ব্যৱসায় সম্পৰ্ক গুৰুত্বপূৰ্ণ। ভগবান শ্ৰীকৃষ্ণৰ জেষ্ঠভাতৃ বলৰামে ব্যৱহাৰ কৰা নাঙলে আমাক কৃষিৰ কথা, কৃষি কৰ্মৰ কথা সোঁৱৰাই দিয়ে। এনেদৰে তেতিয়াৰ পৰা কৃষি কৰ্ম কৰি অহা নিদৰ্শন বিদ্যমান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ জনজীৱনৰ সবাটোতকৈ আপোন বৰ্ষাঋতুৰ কথা ভাগৱতত বৰ্ণনা কৰিছে-

"শুকমুনি পৰীক্ষিত ৰাজাত কহিল।
গ্ৰীস্ম গৈল ঋতু আসি বাৰিষা মিলিল।।
বিবিধ মণ্ডলে কৰৈ সূৰ্য্যৰ প্ৰকাশ।
তাৰে ৰশ্মি চিকমিক দেখিয় আকাশ।
বহে খৰ্ব বায়ু নুশুনিয়া মাতবোল।
গগনক ঢাকি মহা মেঘৰ আন্দোল।।"

ভাগৱতৰ দশম স্কন্ধৰ ৭৭৬ নং পদৰ পৰা ৮২১ নং পদলৈ 'বৰ্ষা ঋতুৰ 'বৰ্ণনা পোৱা যায়। কৃষিভিত্তিক অসমৰ জনজীৱন। বৰ্ষা ঋতুত প্ৰবল বৃষ্টি, বানপানী কেতিয়াবা খৰাং, এইবোৰৰ মাজটো কৃষকে সৃষ্টিৰ অপৰিসীম আনন্দ লভে। বছৰৰ প্ৰায় আঠমাহ সূৰ্যৰ প্ৰখৰ উত্তাপে দহন কৰা পৃথিৱীৰ ৰস নোহোৱা হৈ যায় আৰু বাৰিষা কালত প্ৰবল বৰষুণে সৃষ্টিৰ বতৰা কঢ়িয়াই আনে। খাল-বিল, নদ-নদী, জান-জুৰিয়ে পূৰ্ণতা পায়।

"খাল বাম ভৰি ভূমি ভাগি বৰৈ জান।
যেন মহামহন্তে দুখীক দিলা ধান। "

গুৰুজনাই বৰ্ষ ঋতুৰ স্বাভাৱিক ৰূপৰ মাজেদি মানৱীয় ৰূপৰ মূল্যৰ প্ৰয়াস কৰিছে। বৰ্ষাকালত প্ৰবল বেগেৰে নামি অহা বৰষুণৰ পানীয়ে পৃথিৱী পৰিষ্কাৰ কৰাৰ দৰে জল-স্থলবাসী মনোহৰ হৈ উঠাৰ দৰে হৰিভক্তিয়ে মানুহৰ মন পৰিশুদ্ধ কৰে। সহজ সৰল গাঁৱলীয়া জন-সমাজক হৰিভক্তি মাহাত্মঞ্জ্যয় বুজাবলৈ বেছি কথাৰ প্ৰয়োজন নাই মাথোঁ অন্তৰ শুদ্ধ হলে মানসিক দিগন্ত প্ৰসাৰিত হয়, চিন্তাৰ পৰিধি বিশাল হয়। মানুহৰ মনৰ দৃঢ়তা অটুট ৰাখিবলৈ আৱশ্যক হয় এক অৱলম্বন। গুৰুজনাই ভগৱান কৃষ্ণক সেই অৱলম্বন হিচাপে লৈছে। মানসিক দৃঢ়তাৰ ওচৰত সকলো অশুভ শক্তি, সমস্ত বাধা-বিঘিনি পৰাভূত হয়।

"যদ্যপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্বতে পীড়া কিছু নজানিল।।
যিজনৰ ভৈল মন কৃষ্ণত প্ৰৱেশ।
তাক যেন লংঘিবে নুৱাৰৈ দুখ ক্লেশ।।"

কৃষিক অৱলম্বন কৰি জীয়াই থকা অসমৰ কৃষিজীৱি ৰাইজ বাৰিষাৰ সৈতে এক নিটোল সম্বন্ধ। কৃষকৰ হাড়ভগা শ্ৰমত শস্য পথাৰ শ্যামলী হয়। গুৰুজনাই এই সমস্ত কথাকে নিপুন হাতেৰে অংকন কৰিছে--

"বৃষ্টি জল পায়া শস্য কৰৈ হলফল।
দেখি কৃষকৰ মনে মহা কৌতূহল।।"

বাৰিষাই আনে সৃষ্টিৰ প্ৰতিশ্ৰুতি। পথাত সিঁচা খেতিৰ বাৰিষাৰ জলপান কৰি গছ-গছনি, ডাল-পাত মেলি ফল-ফুলেৰে জাতিষ্কাৰ হৈ উঠে। একেদৰে পৰম দুখৰ সময়ত, নানা সমস্যাত শক্তিহীন হৈ পৰাৰ সময়ত হৰি ভক্তিয়ে নতুন শক্তি যোগান ধৰে। মানুহৰ জীৱনত থকা ঋপুবোৰ বাৰিষাৰ ফেনফোটোকাৰৰ লগত তুলনা কৰি কৈছে যে বাৰিষাৰ নদীৰ ভৰুণ পানীত সেই ঋপুবোৰক ধুৱাই লৈ যায়। ইয়াৰ উপৰিও অহংকাৰ, সমাজৰ প্ৰদূষন, অন্তৰৰ মলিনতা, ধূলি-মাকতি নিৰ্মূল কৰাটো এই বাৰিষাই যেন সহায়ক হয়।

"হুয়া নদীসৱ সৱে সঙ্গম সাগৰ।
কৰিলে কল্লোল মহা উৰ্মি ভয়ঙ্কৰ।।
যেন যিটো যোগীৰ নুগুচৈ কাম কষ্ট।
বিষয়ক পাইলে পুনৰপি হৱৈ ভ্ৰষ্ট।।"

প্ৰাণীজগতৰ কল্যাণৰ বাবেওঁ বৰ্ষা ঋতু একান্ত প্ৰয়োজন। এই ঋতুৱে সকলো মলি ধুই নিকা কৰাৰ দৰে কৃষ্ণৰ থকা অনুৰাগে মানুহৰ কলুষতা, জড়তা, অপাই অমংগল নিমূল কৰে।

"প্ৰশংসন্ত কৃষ্ণ বাৰিষাৰ শ্ৰীক চাই।
উপকাৰী প্ৰাণীৰ ইহাত পৰে নাই।।

গুৰুজনাই সহজ সৰল ভাষাত কৃষিজীৱি গ্ৰাম্য সমাজৰ আনন্দ, সৌন্দৰ্য, ঐক্য প্ৰকাশ কৰিছে। গৰখীয়া জীৱনৰ আনন্দ, কষ্টৰ কথা অতিশয় স্বাভাৱিক ৰূপত অংকন কৰিছে। বৃন্দাবনত উমলি-জামলি আপোন পাহৰা হৈ কৃষ্ণৰ লগতে সমনীয়াৰ যি নান্দনিক আনন্দ কৰিছিল সেয়া এতিয়াৰ প্ৰজন্মত নাই যদিও গোপসকলৰ অবিচ্ছেদ্য অংগ আছিল। গুৰুজনাই জনমানসত কৃষ্ণভক্তিৰ মাহাত্ম্য প্ৰতিপন্ন কৰাৰ বাবে, ধৰ্মীয় অনুভূতি সুদৃঢ় কৰাৰ নিমিত্তে গৰখীয়া ৰূপৰ সৈতে কৃষ্ণৰ পৰম সৌন্দৰ্য্য সাঙুৰিছে। গৰখীয়া সকলো একে লগে গৰু চৰোৱা, কাৰাবাৰ ঘৰত কামত সহায় কৰি দিয়া, খেতি পথাৰত লাগি দিয়া আদি কাৰ্যই ঐক্যৰ, সংহতিৰ কথাকে দেখুৱাই। এতিয়াও গাঁৱলীয়া সমাজত এই পৰম্পৰা বিদ্যামান। বাৰিষা গাঁৱৰ মানুহবোৰ লগ হৈ কঠীয়া তোলা, ভুই ৰোৱা, হাল কোৰ মৰা তাৰেই নিৰ্দশন।

মুঠতে গুৰুজনাই 'বৰ্ষা বৰ্ণত' বৈষ্ণৱ আদৰ্শৰে প্ৰভান্বিত হ'ব পৰাকৈ বাৰিষাৰ অনুপম চিত্ৰ অংকন কৰি সেই তাহানিতে দি থৈ যোৱা নিদৰ্শন বোৰ এতিয়াও গাঁৱৰ জন-জীৱনত, সমাজ ব্যৱস্থান সুখ-দুখৰ, কৰ্মৰ লগৰী। গুৰুজনাৰ জীৱন কৰ্মই সেই তেতিয়াৰ অনুৰাগীসকল মুগ্ধ হোৱাৰ দৰে, তেওঁৰ আদৰ্শকে মূল হিচাপে লৈ কৰা এতিয়াও অসমীয়াৰ জীৱনৰ, কাৰ্যত দেখা যায়। খেতি পথাৰতে নহয় আধুনিক বিজ্ঞানে জীৱন যাত্ৰাৰ বহু সহজ- সুবিধাৰ সৃষ্টি কৰিছে। বিজ্ঞানে দিয়া সা-সুবিধাবোৰ গ্ৰহণ কৰি গুৰুজনা কৰ্মসংস্কৃতি আগত ৰাখি আমি কাম কৰা উচিত। গুৰুজনাৰ ব্যৱহাৰিক জীৱনৰ কৰ্তব্যৰ অতি সজাগ আছিল। গুৰুজনাৰ লগতে শিষ্যসকলে খেতি বাতি, ব্যৱসায় -বাণিজ্য, কৃষিজাত দ্ৰব্য উৎপাদন, কুটিৰ শিল্প আদিৰটো গুৰুত্ব দি ঋতু অনুযায়ী কৰ্ম-সংস্কৃতি গঢ়ি তুলিছিল।

**অজয় বৰুৱা**
**ম'বাইল ঃ ৯৭০৭৭৩০৪২৭**

# লালুক থানাৰ আৰক্ষীৰ উদ্যোগত লালুক জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ দিৱসৰ লগত সংগতি ৰাখি সজাগতা সভা

**অসম বাৰ্তা, লালুক, ২৭ জুন ঃ** ২৬ জুন আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ দিৱস। বিশ্বৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে লখিমপুৰ জিলাতো দেখিব পোৱা যায় আন্তৰাষ্ট্ৰীয় ড্ৰাগছ দিৱস পালন কৰা ।লখিমপুৰ জিলাৰ ৰঙানদী সমষ্টিৰ অন্তৰ্গত লালুক থানাৰ উদ্যোগত লালুক আৰক্ষী আৰু লালুক থানাৰ নাগৰিক সমিতিৰ বিষয়ববীয়া একত্ৰিত হৈ লালুক জেষ্ঠ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ ছাত্ৰী সকলৰ মাজত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবৰ বাবে আয়োজন কৰে এখনি সজাগতা সভা ।উক্ত সজাগতা সভাত সভাপতিত্ব কৰে লালুক জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোলাপ বৰুৱাই ।সভাত মাদক দ্ৰব্য সেৱন কৰিলে মানৱ জীৱনত হোৱা অপকাৰিতাৰ লগতে বৰ্তমান সমাজত যে নিচাজাতীয় দ্ৰব্য সেৱন কৰি বহু যুৱক যুৱতীৰ লগতে সাধাৰণ ৰাইজে নিজৰ জীৱনলৈ মৃত্যু কঢ়িয়াই আনি এই পৃথিৱীৰ পৰা চিৰ বিদায় লবলগা হৈছি সেই বিষয়েও সবিশেষ ছাত্ৰ ছাত্ৰী সকলক বুজাই দিয়া পৰিলক্ষিত হয় ।সমাজত বৃদ্ধি পোৱা ড্ৰাগছৰ প্ৰৱনতাই যে সমাজত উশৃঙ্খল পৰিবেশ সৃষ্টি কৰি পৰিবেশ বিনষ্ট কৰি আহিছে তাৰ ওপৰত সজাগতা আনিবৰ বাবে সভাত বিস্তৃত ভাৱে ছাত্ৰ ছাত্ৰী সকলক বুজাই দিয়ে ।উঠি অহা নৱপ্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি সমাজত সজাগতা সৃষ্টি কৰাৰ মানসেৰে আয়য়োজন কৰা সভাখনিত লালুক থানাৰ প্ৰভাৰী বিষয়া উপস্থিত থাকি ছাত্ৰ ছাত্ৰী সকলক মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা, বাল্যবিবাহৰ অপকাৰিতা, যিকোনো বিষয়ত উচতনিমুলক বক্তব্য আগবঢ়ালে কিনেধৰণৰ বিপদৰ সন্মুখীন হব লগা হয় , তীব্ৰ বেগত আৰু চালকৰ পৰিচয়পত্ৰ নাথাকিলে বাহন চলালে নিজৰ লগতে আনৰো যে বৃহৎ ক্ষতি হবলগীয়া হয় সেই বিষয়ি সুন্দৰ ভাবে ছাত্ৰ ছাত্ৰী সকলক বুজাই দিয়াৰ লগতে প্ৰত্যেকজন ছাত্ৰ ছাত্ৰীয়ে শিশু কালত ভালদৰে পঢ়া শুনা কৰিলে ভৱিষ্যতে যে নিজেই নিজৰ উপাৰ্জনৰ পথ বাছি লব পাৰিব সেই বিষয়েওঁ বুজাই দিয়ে ।আজিৰ সজাগতা সভাত উপস্থিত থাকে লালুক থানাৰ প্ৰভাৰী বিষয়া সীমান্ত পাঠক,লালুক থানাৰ নাগৰিক সমিতিৰ সভাপতিগোবিন বৰা, নাগৰিক সমাতিৰ সদস্য প্ৰশান্ত পাল,শশাঙ্ক বৰা,অৰুপ কুমাৰ দাস আৰু যশতা লক্ষিপ্ৰভা গগৈ বৰপাত্ৰৰ লগতে বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰী সকল।

# ওদালগুৰি মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি ওদালগুৰি জিলাতো আন্তৰাষ্ট্ৰীয় ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰা হয়। নিচা মুক্তি ভাৰত অভিযানৰ অন্তৰ্গত ওদালগুৰি জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগৰ উদ্যোগত ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজন কৰা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ওদালগুৰিৰ সহকাৰী আয়ুক্ত ক্ৰান্তি দেৰীয়ে। তেখেতে ভাষাৰ প্ৰসঙ্গত নিচা মুক্ত ভাৰত অভিযান সফল কৰাৰ কাৰণে অভিভাৱক সকলৰ লগতে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী সকলক সক্ৰিয় ভাৱে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ লগতে নিচা সম্বন্ধীয় যি কোনো সহায় বা উপদেশৰ কাৰণে ৰাষ্ট্ৰীয় হেল্প লাইন নম্বৰ ১৪৪৪৬ নম্বৰত বা সমাজ কল্যাণ বিভাগৰ লগত যোগাযোগ কৰিবলৈ আহবন জনায়। সভাত উপ- আৰক্ষী অধীক্ষক ফুলকন নাৰ্জাৰীয়ে ড্ৰাগছৰ আসক্তিয়ে অকল এটা জীৱনে নহয়, লগতে এটা পৰিয়াল তথা সমাজো ধ্বংস কৰে সেই বিষয়ে সকলোকে সজাগ কৰে। সভাত সমল ব্যক্তি হিচাবে উপস্থিত থাকি ওদালগুৰি স্বাস্থ্য বিভাগৰ ডঃ সুমন ভাৰ্মাই নিচা আসক্তৰ পৰা হ'ব পৰা মানসিক তথা শাৰীৰিক স্বাস্থ্য সমস্যা আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ উপ-মুখ্য এল. এ. ডি. চি নিউটন সোনা দৈমাৰীয়ে আইনী প্ৰক্ৰিয়াৰ ওপৰত বক্তব্য ৰাখে। তেওঁলোকৰ লগতে এম. আৰ. এচ. ডি. এন. জি. ওৰ অধ্যক্ষ ডঃ মিলনঞ্জ দাস, উপ-মুখ্য এল. এ. ডি. চি ৰনচাই বড়ো , ক্ৰীড়া বিষয়া ভূপেন ৰাভা, আৰু চি. ডি পি. অ দীপক তালুকদাৰ, পৰিশ্মীতা দাস আৰু নিৰুপমা বসুমতাৰী আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ।ঞ্জ শেষত শলাগৰ শৰাই আগবঢ়ায় সমাজ কল্যাণ বিষয়া ধীৰাজ কুমাৰ তালুকদাৰে। অনুষ্ঠানটোত বিভিন্ন পৰম্পৰাগত নৃত্য প্ৰদৰ্শনৰ লগতে ডঃ মিলনঞ্জ দাসৰ পৰিচালনাত এম. আৰ. এচ. ডি. আৰু বি. চি. চি. চি (WCD Udalguri) বিষয়া সকলে নাট প্ৰদৰ্শন কৰে। জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা নিচা মুক্তিৰ ওপৰত হোৱা ৰীলছ প্ৰতিযোগিতাত ওদালগুৰি মহৰ্ষি বিদ্যালয়ৰ জাহ্নব প্ৰতিম দাস, কুৰলী দাস, অংকীতা দাস আৰু মৃগাংক দাসে অসমীয়াত, ধনশিৰী চাহ বাগিচা ৬ ৭ প্ৰাথমিক বিদ্যালয়ে চাদ্ৰীত, ৫৭৯ গাড়োবস্তি প্ৰাথমিক বিদ্যালয়ে চাওঁতালীত, কমল খাকলাৰীয়ে বড়োত আৰু গুলাবচন হেমব্ৰমে হিন্দী ভাষাৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ ৰীলছৰ সন্মান লাভ কৰে। লগতে পোষ্টাৰ বনোৱা প্ৰতিযোগিতাত শংকৰদেৱ মিচন উচ্চ মাধ্যমিক বিদ্যালয়ৰ কপিল শৰ্মা, মাজবাট কস্তুৰভা গান্ধী বালিকা বিদ্যালয়ৰ ৰিংখাংগশ্ৰী দৈমাৰী আৰু শংকৰদেৱ মিচন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোম সূত্ৰধৰে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ।শেষত সকলোৱে নিচা মুক্তিৰ শপত গ্ৰহণ কৰে। মহিলা সম্বন্ধীয় সমিতি, ওদালগুৰি জিলাৰ সংযোজিকা চিত্ৰা কছাৰীয়ে সুন্দৰ ভাৱে পৰিচালনা কৰা অনুষ্ঠানটোত ওদালগুৰি মহাবিদ্যালয় আৰু প্ৰিমিয়াৰ চিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অংগনাবাদী কৰ্মী, চাইল্ড হেল্প লাইন, সমাজ কল্যাণ বিভাগ, জিলা অক্ষমতা পুনৰ্বাসন কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজকে ধৰি পাঁচ শতাধিক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে যোৱা ১ জুনৰ পৰা জিলা খনৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈ থকা সজাগতা কাৰ্যসূচী সমূহৰ আজি সফল সামৰণি পৰে।

# গোলাঘাটৰ ১৪২ নং চি আৰ পি এফৰ কেম্পত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ আৰু অবৈধ সৰবৰাহ বিৰুধী দিৱস। এই উপলক্ষে গোলাঘাটৰ জোনাকী নগৰস্তিত ১৪২ নং চি আৰ পি এফৰ কেম্পত উদযাপন কৰা হয় এই দিৱস। ১৪২ নং চি আৰ পি এফৰ কামাণ্ডেন্ট মহেন্দ্ৰ কুমাৰে ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে বিস্তাৰিত ভাবে আলোকপাত কৰে। যুৱ প্ৰজন্মৰ একাংশই এই মাৰাত্মক ড্ৰাগছ সেৱন কৰাৰ ফলত বহু পৰিয়াল ধ্বংস হোৱাৰ কথা উল্লেখ কৰে। ইয়াৰ উপৰিও তেখেতে ড্ৰাগছ সেৱন কৰা আৰু সৰবৰাহকাৰীত বিৰুদ্ধে জনসাধাৰণৰক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায় লগতে যদি কোনো ড্ৰাগছ সেৱন কৰা লোক বা সৰবৰাহকাৰীৰ সন্ধেদ লাভ কৰে ততালিকে স্থানীয় প্ৰশাসনক অৱগত কৰিবলৈ অনুৰোধ জনাই। এই অনুষ্ঠানত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, স্থানীয় লোকৰ লগতে চি আৰ পি এফৰ জোৱান সকলে অংশগ্ৰহণ কৰে।

# নগাঁৱৰ নৱনিযুক্ত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক নগাঁও জিলা সত্ৰ মহাসভাৰ সম্বৰ্ধনা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ জুন ঃ** নগাঁও জিলা সত্ৰ মহাসভাৰ এটা প্ৰতিনিধি দলে আজি নগাঁও আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ নগাঁও জিলাৰ নৱ নিযুক্ত আয়ুক্ত দেৱাশীষ শৰ্মাক সম্ভাষণ আৰু আদৰণি জনায়। নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক অমৃত মহন্তই আঁট ধৰা অভিনন্দন অনুষ্ঠানটোত নগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামী,কাৰ্যকৰী সভাপতি ভীষ্ম দুৰ্লভ মহন্ত, উপ-সভাপতি দিগন্ত প্ৰকাশ মহন্ত, টিকেন্দ্ৰনাথ মহন্ত, কৃষ্ণকান্ত বৰুৱা, অশোক মহন্ত, শ্ৰীশ্ৰী দিছিয়াল সত্ৰৰ সত্ৰাধিকাৰ হেম মহন্ত, নগাঁও জিলা সত্ৰ মহাসভাৰ উপদেষ্টা কৃষ্ণ গোস্বামী, কমলা বৰাসহ সম্পাদক দীপক মহন্ত নগাঁও জিলা সতী ৰাধিকা মহিলা তীৰ্থৰ সভানেত্ৰী ডº নীৰদা মহন্ত আৰু দিপালী মহন্ত আৰু নগাঁও জিলা সত্ৰ মহাসভাৰ সদস্য মন্টুল কুমাৰ শৰ্মাকে ধৰি বহুকেইজন লোক উপস্থিত হৈ নগাঁও জিলা নৱনিযুক্ত আয়ুক্ত দেৱাশীষ শৰ্মাক গামোচা চেলেং আদিৰে আদৰণি জনায়। অসমৰ বিভিন্ন স্থানত অতি নিষ্ঠা আৰু দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি জনপ্ৰিয়তাৰ খ্যাতি অৰ্জন কৰা নগাঁও জিলা নৱনিযুক্ত আয়ুক্তগৰাকীৰ লগত নগাঁও জিলা সত্ৰ মহাসভাৰ প্ৰতিনিধিসকলে সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হয় আৰু জিলাখনৰ সামাজিক-সাংস্কৃতিক দিশৰ উত্তৰণৰ দিশত মত-বিনিময় কৰা হয় বুলি নগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক অমৃত মহন্তই জানিবলৈ দিয়ে।

# গোলাঘাটত জিলা প্ৰশাসনৰ উদ্যোগত আন্তঃৰাষ্টীয় মাদকদ্ৰব্য ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ জুন ঃ** গোলাঘাট জিলা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা সমাজ কল্যাণ বিভাগ, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ, জিলাখনৰ নিচা দূৰীকৰণ আৰু পুনৰ সংস্থাপন সংস্থাৰ উদ্যোগৰ লগতে জিলা প্ৰশাসনৰ সহযোগত আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্যৰ ব্যৱহাৰ আৰু তাৰ অবৈধ সৰবৰাহ বিৰোধী দিৱস উদযাপন কৰা হয় । উক্ত সভাখনত জিলাখনৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা সমাজ কল্যাণ বিষয়া, আৰক্ষী বিষয়া, জিলা আবকাৰী অধীক্ষক, মাদক দ্ৰব্য নিবাৰণী সংস্থাৰ ৰাজ্যিক পৰামৰ্শদাতা, জিলাখনৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়খনৰ বিভিন্ন চিকিৎসক, কৰ্মচাৰী পৰিষদৰ সভাপতি, সমাজৰ বিভিন্ন সচেতন মহল, ছাত্ৰ ছাত্ৰী আৰু লগতে সমাজ কল্যাণ বিভাগৰ বিভিন্ন কৰ্মীসকল উপস্থিত থাকে। সভাখনৰ জৰিয়তে মাদক দ্ৰব্যৰ ব্যৱহাৰে ব্যক্তিগত আৰু সামাজিক পৰ্যায়ত কিদৰে জীৱন তথা সমাজ এখনক ধ্বংস কৰে তাৰ বিষয়ে সজোৰে বাৰ্তা প্ৰেৰণ কৰা হয়। এখন চুটি নাট প্ৰদৰ্শনৰ জৰিয়তে এই বিষয়টোৰ ওপৰত সচেতনতা বিলাবলৈও প্ৰচেষ্টা হাতত লোৱা হয়। উপস্থিত বক্তাসকলে সভাখনত তেওঁলোকৰ ভাষণত বিভিন্ন আইনৰ প্ৰচলন, সজাগতাৰ সমান্তৰালকৈ সামাজিক অংশগ্ৰহণৰ কিমান প্ৰয়োজন আৰু সকলো সামাজিক অংশীদাৰৰ সমন্বয় কিমান জৰুৰী সেয়া একেমুখে উল্লেখ কৰে।

# মাজুলীত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ জুন ঃ** মহিলা আৰু শিশু কল্যাণ বিভাগ, মাজুলী জিলাৰ উদ্যোগত আৰু মাজুলী জিলা প্ৰশাসন, জিলা আৰক্ষীৰ সহযোগত 'নিচামুক্ত ভাৰত অভিযান'ৰ অন্তৰ্গতভাৱে জেংৰাইমুখ মহাবিদ্যালয়ত আজি এক সজাগতা সভা অনুষ্ঠিত হয়। আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সেৱন আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এই সভাত 'ব্ৰেকিং দ্য চেইন : সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু আৰোগ্য' শীৰ্ষক বিষয়ত এক মনোজ্ঞ আলোচনাও সম্পন্ন হয়। অনুষ্ঠানৰ আৰম্ভণিতে জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ পেগুৱে আদৰণী ভাষণ প্ৰদান কৰে। মাজুলী জিলাৰ সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁয়ে ড্ৰাগছ আসক্তিৰ কাৰণ, ড্ৰাগছ আসক্তৰ চিনাক্তকৰণ, চিকিৎসা আদি সম্পৰ্কত আলোকপাত কৰে। অসম ৰাজ্যিক নিচাযুক্ত মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ সংগঠক ৰূপম শইকীয়া, মাজুলী জিলাৰ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে বিভিন্ন উক্তি আৰু উদাহৰণেৰে বক্তব্য প্ৰদান কৰে। সভাত মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধনদিয়া, মাজুলী জিলা আইনী সেৱা প্ৰাধিকৰণৰ সম্পাদক সন্দীপ কৌশিক, সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী, উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া সৌৰভ প্ৰতিম গগৈ, জেংৰাইমুখ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, স্থানীয় সচেতন ৰাইজ উপস্থিত থাকে। ড্ৰাগছ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বেডমিণ্টন প্ৰতিযোগিতাৰ বিজয়ী জ্যোতিষ্মান দত্ত আৰু লক্ষ্যজিৎ শইকীয়া, ৰানাৰ্ছ আপ লক্ষ্যজিৎ কাকতি আৰু তন্ময় বৰা, চিত্ৰাংকণ প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্ত কিশোৰ বৰা, ৰাজা গাম, ৰিণ্টু শইকীয়াক এই অনুষ্ঠানতে মানপত্ৰ-ট্ৰফীৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক মল্লিকা মৰাণে আৰু তদাৰকৰ দায়িত্ব বহন কৰে জেংৰাইমুখ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (এন এছ এছ)ৰ সেৱা বিষয়া ডঃ মানসজ্যোতি বৰুৱাই। সমগ্ৰ অনুষ্ঠানৰ পৰিকল্পনা-পৰিচালনাৰ দায়িত্বত থাকে মহিলা আৰু শিশু কল্যাণ বিভাগ, মাজুলী জিলাৰ সমন্বয়ক মনজ্যোতি গোস্বামী।

# বাহনা মহাবিদ্যালয়-সেৱাৰ আন্তৰ্জাতিক ড্ৰাগছ বিৰোধী দিৱস পালন

**অসম বাৰ্তা, নিমাতীঘাট, ২৭ জুন ঃ** যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান বাহনা মহাবিদ্যালয় আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাই আজি আন্তৰ্জাতিক ড্ৰাগছ অপ ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰে। মহাবিদ্যালয়ৰ ৰূপকোঁৱৰ আলোচনা গৃহত অনুষ্ঠিত দিৱসৰ সভাত মূল বক্তা ৰূপে ড্ৰাগছ বিৰোধী অভিযানৰ অন্যতম সেনানী অভিজিত বৰুৱাই ছাত্ৰ - ছাত্ৰীসকলক অভিৰোচিত কৰি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। তিনিটা গ্ৰিনীজ ৰেকৰ্ড, দুটা বিশ্ব অভিলেখ কৰা আৰু প্ৰফেছনেল বক্সাৰ হোৱা প্ৰথমজন অসমীয়া অভিজিত বৰুৱাই ঋণাত্মক ভাৱবোৰ আঁতৰাই দৃঢ়তা আৰু আত্মবিশ্বাসেৰে কাম কৰিলে নিশ্চয়কৈ লক্ষ্যত উপনীত হ'ব পাৰি বুলি উল্লেখ কৰি শিক্ষকৰ মনত আঘাত দিয়া কাম কেতিয়াও নকৰিবলৈ ছাত্ৰ সমাজৰ প্ৰতি আহ্বান জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডº চুম্বিত চলিহাই আদৰণী ভাষণ প্ৰদান কৰা সভাত বিশিষ্ট সমাজকৰ্মী ডা: বলীন খাৰঘৰীয়াই ড্ৰাগছে আমাৰ শৰীৰৰ ওপৰত কৰা কু - প্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰাৰ লগতে সমাজক ড্ৰাগছমুক্ত কৰাৰ কাৰণে ছাত্ৰ সমাজক ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত কাৰ্যালয় সম্পাদক শ্ৰীমন্ত মাধৱ বৰুৱা, মহাবিদ্যালয়ৰ অধ্যাপক ডº বিক্ৰমাদিত্য বকলিয়াল, ডº ৰীমা ৰাভা, ভাস্কৰ দুৱৰা,দিলীপ তামাং,ডº মুনমী বৰা,ডº ডিম্পল পাঠক প্ৰমুখ্যে বিভিন্নজনে অংশ গ্ৰহণ কৰে। অধ্যাপক ডº কস্তুৰী গোস্বামীয়ে শলাগ জনোৱা অনুষ্ঠানত ছাত্ৰী নিকিতা ভৰালীয়ে সকলোকে ড্ৰাগছৰ বিৰুদ্ধে শপত বাক্য পাঠ কৰোৱায়। শতাধিক শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰা অনুষ্ঠানত মূল বক্তাৰ লগত মত বিনিময় হয়।

# বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত দুখন গাঁও পঞ্চায়ত গঠন, সভানেত্ৰী আৰু উপ সভানেত্ৰী নিৰ্বাচিত

**অসম বাৰ্তা, বকো, ২৭ জুন ঃ** ৰাজ্যৰ ঠায়ে ঠায়ে এতিয়া চলিছে পঞ্চায়ত গঠন প্ৰক্ৰিয়া। কামৰূপ জিলাৰ বকো ছয়গাঁও সমষ্টিৰ বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত আজি দুটা গাঁও পঞ্চায়ত আনুষ্ঠানিকভাৱে গঠন কৰা হল পঞ্চায়ত। সভানেত্ৰী আৰু উপ সভানেত্ৰী নিৰ্বাচিত। ৩২ নং উত্তৰ বেকেলী গাঁও পঞ্চায়ত আৰু ৩৩ নং পূৱ বেকেলী গাওঁ পঞ্চায়ত। আজি পঞ্চায়ত কাৰ্যালয় প্ৰাঙ্গণত উক্ত গাঁও পঞ্চায়তখনৰ সভানেত্ৰী আৰু উপ সভানেত্ৰী পদত নিৰ্বাচন কৰা হয়। ৩২ নং উত্তৰ বেকেলী গাঁও পঞ্চায়তত সভানেত্ৰী পদৰ বাবে হিৰণ্ময়ী বড়ো আৰু উপ সভানেত্ৰী হিচাপে বিউটি ৰাভাক নিৰ্বাচিত কৰা হয়। বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈৰ উপস্থিতিত নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলক আনুষ্ঠানিকভাৱে শপত বাক্য পাঠ কৰোৱা হয় আৰু লগতে পঞ্চায়তো গঠন কৰা হয়। সভানেত্ৰী আৰু উপ সভানেত্ৰী নিৰ্বাচিত হোৱাৰ পিছতে এইদৰে আদৰণী জনালে বেকেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ লগতে একাংশ লোক। ইফালে ৩৩ নং পূৱ বেকেলী গাঁও পঞ্চায়তত সভাপতি আৰু উপ সভাপতি পদত নিৰ্বাচন কৰা হয়। সভানেত্ৰী পদৰ বাবে মেনকা বড়ো আৰু উপ সভাপতি বিষ্ণু দাসক নিৰ্বাচিত কৰা হয়। নৱনিৰ্বাচিত সভানেত্ৰী আৰু উপ সভানেত্ৰী দুয়োয়ে আহি থকা দিনত সৰ্বসাধাৰণ ৰাইজৰ স্বাৰ্থত কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত এইদৰে প্ৰকাশ কৰে।

# চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীসমূহৰ সভা সম্পন্ন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ২৭ জুন ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ অধীনস্থ চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাওঁৰক্ষী বাহিনীসমূহৰ ২৬ জুনত পৰ্যালোচনা সভা সম্পন্ন হয়। চাউলধোৱা আৰক্ষী চকীত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে চাউলধোৱা আৰক্ষী চকীৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনী সমূহৰ সভাপতি দেৱী প্ৰসাদ উপাধ্যায়ে। চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ এলেকা সমূহত অসামাজিক কাম-কাজ ৰোধ কৰাৰ ক্ষেত্ৰত তথা অপৰাধ মুক্ত কৰাৰ ক্ষেত্ৰত আৰক্ষীক গাঁওৰক্ষী বাহিনী সমূহে সহায় সহযোগিতা কৰিবলৈ আহ্বান জনাই বক্তব্য প্ৰদান কৰে চাউলধোৱা আৰক্ষী চকীৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গুণমনি দত্তই। সভাত আন্তৰ্জাতিক ড্ৰাগছ আৰু সৰবৰাহ বিৰোধী দিৱস উপলক্ষে বিভিন্ন জনে বক্তব্য প্ৰদান কৰে। সভাত চাউলধোৱা আৰক্ষী চকীৰ উপ-পৰিদৰ্শক ঘণশ্যাম গগৈ, বগীনদী থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনী সমূহৰ সভাপতি বাবুল চেত্ৰী, বগীনদী থানাৰ অন্তৰ্গত নাগৰিক সমিতিৰ সভাপতি ফনিধৰ গগৈ,স্থানীয় সাংবাদিক দিপ প্ৰতিম বৰা আদি উপস্থিত থাকে।

# গোৱালপাৰাত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৭ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী কাৰ্যসূচীৰ অংশ হিচাপে বৃহস্পতিবাৰে গোৱালপাৰা জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত গোৱালপাৰা মহাবিদ্যালয়ত এখনি সজাগতামুলক সভা অনুষ্ঠিত হৈ যায়। গোৱালপাৰা মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিশু উন্নয়ন প্ৰকল্প বিষয়া, অংগনৱাড়ী কৰ্মী আদিয়ে অংশগ্ৰহণ কৰা এই সজাগতা সভাখনত যুৱ প্ৰজন্মই কিদৰে অসাৱধানতাৰ ফলত নানা প্ৰকাৰৰ নিচাজাতীয় দ্ৰব্য সেৱন কৰিবলৈ আৰম্ভ কৰে আৰু পৰবৰ্তী পৰ্যায়ত ড্ৰাগছৰ প্ৰতি কব নোৱাৰাকৈ আসক্ত হৈ পৰে সেই বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰা হয়। "নাচামুক্ত ভাৰত অভিযান"ৰ অধীনত গোৱালপাৰা জিলা প্ৰশাসন আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই সজাগতা সভাখনত অতিৰিক্ত জিলা আয়ুক্ত নৱজিত পাঠক, সহকাৰী আয়ুক্ত নিশামণি কলিতা, উপ আৰক্ষী অধীক্ষক দীপাংকৰ ডেকাৰজা, জিলা সমাজ কল্যাণ বিষয়া আবু মোস্তাফা আৰ্শাদ হুছেইন, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডº সুভাষ বৰ্মন, স্বাস্থ্য বিভাগৰ বিষয়া ডº জ্ঞানজ্যোতি বসুমতাৰী, জিলা আইন সেৱা প্ৰাধিকৰণৰ দেৱজিত অধিকাৰী, নিচাসক্তৰ বাবে সংহত পুনঃসংস্থাপন কেন্দ্ৰৰ সভাপতি সঞ্জয় হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা এই সজাগতা সভাখনৰ অন্তত সকলোৱে একত্ৰিতভাৱে নিচাযুক্ত দ্ৰব্য সেৱন নকৰাৰ শপত গ্ৰহণ কৰে। সভাখন আৰম্ভ হোৱাৰ পূৰ্বে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে এটি সমদল উলিয়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

# মৈৰাবাৰীত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মৈৰাবাৰী, ২৭ জুন ঃ** সমগ্ৰ দেশৰ লগতে আজি মৰিগাঁও জিলাৰ মৈৰাবাৰীতো এদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হয় আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস ।জিলা আইন সেৱা প্ৰাধিকৰণ, মৰিগাঁৱৰ উদ্যোগত মৈৰাবাৰী পাব্লিক লাইব্ৰেৰী প্ৰেক্ষাগৃহত সেই উপলক্ষে ৰূপায়ন কৰা হয় এলানী কাৰ্যসূচী। বিভিন্ন কাৰ্যসূচীৰ ভিতৰত অন্যতম আছিল মধ্যস্হতাকৰণ বা বৈকল্পিক বিবাদ নিষ্পত্তিকৰণ শীৰ্ষক বিষয়ত আলোচনা চক্ৰ। আলোচনা চক্ৰ টি সঞ্চালনা কৰে ৰাষ্ট্ৰপতি পুৰস্কাৰ সমাজকৰ্মী আব্দুল গফুৰে। আলোচনা চক্ৰ টিত মুখ্য আলোচক হিছাবে উপস্হিত থাকি বক্তব্য ৰাখে জিলা আইন প্ৰাধিকৰণ, মৰিগাঁৱৰ সচিব কুমাৰী আৰ্টি, ডি এল এছ এ, অধিবক্তা মিণ্টু কুমাৰ নাথ, অধিবক্তা খাইৰুল ইছলাম আৰু , মল্লিকা ডেকা। তদুপৰি আলোচনাত অংশ গ্ৰহণ কৰি বক্তব্য ৰাখে মৈৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাস,অৱসৰী শিক্ষক সমাজ সেৱক ৰহম আলী, ইব্ৰাহিম আলী, সমাজ কৰ্মী জহিৰুল ইছলাম, মেহবুব মুক্তাৰকে প্ৰমোখ্য কৰি কেবাজনো বিশিষ্ট ব্যক্তিয়ে। আলোচনা চক্ৰ টোত সমগ্ৰ বিশ্বৰ লগতে মৈৰাবাৰী অঞ্চলতো শিপাব ধৰা ড্ৰাগছ আৰু অবৈধ সৰবৰাহৰ ভয়াবহতা আৰু সমাজত পৰা বিৰূপ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে এনে ভয়াবহ ব্যাধিৰ পৰা মৈৰাবাৰীৰ লগতে বিভিন্ন অঞ্চলক মুক্ত কৰাৰ বাবে প্ৰতিজন বক্তাই নিজৰ নিজৰ গুৰুত্বপূৰ্ণ বক্তব্যত পৰামৰ্শ আগবঢ়াই। বিশেষকৈ যুৱ প্ৰজন্মক এনে ভয়াবহ ব্যাধিৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত নাৰী সমাজৰ থকা দায়িত্ব সম্পৰ্কে মুখ্য আলোচক কুমাৰী আৰ্টিয়ে গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই এই ক্ষেত্ৰত নাৰী সমাজক মুখ্য ভূমিকা লবলৈ আহ্বান জনাই ।গাম্ভীৰ্য্যপূৰ্ণ আলোচনা চক্ৰ টিত শতাধিক লোক উপস্থিত থাকে।

# নামতিত অসমীয়া যুৱ মঞ্চৰ নামতি আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, নামতি, ২৭ জুন ঃ** শিৱসাগৰ জিলাৰ নামতিত অসমীয়া যুৱ মঞ্চই ৩১জনীয়া যুৱকৰে নামতি আঞ্চলিক সমিতি গঠন কৰে। অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি যদুমণি কলিতা, সাধাৰণ সম্পাদক বিষ্ণু শইকীয়াৰ লগতে কেন্দ্ৰীয় সহকাৰী সম্পাদক আকাশ শইকীয়াৰ উপস্থিতিত উপদেষ্টা হিচাপে দেৱজিৎ শইকীয়াক, সভাপতি নিতুল শইকীয়া, সাধাৰণ সম্পাদক দিপাংকৰ চুতীয়াক লৈ এখনি নামতি আঞ্চলিক সমিতিৰ ৩১জনীয়া এখন শক্তিশালী ন সমিতি গঠন কৰে অসমীয়া যুৱ মঞ্চই ।এই সভাতেই নামতিৰ বিভিন্ন দিশৰ সামাজিক কাম-কাজৰ লগতে সমস্যা সমূহৰ ওপৰত মাত মাতি যাব বুলিয়ো মন্তব্য কৰে সংগঠনটোৰ নামতি আঞ্চলিক সমিতিৰ বিষয়ববীয়াই।

# গেৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ জুন ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত গেৰুৱাত আজি গেৰুৱা গাঁও উন্নয়ন সমিতিৰ উদ্যোগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ১৬ গৰাকী কৃতী ছাত্ৰ -ছাত্ৰীক আজি ফুলাম পাজাৰ ,অভিনন্দন পত্ৰ আৰু শ্ৰীকৃষ্ণ গীতাৰে অভিনন্দন জনায়। গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি দেবেন চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শৈক্ষিক উত্তৰণত অভিভাৱক ,ছাত্ৰ -ছাত্ৰীৰ ভূমিকা শীৰ্ষক বিষয়ত গেৰুৱা ফুটকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জীতেন্দ্ৰ ৰাভা , সহকাৰী শিক্ষক সোণেশ্বৰ দাস ,স্থানীয় যুৱক তপন ৰাভাই আলোকপাত কৰে ।সম্পাদক যদু ৰাম ৰাভাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত প্ৰাক্তন সম্পাদক ফটিক নন্দন ৰাভাই ছাত্ৰ- ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানটি আঁত ধৰে ।সভাত গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সম্পাদক নমল ৰাভা , মিলন মহলীয়া , জিতু ৰাভা , সুদৰ্শন ৰাভা , জিতুল ৰাভা , বলোৰাম ৰাভা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে উপস্থিত থাকে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলন,শৰাই অৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে নামঘৰীয়া মহিৰাম ৰাভা , দণ্ডি ৰাম ৰাভাই। ৰবীন্দ্ৰ ৰাভাই পুথি পাঠ আৰু অনিতা ৰাভা আৰু আই মাতৃসকলে দিহা নাম পৰিৱেশন কৰে।

# গেলেকীৰ সমাজকৰ্মী যুৱক হেমন্ত গগৈৰ মহানুভৱতা

**অসম বাৰ্তা, গেলেকী, ২৭ জুন ঃ** কৃত্ৰিম বানৰ কবলত পৰিছে নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকীৰ ইটোৰ পিছত সিটো অঞ্চল। গেলেকীৰ কলেজ ৰোড, ন-চুক , ন- আলি বামুণ গাওঁ, তল মৰাণ গাওঁ ইত্যাদি বহু গাঁৱত দেখিবলৈ পোৱা গৈছে কৃত্ৰিম বানৰ সংহাৰী ৰূপ। এতিয়াও উক্ত অঞ্চল কেইটাই বানৰ বিভীষিকা আঁতৰা নাই। খোৱা পানীকে ধৰি খাদ্যৰ সমস্যাত ভূগিছে এই অঞ্চল কেইটাৰ ৰাইজে। ৰোগী আৰু বৃদ্ধ লোকৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে সমস্যাই দেখা দিছে এইকেইটা অঞ্চলত। ঘৰৰ ভিতৰতে একাঠু পানী হৈছে বহু লোকৰ। বাট পথ সম্পূৰ্ণ পানীত ডুবি পৰা বাবে যাতায়তৰ সমস্যাই দেখা দিছে এই কেইটা অঞ্চলত। ইয়াৰ ভিতৰৰে তল মৰাণ গাওঁৰ কিছু পৰিয়ালৰ কাষত নিজৰ ব্যক্তিগত চেষ্টাৰে কিছু খাদ্য সামগ্ৰী লৈ উপস্থিত হৈছে সমাজকৰ্মী যুৱক হেমন্ত গগৈ। বিগত সময়তো বানাক্ৰান্তৰ কাষত থিয় দিয়া দেখা গৈছিল হেমন্ত গগৈক। এইবাৰো যিহেতু কৃত্ৰিম বানত এই অঞ্চলৰ ৰাইজে জীয়াতু ভুগ কৰিব লগীয়া হৈছে সেই সময়তে আৰ্তজনক প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰি যুৱকজনে ডাঙি ধৰিছে মানৱতাৰ উৎকৃষ্ট নিদৰ্শন।

# গোৱালপাৰা জিলা শিশু দত্তক সমিতিৰ পৰা কলকতাৰ শিশুৰ দত্তক গ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৭ জুন ঃ** শিশুৰ দত্তক গ্ৰহণৰ আইনগত প্ৰক্ৰিয়া অনুসৰি কলকাতাৰ এহাল দম্পতীয়ে অনলাইন প্ৰক্ৰিয়াৰে CARA (Central Adoption Resource Authority) ৱেবছাইটত আবেদন কৰি গোৱালপাৰা জিলা শিশু দত্তক সমিতিৰ পৰা আজি এটি শিশু লাভ কৰিছে। আজি গোৱালপাৰা জিলা আয়ুক্ত তথা জিলা শিশু দত্তক গ্ৰহণ সমিতিৰ সভাপতি খনীন্দ্ৰ চৌধুৰী মহোদয়ৰ পৰা আইনগত প্ৰক্ৰিয়াৰে কলকাতা মহানগৰৰ দম্পতীহালে শিশুটিৰ দত্তক গ্ৰহণ কৰে। অতিৰিক্ত জিলা আয়ুক্ত কল্যাণী কংকণা দাস আৰু জিলা শিশু সুৰক্ষা বিষয়া মোস্তাফা হুছেইনৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত গোৱালপাৰা জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ "বিশেষ দত্তক গ্ৰহণ এজেন্সি"ৰ তত্বাৱধানত থকা শিশুটোৰ আজি আনুষ্ঠানিকভাৱে দত্তক গ্ৰহণ কৰে। আজি গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাখনত জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ জয়শ্ৰী কলিতা ( ভাৰপ্ৰাপ্ত সুৰক্ষা বিষয়া, অপ্ৰতিষ্ঠানিক সেৱা) আদিৰ লগতে গোৱালপাৰাৰ বিশেষ দত্তক এজেন্সি চলাই থকা গ্ৰীণভেলী চ'ছাইটিৰ সদস্যাসকল উপস্থিত থাকে। ছমাহ বয়সৰ কণ্যা শিশুটি এটি সমৰ্পিত শিশু আছিল।

# গোলাঘাটত দুৰ্বৃত্তৰ হাতত প্ৰহৃত মহিলা মানসিক ৰোগী, চিকিৎসালয়ত ভৰ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ জুন ঃ** সভ্য সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হৈছে গোলাঘাটত। এই ঘটনাত এগৰাকী মানসিক বিকাৰগ্ৰস্ত মহিলা এক দুৰ্বৃত্তৰ দ্বাৰা আঘাতপ্ৰাপ্ত হয়। গোলাঘাটৰ সাংবাদিকৰ এটা দলে মহিলা গৰাকীক চিকিৎসালয়ত ভৰ্তি কৰে। ঘটনাৰ বিৱৰণী প্ৰকাশ যে বেঙেনাখোৱা অঞ্চলত দুৰ্বৃত্তৰ হাতত প্ৰহৃত হোৱা মুখেৰে কথা ক'ব নোৱাৰা মহিলাগৰাকীৰ হাতৰ লগতে শৰীৰত বেয়াকৈ আঘাতৰ চিন স্পষ্ট হোৱা পৰিলক্ষিত হৈছে । অনাই বনাই ঘূৰি ফুৰা মহিলাগৰাকী গোলাঘাটৰ সাংবাদিকৰ এটা দলে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ লৈ গৈ প্ৰাৰম্ভিক চিকিৎসা সেৱা প্ৰদান কৰে। বৰ্তমান মহিলাগৰাকীৰ নাম, ঠিকনাৰ কথা জানিব পৰা হোৱা নাই যদিও চিকিৎসকে মহিলাগৰাকীৰ শৰীৰত যথেষ্ট আঘাত পোৱাৰ কথা উল্লেখ কৰে। বৰ্তমানে চিকিৎসকে মহিলাগৰাকীক চিকিৎসা প্ৰদান কাৰ্য অব্যাহত ৰাখিছে। বৰ্তমানলৈকে কোনে এই মানসিক বিকাৰগ্ৰস্ত তথা মুখেৰে কথা ক'ব নোৱাৰা মহিলাগৰাকীৰ ওপৰত অত্যাচাৰ চলালে জানিব পৰা হোৱা নাই যদিও শীঘ্ৰেই সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত ড্ৰাগছ অপব্যৱহাৰ আৰু নিষিদ্ধ সৰবৰাহ বিৰোধী দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ জুন ঃ** ডিব্ৰুগড় জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি ২৬ জুনত জিলাখনৰ বিভিন্ন ঠাইত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ অপব্যৱহাৰ আৰু নিষিদ্ধ সৰবৰাহ বিৰোধী দিৱস (International day against drug abuse and illicit trafficking) উপলক্ষে সজাগতা সভা অনুষ্ঠিত কৰা হয়। ইয়াৰে বৰবৰুৱা চাহ বাগিচা কাৰখানা চৌহদ, বৰবৰুৱা দুলীয়া নাহৰণি আৰু বলাই চাহ বাগিচাত অনুষ্ঠিত সজাগতা সভাত ডিব্ৰুগড় জিলা অহন সেৱা প্ৰাধিকৰণৰ সচিব অভিজিত শইকীয়াই সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁ উপস্থিত ৰাইজক দিৱস পালনৰ তাৎপৰ্য আৰু ৰাইজৰ কৰণীয় বিষয়ে ব্যাখ্যা দাঙি ধৰে। ড্ৰাগছৰ কবলৰপৰা যুৱ প্ৰজন্ম তথা সমাজক ৰক্ষাৰ কৰাৰ বাবে একগোট হৈ ওলাই আহিবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। ড্ৰাগছ আসক্তসকলক স্বাভাবিক জীবনলৈ উভতাই অনাৰ ক্ষেত্ৰত সমাজৰ সকলোৰে কৰণীয় আছে বুলি তেওঁ দোহাৰে। উল্লেখ্য যে, ১৯৮৭ চনত ৰাষ্ট্ৰসংঘই আজিৰ দিনটোত দিবসটি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। দিবসটি পালনৰ জৰিয়তে ড্ৰাগছৰ নিষিদ্ধ সৰবৰাহৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সমাজৰ মাজত আৰু স্থানীয় পৰ্যায়ত সমন্বয় স্থাপনৰ যোগেদি নিষিদ্ধ সৰবৰাহ ৰোধ কৰাৰ চেষ্টা কৰা হয়। চলিত বছৰটোত আন্তঃৰাষ্ট্ৰীয়ভাৱে গ্ৰহণ কৰা মূল বাৰ্তাটো হৈছে "ড্ৰাগছ আসক্তি প্ৰতিৰোধ আৰু চিকিৎসা কৰাটো সকলোৰে দায়িত্ব।" ইয়াৰোপৰি চাবুৱাৰ খাৰজান চাহ বাগিচা, ধেমেচীৰ দিখাৰী চাহ বাগিচা, ডিব্ৰুগড় জীৱন ফুকন নগৰস্থিত ৫০ ভূপেন হাজৰিকা একাডেমী, দুলীয়াজানৰ বেতনী ৰাজহুৱা প্ৰেক্ষাগৃহ, নামৰূপৰ ঘিনাই মিলনজ্যোতি হাইস্কুল, বামুণীয়া হিলৈধাৰী আৰু মেৰবিল গাঁও পঞ্চায়তৰ দেওধাই গাঁৱত দিৱসটি পালন কৰা হয়। উক্ত স্থানত সজাগতা সভাসমূহ পৰিচালনা কৰে ডিব্ৰুগড় জিলা আইন সেৱা প্ৰাধিকৰণৰ অৰ্ধ আইনী স্বেচ্ছাসেৱকসকলে। প্ৰতিখন সজাগতা কাৰ্যসূচীতে বিভিন্ন বয়সৰ স্থানীয় লোকসকলে অংশগ্ৰহণ কৰে আৰু নিজ নিজ অঞ্চলত ড্ৰাগছৰ দৰে ব্যাধি অধিক বিয়পোৱাৰ পৰা ৰোধ কৰাৰ সংকল্প গ্ৰহণ কৰে আৰু এই ক্ষেত্ৰত প্ৰশাসন তথা অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰো পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন আছে বুলি মত পোষণ কৰে।

# আটাছু নেতা নূপুৰ নেওগৰ মাতৃ বুলিৰাণী নেওগৰ স্মৃতিচাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ২৭ জুন ঃ** শিৱসাগৰ জিলাৰ আটাছু বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি নূপুৰ নেওগৰ মাতৃ তথা সৰবৰহী মহিলা বুলিৰাণী নেওগৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি আজি তেওঁৰ কালুগাঁও নামতিয়াল গাঁৱৰ নিজা বাসগৃহত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। আটাছু শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক বিশ্বজিৎ আৰন্ধৰা আৰু বৰুৱা পুখুৰী আঞ্চলিকৰ সাধাৰণ সম্পাদক নিলোৎপল কোঁৱৰে আঁত ধৰা অনুষ্ঠানত বুলিৰাণী নেওগৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন কৰে শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক জয়জ্যোতি গগৈয়ে ।অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা অনুষ্ঠানত আটাছু শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম,নামতি প্ৰেছ ক্লাৱৰ সভাপতি ৰাতুল শৰ্মা,শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈ,নৱজ্যোতি নামদাং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ নাথ আদিয়ে সৰবৰহী মহিলাগৰাকীৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। অৰ্ধশতাধিক ৰাইজ উপস্থিত থকা সভাখনিত কালুগাঁও প্ৰেছক্লাৱৰ ভাৰপ্ৰাপ্ত সম্পাদক অচিন্ত বৰঠাকুৰ,তাই আহোম মহিলা পৰিষদৰ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি নৱনীতা তামুলী, সমাজকৰ্মী ৰবীন গগৈ,উৎপল দত্ত,প্ৰাণজিৎ ভূঞা,শান্তনু ভূঞাকে আদি কৰি বহুসংখ্যক গণ্য মান্য ব্যক্তি তথা পৰিয়ালবৰ্গ উপস্থিত থাকে।

## জনসাধাৰণৰ হিতৰ হকে

ৰাইজে ৰজা পাতে বা ক্ষমতাশালী প্ৰতিনিধি নিৰ্বাচন কৰে যদিও প্ৰতিনিধিৰ কাম-কাজ পৰ্য্যবেক্ষণ কৰি অথবা মঙ্গল-অমঙ্গল বিচাৰ কৰি ৰাইজে পতা ৰজা নিমিষতে ভাঙিও পেলাব পাৰে এদিন। এই কথা সমাজৰ মত-অভিমতৰ ওপৰত নিৰ্ভৰশীল।

ৰাজনীতি বিজ্ঞানৰ মতে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ চতুৰ্থ স্তম্ভ হৈছে সংবাদ সেৱা তথা সংবাদ কাৰ্যাৱলী। সংবাদ সেৱা কাৰ্যৰ জৰিয়তে জনসমাজে একোখন সমাজৰ অপকৰ্ম, অপ-সংস্কৃতিবোৰ নিৰাময় কৰি একোখন সুস্থ, সৱল কালিমামুক্ত সমাজ গঢ়ি তোলাত সক্ৰিয় ভূমিকা পালন কৰিব পাৰে আৰু শক্তিশালী পদক্ষেপ গ্ৰহণ ল'ব পাৰে। তাহানি কালৰ আদিম প্ৰকৃতি বা প্ৰবৃতি নিৰাকৰণৰ বাবেই মানুহৰ মাজত সমাজ গঢ় লৈ উঠিছিল। সমাজ পাতি মানুহে বসতি বিস্তাৰ কৰিবলৈ শিকাৰে পৰা মানুহে সভ্যতাৰ শিখৰ বগাবলৈ শিকিলে। উন্নত প্ৰণালীৰে খোৱা-পিন্ধা, থকা-মেলা আদিৰ দৰে সংস্কাৰ যাত্ৰাত অগ্ৰসৰ হোৱাৰ প্ৰয়াস কৰিলে। সামাজিক পৰিৱেশত মানুহে শিক্ষা-দীক্ষা, ভাৱ-চিন্তা, আচাৰ-অনুষ্ঠান তথা ব্যৱহাৰিক নিয়ম-শৃংখলা আদি আহৰণ কৰি ভিন্ন দিশত ভিন ভিন জ্ঞান অভিজ্ঞতাদি বৃদ্ধি কৰাৰ কথা ভাৱিবলৈ ধৰিলে। এনেকৈয়ে লাহে লাহে মানুহে ধৰ্ম-আধ্যাত্মিকতা, পাৰস্পৰিক সহায়-সহযোগিতা আৰু সাংস্কৃতিক নীতি-পৰম্পৰাৰ মাজত চলিবলৈ শিকিলে। এয়াই হৈছে মানৱ সমাজৰ সংস্কাৰ যাত্ৰা। এই সংস্কাৰ যাত্ৰাৰ শুভাৰম্ভণিৰ খেও ধৰিয়েই দোপদ-দোপে ক্ৰমাগতভাৱে সমাজত বৌদ্ধিক জয়যাত্ৰাও চলি আহিবলৈ ধৰিছে।

জনসমাজত মানুহ সভ্য শিক্ষিত হৈ সামাজিক পৰিমণ্ডল গঢ়ি তোলাৰে পৰা মানুহৰ মাজত নানান প্ৰকাৰৰ সংঘাত আৰু সমস্যা দুৰ্গতি আদিও উদ্ভৱ হৈ আহিবলৈ ধৰিলে। সমাজত বৌদ্ধিক-সাংস্কৃতিক পৰিৱেশাৱলীৰ মাজত প্ৰতিদিনে বহুবোৰ অসাংস্কৃতিক কাৰ্যকলাপো সংঘটিত হোৱাৰ বা-বাতৰি আমাৰ চৌপাশে বিয়পি পৰে। জনসমাজৰ মাজত শান্তি-সম্প্ৰীতি আৰু সুখ-সমৃদ্ধি বাঞ্ছা কৰাৰ বিপৰীতে সমাজত বহুবোৰ হিতৰ পৰিপন্থী কাৰ্যকলাপো সংঘটিত হোৱাৰ চানেকি পৰিলক্ষিত হয়। তেতিয়াই আমাৰ মানৱ সমাজবোৰ পাপ-পঙ্কিলতাৰে উপচি পৰে আৰু সামাজিক পৰিৱেশত বহুবোৰ অবাঞ্চিত তথা অহিতকৰ কাম-কাজে গা কৰি উঠিবলৈ ধৰে।

আমাৰ সামাজিক পৰিৱেশত ক'ত কেনেদৰে কি কি ধৰণৰ কাৰ্যাৱলী উদ্ভৱ হৈ আমাৰ সামাজিক পৰিমণ্ডল বিষবাষ্প হৈ পৰিছিল - এই সকলোবোৰ কাৰ্যকলাপ আৰু ঘটনা-পৰিঘটনা নিৰীক্ষণ, পৰীক্ষা আদি কৰি সমস্যা সমাধানৰ ব্যৱস্থা কৰিব লাগে। এনে সমস্ত দিশ আলোকপাত কৰি নিৰাময়ৰ পথ নিৰ্দেশ কৰাৰ দায়িত্ব সমাজৰ সাংবাদিকসকলৰ। সাংবাদিকসকল যিহেতু সমাজৰ একপ্ৰকাৰ যোগাত্মকধৰ্মী পহৰাদাৰ গতিকে এনে বহুবোৰ সমস্যা নিৰাময়ৰ ক্ষমতাশালী বৌদ্ধিক আৰু শুভচিন্তক, নাগৰিক। বহু সময়ত আমি দেখিবলৈ পাওঁ যে বহু সংবাদসেৱীয়ে ৰৌটোকে ঢৌটো কৰি বা এটা সৰু কথাকে বৰটো কৰি পৰিৱেশ একপ্ৰকাৰ উত্তাল কৰি তোলে। এনেকৈ তিলটোকে তালটো কৰি বাতৰি পৰিৱেশন কৰাৰ বাবে অনেক সময়ত আমাৰ সমাজত অশান্তি জৰ্জৰ পৰিৱেশহে উদ্ভৱ হোৱা দেখা পোৱা যায়।

সাংবাদিক সমাজে মানৱ সমাজবোৰ সংস্কাৰী ৰূপ দি গঢ়ি তুলিব পাৰে। গতিকে প্ৰথম কথা সাংবাদিকসকল স্বৰূপতে স্বদেশ আৰু স্বজাতি প্ৰেমত উদ্বুদ্ধ হব পাৰিব লাগিব। নিৰ্ভীকতা, স্পষ্টবাদিতা, পৰোপকাৰী, সত্যবাদী, কৰ্তব্যনিষ্ঠতা, নিৰহংকাৰী তথা কষ্টসহিষ্ণু হ'ব পৰাটোৱেই হৈছে সাংবাদিক সমাজৰ প্ৰকৃত ধৰ্ম। মিথ্যাবাদৰ প্ৰভাৱত সংবাদ সাহিত্য নচলে বা সাংবাদিকতাৰ পৱিত্ৰতা ৰক্ষিত নহয়। অতিৰঞ্জিত বাৰ্তা প্ৰেৰণ, তৰল-টুলুঙা বাতৰি পৰিৱেশন আৰু সত্য, শুদ্ধ, তথ্যহীন কথা-বতৰা প্ৰকাশ আৰু প্ৰচাৰ - এনেবোৰ সংবাদৰ বাবে বাতৰি কাকতৰ মানদণ্ড হ্ৰাস হয়, বাতৰি বা সংবাদ জগতৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যত বিঘিনি উপজে বা ব্যাঘাত জন্মে। এটা কথা লক্ষণীয় যে সমাজৰ সৰ্বস্তৰৰ লোকৰ বাবে দৈনন্দিন বা-বাতৰি পঢ়াটো বহুক্ষেত্ৰত সম্ভৱ নহয়। এনে বহুবোৰ লোকে মানুহে কোৱা কথাৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হয়। গতিকে বাতৰি কাকতৰ বতৰাবোৰ যদি সত্য, শুদ্ধ, তথ্যভিত্তিক আৰু সৰল প্ৰকাশিত হয় তেতিয়া বাতৰি কাকতৰ বা সংবাদ সাহিত্যৰ জনপ্ৰিয়তা আপোনা-আপুনি বাঢ়ি যায়, তেতিয়া সংবাদ সাহিত্যৰো উত্তৰণ হয়।

অন্যহাতেদি আৰু এটা বিশেষ মন কৰিবলগীয়া কথা যে বাতৰি কাকত বা সংবাদ সেৱাৰ ভাষা অতি সহজ-সৰল, প্ৰাঞ্জল আৰু মাৰ্জিত হোৱা বাঞ্ছনীয় যাৰ জৰিয়তে একোটা ভাষাৰ প্ৰকৃত সৌন্দৰ্য আৰু মৰ্যাদা বৃদ্ধি পায়। এনেবোৰ যোগাত্মক তথা প্ৰত্যয়পূৰ্ণ দিশ সামৰি বাৰ্তা পৰিৱেশন কৰা মানেই প্ৰকৃততে জনসাধাৰণৰ হিতৰ অনুকূলে জনসেৱা কৰা বুজায়।

*মুখ্য সম্পাদক*
*অসম বাৰ্তা*

## ৰাজ্যৰ ৯৪২টা অনুষ্ঠানলৈ

সাংস্কৃতিক সংগঠনৰ বাবে ১৯৭৭টা ভূমি আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। ৰাজ্যত জিলা পৰিষদসমূহৰ নিৰ্বাচন সম্পূৰ্ণ হৈছে। আজিৰ কেবিনেটে জিলা পৰিষদসমূহৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচন সংক্ৰান্তত মহিলা, অনুসূচিত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত প্ৰক্ৰিয়া ল'টাৰী ব্যৱস্থাৰে কৰাৰ ক্ষেত্ৰত অনুমোদন জনায়। ইয়াৰ দ্বাৰা নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ পাৰদৰ্শিতা আৰু যোগ্যতাৰ ভিত্তিত নিশ্চিত হ'ব। মৰাণ স্বায়ত্তশাসিত পৰিষদ আৰু মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোকসকলেহে ভোটদান কৰিব পাৰিব। আজিৰ কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ বাবে সুকীয়াকৈ প্ৰকাশ পাব ভোটাৰৰ তালিকা। এই ভোটাৰ তালিকাত আন লোক অন্তৰ্ভুক্ত নহয়। ভোটাৰ তালিকা প্ৰস্তুত হোৱাৰ পিছতে হ'ব নিৰ্বাচন। নৱেম্বৰ-ডিচেম্বৰত হ'ব মৰাণ-মটক স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। আনহাতে প্ৰতিদিনে অসমৰ পৰা ২০ ৰ পৰা ৩০জন লোকক পুচ বেক কৰা হয় যদিও পুলিচে সকলোকে ধৰিব পৰা নাই। এই বিষয়টোক লৈ আজিৰ কেবিনেটত আলোচনা কৰা হয়। আধাৰ কাৰ্ড অসমত বহু বছৰ হৈ গ'ল। প্ৰাপ্তবয়স্ক ব্যক্তিসকলে এতিয়া আধাৰ লোৱাৰ প্ৰয়োজন নাই, কাৰণ তেওঁলোকক ইতিমধ্যে আধাৰ দিয়া হৈ গৈছে। এতিয়া আধাৰ দিব লাগে কেৱল শিশুক। এতিয়া এটা নিয়ম অনা হ'ব আৰু অহা কেবিনেটত এই বিষয়ে আলোচনা হ'ব যে প্ৰাপ্তবয়স্কই আধাৰ বিচাৰিলে অকল জিলা উপায়ুক্তইহে দিব পাৰিব। আন কোনেও প্ৰাপ্তবয়স্কক আধাৰ দিব নোৱাৰিব। ইয়াৰ ফলত বাংলাদেশৰ পৰা অহা নতুন মানুহে আধাৰ কাৰ্ড ল'ব নোৱাৰিব। আমি ৰাস্তাটোও বন্ধ কৰি দিয়া নাই, কোনোবা যদি যোগ্য মানুহ আছে, তেওঁলোকে জিলা উপায়ুক্তই দিব পাৰিব। আগতে আধাৰ কাৰ্ড আধাৰ কেন্দ্ৰত পায় বা এছডিচি অফিচত পায়, এতিয়া ডিচিয়ে নিজেই নোচোৱালৈকে আধাৰ পোৱাৰ ৰাস্তা বন্ধ হৈ যাব। নতুন বিদেশী মানুহে যাতে আধাৰ নাপায়, তাৰ বাবে এয়া এক ডাঙৰ ব্যৱস্থা হ'ব। অহা কেবিনেটত ইয়াক লৈ আনুষ্ঠানিক সিদ্ধান্ত লোৱা হ'ব। সংবাদমেলতে মুখ্যমন্ত্ৰীয়ে এ পি এছ চিক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ক লৈ মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, "গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এ পি এছ চি ৰায়ক লৈ বিভিন্ন সংবাদ মাধ্যমত কোৱা হৈছে যে তেওঁলোকক চাকৰি ঘূৰাই দিবলৈ কোৱা হৈছে। আমি ৰায়টো পৰীক্ষা কৰিলোঁ আৰু তাত চাকৰি ঘূৰাই দিয়াৰ কোনো নিৰ্দেশ দিয়া নাই। ৰায়টোৰ তেওঁলোকৰ Discharge Orderটো Non-Stigmatic কৰি পুনৰ এবাৰ জাৰি কৰিব লাগে। যাতে ব্যক্তিগৰাকীয়ে ভৱিষ্যতে ক'ৰবাত কাম-কাজ পোৱাত অসুবিধা নহয়।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "এ পি এছ অংশটোৰ বাবে অসম চৰকাৰ উচ্চতম ন্যায়ালয়লৈ যাবলগীয়া হ'ব পাৰে। তাৰ বাদে আন চাকৰিসমূহ বৰ্খাস্তকৰণৰ আদেশটো সলনি কৰিবলৈ উচ্চ ন্যায়ালয়ে কৈছে।" এ পি এছ সকলৰ প্ৰসংগটো ৰাজ্য চৰকাৰে পুনৰ এসপ্তাহমান বিবেচনা কৰিব বুলি সদৰি কৰে মুখ্যমন্ত্ৰীয়ে।

## সাহায্য লওঁতে নিজৰ ক্ষেত্ৰত

প্ৰকল্পৰ নামত ৫০ লাখ টকাৰ ৰাজসাহায্য লাভ কৰাৰ বাতৰি প্ৰকাশ পোৱাৰ পিছতে ৰাজ্যৰ ৰাজনীতিৰ বতাহ গৰম হৈ পৰিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী-বিধায়কৰ পক্ষ লোৱা আৰু মন্ত্ৰী জয়ন্ত মল্লবৰুৱা এই বিষয়ত সোচ্চাৰ হোৱা পৰিলক্ষিত হৈছে। এইবাৰ এই সন্দৰ্ভত মন্তব্য আগবঢ়াইছে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। দিলীপ শইকীয়াই কয় যে, অকণমান সাহায্য লওঁতে আমি অন্যক বেছি সুবিধা দিব লাগে। নিজৰ ক্ষেত্ৰত অলপ কঠোৰ হৈ আনৰ ক্ষেত্ৰত অলপ কোমল হ'ব লাগে। চাওক, যি লিষ্ট ওলাইছে ময়ো নাজানো তেওঁলোক আচলতে বেনিফিচাৰী হয়নে নহয়। লিষ্টখন ময়ো দেখা পাইছোঁ আপোনালোকৰ জৰিয়তে। টকা পাইছে বা ৰাজসাহায্য পাইছেনে নাই মই সেইটো বিষয়ে অৱগত নহয় এতিয়ালৈকে। কিন্তু লিষ্টত নামটো আছে। মই এটা কথায়ে ক'ব বিচাৰোঁ যে কোনোবাই যদি ব্যৱসায় কৰি স্বাৱলম্বী হ'ব পাৰে কোনোবাই লওক। কিন্তু কথাটো হ'ল কি এইটোক লৈ যিধৰণৰ বিতৰ্ক, চৰ্চা নকৰিলে ভাল নেকি। কাৰণ এনেকুৱা হয়তো বহুত ব্যক্তি আছে যিয়ে নেকি চৰকাৰৰ ছাবছিডি লৈ বহুতে ব্যৱসায়ো কৰি আছে আৰু স্বাৱলম্বীও হৈ আছে।" তেওঁ লগতে কয় যে কেৱল ৰাজসাহায্য লোৱা লোকৰ তালিকাখনেই নহয় ইয়াৰ জৰিয়তে স্বাৱলম্বী হোৱা লোকসকলৰ তালিকাখনো প্ৰকাশ হ'ব লাগে। উল্লেখ্য যে তিনি দিন পূৰ্বে দুগ্ধপামৰ ক্ষেত্ৰত ৫০ লাখ টকাৰ ৰাজসাহায্য লাভ কৰা এখন তালিকা প্ৰকাশ হৈছিল, য'ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ পত্নীৰ নাম আছিল। তাৰ পিছতে বিৰোধীৰ লগতে সাধাৰণ ৰাইজৰ মাজত সমগ্ৰ বিষয়টোৱে চৰ্চা লাভ কৰে। এই ক্ষেত্ৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে মুখ্যমন্ত্ৰীয়েও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ইয়াৰ পিছতে বৃহস্পতিবাৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া বিষয়টো সন্দৰ্ভত মন্তব্য আগবঢ়ায়। উল্লেখ্য যে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত জৰুৰীকলীন অৱস্থাৰ ৫০ বছৰ পূৰ্ণ হোৱা হেতুকে বৃহস্পতিবাৰে অনুষ্ঠিত কৰা হয় কংগ্ৰেছ শাসনকালৰ ক'লা অধ্যায়ৰ এক অনুষ্ঠান। লগতে জৰুৰীকালীন অৱস্থাৰ এখন প্ৰদৰ্শনী মুকলি কৰে। জৰুৰীকালীন অৱস্থাত আতিশায্যৰ বলি হোৱা কেইবাগৰাকীও লোক এই অনুষ্ঠানত উপস্থিত থাকে। ৰাজ্যিক বিজেপিৰ তৰফৰ পৰা তেওঁলোকক এখন চেলেং, এখন গামোচা, মানপত্ৰ আৰু এখন শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতিৰ উপৰি বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, সাংসদ ৰামেশ্বৰ তেলী, মেয়ৰ মৃগেন শৰণীয়াৰ লগতে কেইবাগৰাকীও বিজেপিৰ জ্যেষ্ঠ নেতা উপস্থিত থাকে। অনুষ্ঠানটোত ভাষণ প্ৰসংগত দিলীপ শইকীয়াই কয়, ক'লা দিনক পাহৰি নাযাব কোনেও। ২১ মাহৰ সেই দিনকেইটা কোনেও নাপাহৰিব। প্ৰধানমন্ত্ৰীৰ আসন হেৰুওৱাৰ ভয়তেই দেশত জৰুৰী অৱস্থা ঘোষণা কৰিছিল ইন্দিৰা গান্ধীৰ চৰকাৰে। কাৰণ উচ্চতম ন্যায়ালয়ে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৰায় বাহাল ৰাখিছিল। তেওঁ লগতে কয়, পৰিয়ালতন্ত্ৰ, একনায়কত্ববাদ আৰু গণতন্ত্ৰৰ প্ৰমূল্যক ভৰিৰে মোহৰাৰ নীতিৰ বাবেই জৰুৰীকালীন অৱস্থা দিয়া হৈছিল। কংগ্ৰেছ দলটোৰ লগত অৱস্থান কৰাসকল গণতন্ত্ৰ ৰক্ষাৰ চিপাহী নহয়। তেওঁলোক মৌলিক অধিকাৰৰ বিৰোধী। তেওঁলোক পৰিয়ালতন্ত্ৰত বিশ্বাসী। আনহাতে, সেই সময়ৰ অসমৰ সাংসদ দেৱকান্ত বৰুৱাৰ প্ৰসংগ উল্লেখ কৰি ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে কয়, "সেই সময়ত কংগ্ৰেছৰ আচৰণক লৈ আজি আমি অসমীয়া হিচাপে লাজ পাওঁ। কাৰণ দেৱকান্ত বৰুৱাই কৈছিল India is Indira, Indira Is India। ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ ওপৰতো আক্ৰমণ কৰিছিল কংগ্ৰেছে। সংবিধান ৰক্ষা কেৱল শ্লোগান নহয়। কংগ্ৰেছক ভৰিৰে মোহৰা কাম ৰাহুল, প্ৰিয়ংকাৰ পৰা গৌৰৱলৈ কৰি আছে। এতিয়া 'সংবিধান বচাও' ধাৰণাৰে তেওঁলোকে ভুৱা ভাবধাৰা সৃষ্টি কৰিব বিচাৰিছে। ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষ শব্দ দিয়াৰ প্ৰয়োজনীয়তাই নাছিল। তথাপি বলপূৰ্বক সংবিধানত কৰোৱা হৈছিল। অসমত থকা ২২/২৩ কোটি মুছলমান এতিয়াও শান্তিত আছে। কাৰণ ভাৰতত হিন্দু সংখ্যাগুৰু।

## বোকাখাতৰ গ্ৰেণেড

হৈছে। পৰৱৰ্তী অনুসন্ধান চলি আছে যে কোনে এওঁলোকক এই কামৰ বাবে উৎসাহিত কৰিছিল। তাৰ তদন্ত চলি আছে।" এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। শুকুৰবাৰে দিছপুৰৰ লোক সেৱা ভৱনত সম্বোধন কৰা এখন সংবাদমেলত বোকাখাতৰ গ্ৰেণেড বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয়, "তেওঁলোকৰ পৰা তিনিটা নতুন গ্ৰেণেড আৰু এটা পিষ্টল উদ্ধাৰ কৰা হৈছে। আনহাতে ধৃত কেইজনৰ ভিতৰত এজন আলফাৰ প্ৰাক্তন সদস্য। আটাইকেইজনে অপৰাধমূলক কাৰ্যত জড়িত আছিল। ঘটনা সন্দৰ্ভত অব্যাহত আছে আৰক্ষীৰ তদন্ত। এজন এতিয়াও পলাতক হৈ আছে। লগে লগে ধৰা বাবে তিনিটা স্থানৰ পৰিকল্পনা ৰক্ষা পৰিল।" মুখ্যমন্ত্ৰী শৰ্মাই কয়, "তেওঁলোক অপৰাধী মনোভাৱৰ ব্যক্তি যেন লাগে, কোনো সক্ৰিয় উগ্ৰপন্থী সংগঠনৰ সৈতে জড়িত নহয়। ইয়াৰে এজনৰ আলফাৰ সৈতে পূৰ্বে সম্পৰ্ক আছিল আৰু কিছু দিন কাৰাগাৰত আছিল। ইয়াৰ বিপৰীতে আন কিছুমানে গৰু চুৰি আৰু ড্ৰাগছ সৰবৰাহৰ দৰে অপৰাধৰ সৈতে জড়িত হৈ আছিছে।" তেওঁ স্পষ্টকৈ কয় যে, এই আক্ৰমণ কোনো বিদ্ৰোহৰ লক্ষণ নহয়। তেওঁ কয়, "এইবোৰ সংগঠিত উগ্ৰপন্থী আক্ৰমণ নহয়, বৰঞ্চ অপৰাধমূলক কাৰ্য। এতিয়াও তদন্ত কৰি থকা হৈছে।" এনে বিস্ফোৰণে AFSPA পুনৰ ঘূৰাই আনিব পাৰে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে, "AFSPA অনিয়মীয়া এই ধৰণৰ কাণ্ডৰ সৈতে জড়িত নহয়। দীৰ্ঘদিনীয়া বিদ্ৰোহৰ ক্ষেত্ৰত ইয়াক ব্যৱহাৰ কৰা হয়। ইয়াক ঘূৰাই অনাৰ কোনো উদ্দেশ্য নাই।" উল্লেখ্য যে, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ তিনিখন জিলাত সম্প্ৰতি বলবৎ হৈ আছে সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন। গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত শান্তি-শৃংখলা সুনিশ্চিত কৰাৰ বাবে চৰকাৰৰ সংকল্প পুনৰবাৰ উল্লেখ কৰি মাষ্টাৰমাইণ্ড আৰু যিকোনো সম্ভাব্য সহযোগীক গ্ৰেপ্তাৰ কৰাৰ বাবে অভিযান অব্যাহত থকা বুলি নিশ্চিত কৰি দিছে।

## বিদেশলৈ ৰপ্তানি মাজুলীৰ

পৰিৱেশত বিশেষকৈ কোনো ধৰণৰ ৰাসায়নিক সাৰ, কীটনাশক বা বননাশক দৰৱ ব্যৱহাৰ নকৰাকৈ কৰা জিলাখনত উৎপাদিত জিলাখনৰ স্বাভিমান স্বৰূপ ২৬৭ মেট্ৰিক টন ৰঙা বাঁও ধান আজি আনুষ্ঠানিকভাৱে সেউজীয়া পতাকা জোকাৰি সুদূৰ মুম্বাইলৈ পৰিবহণ কৰা বাহনৰ শুভাৰম্ভ কৰে বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাস আৰু উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক নৃপেন দাসে। এই উপলক্ষে পকাজৰা তিনিআলিত কৃষি বিভাগৰ উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ অধীনৰ মাজুলী এগ্ৰ' অৰ্গেনিক কৃষক উৎপাদক কোম্পানী লিমিটেডৰ উদ্যোগত আৰু মাজুলী জিলা কৃষি বিভাগৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত মধ্য এছিয়া আৰু ইউৰোপ মহাদেশৰ বিভিন্ন দেশলৈ জৈৱিক ৰঙা বাও ধান ৰপ্তানিৰ শুভাৰম্ভ কৰে। এই সমগ্ৰ ৰপ্তানি প্ৰক্ৰিয়াৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে আগশাৰীৰ ৰপ্তানিকাৰী কোম্পানী IVC Agrovet Private Limitedয়ে। এই উপলক্ষে জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প বিষয়া দিব্যজ্যোতি শইকীয়াই আঁত ধৰা অনুষ্ঠানত প্ৰথমে জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ সহযোগত মাজুলীত চলি থকা বহুকেইটা কৃষি কাৰ্যাৱলীৰ এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। ইয়াৰ পিছতেই আদৰণি ভাষণ আগবঢ়াই জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই। তেওঁ এই পদক্ষেপৰ সফলতাৰ আশা কৰাৰ লগতে কৃষকৰ লাভৰ স্বাৰ্থত এই প্ৰক্ৰিয়া অব্যাহত ৰখাৰ কথা উল্লেখ কৰে। ইয়াৰ পিছতেই IVC Agrovet Private Limited ৰ মহা প্ৰবন্ধক গৌতম ফুকনে ভাষণ প্ৰদান কৰি এই প্ৰক্ৰিয়াৰ সমগ্ৰ পৰিকল্পনা কথা উল্লেখ কৰে। এইক্ষেত্ৰত তেওঁলোকক চৰকাৰ, প্ৰশাসন, বিভাগ তথা কোম্পানীয়ে আগবঢ়োৱা সহযোগিতাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। কৃষক উৎপাদক কোম্পানীটোৰ বৰ্ড অৱ ডাইৰেক্টৰ ৰুদ্ৰ শইকীয়াই ভাষণ প্ৰদান কৰি ২০১৭ চনতে প্ৰতিষ্ঠা লাভ কৰা জৈৱিক কৃষক উৎপাদক কোম্পানীটোৰ বৰ্তমানলৈকে বিভিন্ন কাৰ্যাৱলীৰ লগতে ৰঙা বাওধান ৰপ্তানি প্ৰক্ৰিয়াটোত পূৰ্বে গ্ৰহণ কৰা সকলো বিষয় অৱগত কৰে। ইয়াৰ পিছতেই মাজুলীৰ বিধায়ক ভুৱন গামে মাজুলীৰ কৃষি আৰু আনুষংগিক খণ্ডৰ বিকাশৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। তেওঁ এইক্ষেত্ৰত প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ কথা লগতে উল্লেখ কৰে। জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে ভাষণ আগবঢ়াই এই প্ৰক্ৰিয়াৰ সৈতে জড়িত প্ৰতিগৰাকীলৈ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে মাজুলীৰ কৃষি আৰু আনুষংগিক খণ্ডৰ উত্তৰণৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ কথাও উল্লেখ কৰে। উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক নৃপেন দাসে ভাষণ আগবঢ়াই উক্ত পদক্ষেপক উল্লেখনীয় হিচাপে বিবেচনা কৰে। মাজুলীৰ কৃষকক বাণিজ্যিক পথ দেখুওৱাৰ বাবে তেওঁ ৰপ্তানিকাৰী কোম্পানীটোক ধন্যবাদ জ্ঞাপন কৰে। লগতে মাজুলী এগ্ৰ' অৰ্গেনিক কৃষক উৎপাদক কোম্পানীয়ে এই প্ৰক্ৰিয়াৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ মাজুলীৰ জিলা আয়ুক্তই মাজুলীৰ কৃষক আৰু কৃষি খণ্ডৰ উত্তৰণৰ বাবে লোৱা পদক্ষেপক ধন্যবাদ দিয়ে আৰু মাজুলীৰ কৃষি খণ্ডৰ উত্তৰণৰ বাবে তেওঁ জড়িত হবলৈ পাই আনন্দিত হোৱা বুলি লগতে উল্লেখ কৰে। তদুপৰি, উদ্যান শস্য খণ্ডত স্ব-নিয়োজনৰ বাট মুকলি কৰিবলৈ বহুতো সম্ভাৱনা আছে। সেয়েহে তেওঁ সকলো কৃষকক পৰিকল্পনা অনুসৰি আগবাঢ়িবলৈ আহ্বান জনায়। ভাৰ্চুৱেলী উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰে IVC Agrovet Private Limited ৰ পৰিচালন সঞ্চালক কে এছ সিংঘালে। তেওঁ এই প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপনৰ লগতে অনাগত সময়ত মাজুলীৰ কৃষকৰ কৃষি আয় বিকাশৰ বাবে পূৰ্ণ সহায় আগবঢ়াব বুলি মন্তব্য কৰে। শেষত IVC Agrovet Private Limited ৰ গুণগত উৎপাদন নিয়ন্ত্ৰণ আয়োগ (QPCC) ৰ মুৰব্বী ৰাধিকা পাৰাৰে আগবঢ়োৱা শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে। উল্লেখযোগ্য যে, মাজুলীৰ ১০০০ হে"ৰ ভূমিত ৰঙা বাওধানৰ খেতি কৰা হৈছিল। আৰু এই উৎপাদিত ধান বৰ্তমান বিদেশলৈ ৰপ্তানিৰ বাবে মাজুলীৰ পৰা প্ৰেৰণ কৰা হয়। বিশ্বৰ বজাৰত যে জৈৱিকভাৱে উৎপাদিত ৰঙা বাওধানৰ চাহিদা বৃদ্ধি পাইছে, সেই কথা এই ৰপ্তানি প্ৰক্ৰিয়াই প্ৰমাণিত কৰিছে। মাজুলীত উৎপাদিত ৰঙা বাওধানৰ বিশ্বমুখী যাত্ৰাই মাজুলীৰ কৃষকক উৎসাহিত কৰাৰ লগতে এই পদক্ষেপৰ জৰিয়তে মাজুলীৰ সকলো কৃষক অনাগত দিনত উপকৃত হোৱাটো নিশ্চিত। এই কাৰ্যসূচীত আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, অতিৰিক্ত জিলা আয়ুক্ত সৰুজ সোণোৱাল, MOVCD-NER আঁচনিৰ নডেল বিষয়া মুস্তাকিম হুছেইন আৰু অৰূপ শৰ্মা, বিশিষ্ট সমাজকৰ্মী দীপক গোস্বামী, বীৰেন শইকীয়া, IVC Agrovet Private Limited ৰ মুখ্য বিত্তীয় বিষয়া সুখদেৱ ঘাডগে, অভিযান মহা প্ৰবন্ধক সবোধ পাৱাৰ, জ্যেষ্ঠ দুগ্ধ বিশেষজ্ঞ অমিত কুমাৰ, জিলা কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, মাজুলী এগ্ৰ' অৰ্গেনিক কৃষক উৎপাদক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া বাণিজ্য দাস আৰু বিষয়ববীয়া, মাজুলীৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

## সময়মতে S-400 বায়ু

হয়। ভাৰতে ক্ৰয় কৰা S-400 বায়ু প্ৰতিৰক্ষা প্ৰণালী সময়মতে প্ৰদানৰ বিষয়ে আলোচনা কৰা হয়। ৰাছিয়াই নিশ্চিত কৰে যে বাকী দুটা S-400 ইউনিট সময়মতে প্ৰদান কৰা হ'ব। ভাৰতে ২০১৮ চনত ৫.৪৩ বিলিয়ন ডলাৰ মূল্যৰ পাঁচটা S-400 স্কোৱাড্ৰন কিনিবলৈ ৰাছিয়াৰ সৈতে চুক্তি কৰিছিল। ইয়াৰে তিনিটা স্কোৱাড্ৰন আগতেই প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে পাকিস্তানে নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰ আৰু ড্ৰনবোৰ বাধা দিয়াত ভাৰতীয় সেনাৰ ৰাছিয়ান S-400 প্ৰণালীয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। শ্বাংহাই সহযোগিতা সংস্থা (SCO)ৰ প্ৰতিৰক্ষামন্ত্ৰীৰ সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ৰাজনাথ সিঙ বৰ্তমান ছিংগাওত আছে। এই বহুপাক্ষিক শীৰ্ষ সন্মিলনৰ মাজতে তেওঁ চীন আৰু ৰাছিয়াৰ ৰক্ষামন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক আলোচনা কৰিব।

## সোৱণশিৰিৰ বুকু কাটি

শিল-বালি চোৰৰ উপদ্ৰৱ চলিছে। পথালিপাম বনখণ্ডৰ বনকৰ্মীৰ অদক্ষতা আৰু ৰহস্যজনক স্থিতিৰ বাবেই এনে সমূহ অবৈধ কাৰ্য চলি আহিছে। একাংশ যুৱকে দীৰ্ঘদিন ধৰি সোৱণশিৰি নদীৰ ৰে'লৰে দলঙৰ কাষতে নদীখনৰ গৰাৰ মূল মথাউৰিটোৰ (NDA) ৰ পকা ভাঙি অসাধু লোকে নিশা হ'লেই সোৱণশিৰি নদীৰ পৰা শিল আৰু বালি ট্ৰেক্টৰৰ জৰিয়তে চোৰ কৰি সৰবৰাহ কৰি আহিছিল। এই খননৰ বাবেই কাষৰীয়া অঞ্চলৰ লগতে ৰে'লৰে দলঙৰ প্ৰতি ভাবুকি আহি পৰিছিল। সোৱণশিৰি পৰীয়া যুৱক দেৱৰঞ্জন বৰাৰ নেতৃত্বত যথেষ্ট দাবীৰ পিছত বনৰক্ষীয়ে বাধ্য হৈ মথাউৰি কাটি নিৰ্মাণ কৰা পথটো মাটি পেলাই বন্ধ কৰি দিয়ে। সংগঠনৰ একাংশ যুৱক এই অবৈধ কাৰ্যত জড়িত হৈ আছিল বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে এই কাৰ্য বন্ধ কৰিবলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বগীনদী চাউলধোৱা আঞ্চলিক সমিতিয়ে পথালিপাম বনখণ্ডৰ বিষয়াক অলপতে অভিযোগ পত্ৰ দাখিল কৰিছিল।

## গণতন্ত্ৰত অঘোষিত জৰুৰী

যে বিজেপি-নেতৃত্বাধীন চৰকাৰে গণতান্ত্ৰিক প্ৰক্ৰিয়া হেৰফেৰ কৰিবলৈ এই তালিকা হেৰফেৰ কৰিছে। গুৱাহাটীত সংবাদ মাধ্যমক সম্বোধন কৰি গগৈয়ে কয়, "নিৰ্বাচক তালিকা গণতন্ত্ৰৰ মুখ্য অস্ত্ৰ। কিন্তু আজি আমি এক অঘোষিত জৰুৰী অৱস্থা দেখিছোঁ, য'ত নিৰ্বাচন আয়োগেই নাইবা নিৰ্বাচক তালিকাও নিৰপেক্ষ হৈ নাথাকিছে।" তেওঁৰ দাবী যে লোকসভা নিৰ্বাচনত ভোটদান কৰা বহুতে বিধানসভা উপ-নিৰ্বাচন বা পঞ্চায়ত নিৰ্বাচনৰ সময়ত একেটা বুথতে নিজৰ নাম পোৱা নাই। "এইটো চৰকাৰৰ দ্বাৰা স্পষ্টভাৱে তালিকা হেৰফেৰ কৰা," তেওঁ কয়। ৰাজ্যিক দলৰ সভাপতি হিচাপে এক মাহ পূৰ্ণ কৰা গগৈয়ে কয় যে কংগ্ৰেছে আগতীয়াকৈ বিজেপিক ক্ষমতাচ্যুত কৰিবলৈ সময়ৰ বিপৰীতে যুঁজিছে। "সময় আমাৰ শত্ৰু। আমাৰ হাতত সময় খুব কম, আৰু আমি দ্ৰুতভাৱে কাম কৰি আছে, কিন্তু একেলগে সাৱধানো হ'ব লাগিব", তেওঁ কয়। কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি, বিধায়ক দলৰ নেতা আৰু নিৰ্বাচনী প্ৰচাৰ সমিতিৰ মুৰব্বীসকলৰ সৈতে একেলগে গগৈয়ে দাবী কৰে যে চৰকাৰী বিজেপিয়ে ইতিমধ্যে চাপ অনুভৱ কৰিছে। "দুৰ্নীতি উন্মোচন কৰাৰ বাবে সংবাদ মাধ্যমক চৰকাৰে যিদৰে আক্ৰমণ কৰিছে, সেইটোৱে প্ৰমাণ কৰে যে আমাৰ কাম জনসাধাৰণৰ মাজত প্ৰভাৱ পেলাইছে", তেওঁ কয়। তেওঁ উল্লেখ কৰে যে কংগ্ৰেছে এতিয়া সভাপতিকেন্দ্ৰিক নহয়, আৰু সংগঠন শক্তিশালী কৰিবলৈ ৰাজ্যজুৰি ৮৮ গৰাকী পৰ্যবেক্ষক নিযুক্তি দিছে। দলৰ প্ৰচাৰৰ মূল বিষয়বস্তু হিচাপে গগৈয়ে বান, দুৰ্নীতি, 'চিণ্ডিকেট ৰাজ' আৰু এসচি, এছটি আৰু ওবিচি সম্প্ৰদায়ৰ বাবে ন্যায়সংগত সম্পদ বিতৰণৰ বাবে জাতি নিৰ্ণয় সমীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰিছে। তেওঁ দৃঢ়ভাৱে কয় যে কংগ্ৰেছে ১২৬টা বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি ভোটৰ অংশবৃদ্ধি আৰু নিৰ্ণায়ক বিজয় সাব্যস্ত কৰিব।

## হিমাচলৰ ডাৱৰ বিস্ফোৰণত

বিন্দৰ সিং সুখুৱে। বিগত ২৪ ঘণ্টাত হোৱা ধাৰাসাৰ বৰষুণ আৰু বানে সমগ্ৰ কুল্লু আৰু কাংগ্ৰা জিলাত বিধ্বংসী ৰূপ ধাৰণ কৰি ঘৰ-দুৱাৰ, বাট-পথ আৰু বিদ্যুৎ ব্যৱস্থাৰ ক্ষতিসাধন কৰে। মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুৱে পাঁচজন লোকৰ মৃত্যু আৰু আন ৫জন নিৰুদ্দেশ হোৱা বুলি সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এনেদৰে কয়-এতিয়ালৈকে বৰষুণ আৰু বানৰ ফলত মৃত্যু হোৱা পাঁচজন লোকৰ তথ্য আমাৰ হাতত পৰিছে। কুল্লু জিলাত তিনিজন লোক নিৰুদ্দেশ হোৱাৰ খবৰ পোৱা গৈছে। উদ্ধাৰ অভিযান অব্যাহত আছে। তেওঁ লগতে কয় যে কাংৰাৰ ধৰমশালা অঞ্চলত আৰু হিমালয় বেল্টৰ কিছু অংশত ডাৱৰ বিস্ফোৰণৰ বাবে যথেষ্ট ক্ষতিসাধন হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, হিমালয়ৰ পাহাৰীয়া অঞ্চলসমূহত অধিক পৰিমাণে ক্ষতি হৈছে। ডাৱৰ বিস্ফোৰণৰ ফলত তিনিজন লোকৰ মৃত্যু হোৱা বুলি নিশ্চিত কৰা হৈছে আৰু ৫জন লোক নিৰুদ্দেশ হৈছে। ইয়াৰ পূৰ্বে এজন লোক নিৰুদ্দেশ হোৱাৰ খবৰ পোৱা গৈছিল যদিও পিছত তেওঁক নিৰাপদে উদ্ধাৰ কৰা হয়। ৰাস্তাৰ কাষৰ হাবিত সোমাই গৈছিল লোকজন। মুখ্যমন্ত্ৰী সুখুৱে কয় যে ধাৰাসাৰ বৃষ্টিপাতৰ ফলত ১৫টা বাসগৃহৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে যাতায়াত ব্যৱস্থাত বিশেষকৈ গ্ৰামাঞ্চলত যথেষ্ট ব্যাঘাত জন্মিছে। কাংগ্ৰাৰ বিদ্যুৎ ব্যৱস্থা যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে আৰু নিৰুদ্দেশ হোৱা লোকসকলৰ মাজৰ এজন এটা বিদ্যুৎ প্ৰকল্পৰ কৰ্মচাৰী বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। "কাংৰাৰ এটা বিদ্যুৎ প্ৰকল্পৰ যথেষ্ট ক্ষতি হৈছে। নিৰুদ্দেশ হোৱা লোকসকলে এই শক্তি প্ৰকল্পত কাম কৰি আছিল" মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে এই পৰিস্থিতিক কেন্দ্ৰ কৰি ৰাজ্য চৰকাৰ সতৰ্ক হৈ পৰিছে। তদুপৰি নদীৰ কাষৰ পৰা পৰ্যটকসকলক আঁতৰি থকাৰ পৰামৰ্শ দিছে। পৰ্যটকক আশ্বস্ত কৰি সুখুৱে কয় যে পৰ্যটন স্থানসমূহ ভ্ৰমণৰ ক্ষেত্ৰত কোনো বিপদ নাই যদিও ৰাইজ সতৰ্ক হৈ থকাটো ভাল। তেওঁ লগতে কয়, "আমি ডাৱৰৰ বিস্ফোৰণৰ প্ৰতি লক্ষ্য ৰাখি সজাগ হৈ থাকিবলৈ নিৰ্দেশনা জাৰি কৰিছো। পৰ্যটকসকলক বাৰিষাটো উপভোগ কৰিবলৈ আদৰণি জনোৱা হৈছে। কোনো ভয়ৰ কথা নাই। কিন্তু সকলোৱে নদীৰ ওচৰলৈ যোৱাৰ পৰা বিৰত থাকিব লাগিব। মুখ্যমন্ত্ৰী সুখুৱে লগতে কয় যে বুধবাৰে সন্ধিয়া প্ৰতিখন জিলাৰে আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকৰ আহ্বান জনাই শেহতীয়া পৰিস্থিতি সম্পৰ্কে আলোচনা কৰে। "আমি হাই এলাৰ্ট জাৰি কৰিছো। যি ধৰণৰ সতৰ্কবাণী জাৰি কৰা হ'ব, তাৰ বাবে আমি যাতে সম্পূৰ্ণ সাজু হৈ থাকোঁ। আমি বিষয়টো অতি গুৰুত্ব সহকাৰে লৈছো" বুলি মুখ্যমন্ত্ৰী সুখুৱে কয়। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে ইতিমধ্যে পৰৱৰ্তী কেইটামান দিনৰ বাবে অঞ্চলটোত বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰিছে। হিমাচলৰ ৰাজ্য চৰকাৰে হ'ব পৰা যিকোনো পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ সাজু হৈছে।

## স্বাধীনতাৰ ৭৭ বছৰ পিছতো

দুৰৱস্থা। স্বাধীনতাৰ সাতটাকৈ দশক অতিক্ৰম কৰাৰ পিছতো বাদলাপাৰা-টেংকীবস্তি -ডিমাকুছি সংযোগী পথৰ শুক্লাই নদীত নহল পকী দলং। ফলত যুগ যুগ ধৰি বৃহত্তৰ অঞ্চলটোৰ ৰাইজে যমৰ যাতনা ভুগি আহিছে। ভূটান পাহাৰৰ পৰা বৈ অহা শুক্লাই নদীৰ বাবে বাৰিষা বহিঃ বিশ্বৰ সৈতে জনতাৰ সংযোগ বিচ্ছিন্ন হৈ পৰে। প্ৰতি বছৰে বাৰিষাৰ সময়ত মূৰে-কপালে হাত দিব লাগে পথচাৰী কিম্বা সাধাৰণ জনতাই। খৰস্ৰোতা শুক্লাই নদীৰ বুকুত ঘণ্টা-ঘণ্টা ধৰি আৱদ্ধ হৈ পৰে ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, শ্ৰমিক। আনকি বহু সময়ত নদীৰ বুকুত ছাত্ৰ-ছাত্ৰী, ক্ষুদ্ৰ ব্যৱসায়ী লোক পানীৰ বুকুত উটি যোৱাও উদাহৰণ আছে। পৰীক্ষা দিব নোৱাৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে, সময়মতে উপস্থিত হ'ব নোৱাৰে বিদ্যালয়ত। নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত জনপ্ৰতিনিধিৰ পৰিৱৰ্তনৰ নামত ফুলঝাৰি মাৰা ভাষণ, পিছে নিৰ্বাচন শেষ হ'লে পাহৰি যায় সকলো প্ৰতিশ্ৰুতি। বিটিআৰ প্ৰধানৰ সপোনৰ ছুইজাৰলেণ্ডত এতিয়া উন্নয়নৰ পয়ালগা ছবিয়ে হতভম্ব কৰি তুলিছে সৰ্বসাধাৰণ ৰাইজক। ইতিমধ্যে ছাত্ৰ -ছাত্ৰীসকলে মামা আমাক দলং লাগে শীৰ্ষক বেনাৰ পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ বিপৰীতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ আবেদন নিবেদন কৰিছে দলং নিৰ্মাণ কৰি দিবলৈ। বিটিআৰৰ বিভিন্ন প্ৰান্তত জৰাজীৰ্ণ পথ, দলং আদিয়ে জ্বলা-কলা খুৱাইছে পথচাৰীক। ওদালগুৰিত উন্নয়নৰ নামত ফোঁপোলা স্বৰূপ। ইউপিপিএল নেতৃত্বাধীন চৰকাৰে মাথোঁ লুণ্ঠন আৰু দুৰ্নীতিৰে উদঙাইছে উন্নয়নৰ ফোঁপোলা স্বৰূপ। ভাৰত-ভূটান সীমান্তত এখন দলঙৰ অভাৱত কিদৰে যাতায়াত কৰিব লাগে দেখিলে চকু কপালত উঠিব আপোনাৰো। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে কৈ আহিছে ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হৈছে অসম। গুৱাহাটী মহানগৰীত জধে-মধে উৰণীয়া সেতু নিৰ্মাণ কৰি আহিছে চৰকাৰে, কিন্তু ভাৰত -ভূটান সীমান্তত এখন দলঙৰ অভাৱত কেইবাখনো গাঁৱৰ যাতায়াত ব্যাহত হৈ পৰে বাৰিষা কালত। যাতায়াত ব্যৱস্থাৰ বাবে পথচাৰী, ছাত্ৰ -ছাত্ৰী, বাইক, চাইকেল, চাৰিচকীয়া বাহনৰ চালকৰ পানীত হাঁহ নচৰা অৱস্থা হৈ পৰে। গৰ্ভৱতী মহিলা, ৰোগীৰ বাবে ভীষণ অসুবিধাৰ সন্মুখীন হয় অভিভাৱক। সকলোৱে হাগ্ৰামাৰ ১৭ বছৰীয়া শাসনক ওফৰাই ইউপিপিএল আৰু বিজেপিৰ মিত্ৰজোট চৰকাৰে পূৰ্ণ পৰিৱৰ্তন আনিব বুলি গভীৰ প্ৰত্যাশা কৰিছিল, কিন্তু সেয়া বাস্তৱত হৈ নুঠিল। সময়ৰ লগে লগে ভিতৰুৱা অঞ্চলসমূহৰ যাতায়াত, যোগাযোগ ব্যৱস্থা পূৰ্বতকৈও অধিক অৱনতিহে ঘটিল। ডিমাকুছি-বাদলাপাৰা, টেংকীবস্তী সংযোগী পথৰ শুক্লাই নদীৰ ওপৰত দীৰ্ঘদিনে এখন দলঙৰ অভাৱত ৰাইজৰ বিস্তৰ ক্ষতি হৈছে। সেয়ে আগন্তুক বিটিচি নিৰ্বাচনৰ পূৰ্বে শুক্লাই নদীত দলং নিৰ্মাণ নকৰিলে, জনপ্ৰতিনিধিক উচিত শিক্ষা দিবলৈ সাজু হোৱাৰ লগতে দুৰ্ভগীয়া জনতাই ভোট বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অনাগত দিনবোৰত শাসকীয় চৰকাৰে কি সুব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হৈ পৰিব।

## কংগ্ৰেছত থাকোঁতে দলৰ

অশোক শৰ্মাই সংবাদমেলৰ জৰিয়তে আৰম্ভ কৰা জয়ন্ত মল্লবৰুৱাৰ পত্নী জুলী ডেকা বৰুৱাৰ দুগ্ধপামৰ নামত ৰাজসাহায্য লাভ বিতৰ্কৰ জুইকুৰাই বাৰুকৈয়ে দহিছে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাক। ইফালে শুকুৰবাৰে সংবাদমেল সম্বোধন কৰি বিজেপিত যোগদান কৰাৰ পাছৰ পৰাহে দুৰ্নীতিমুক্ত হোৱাৰ স্বীকাৰোক্তি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। এফালে যদি জয়ন্ত মল্লবৰুৱাই নিজকে কোনো ধৰণৰ দুৰ্নীতিৰে জড়িত নহয় বুলি স্পষ্ট কৰি দিব বিচাৰিছে, আনফালে আকৌ কংগ্ৰেছত থকাৰ দিনত কিছু পৰিমাণে দুৰ্নীতিৰে জড়িত থকাটো এক প্ৰকাৰে স্বীকাৰ কৰিছে। একে সময়তে কংগ্ৰেছৰ বিৰুদ্ধেও বিস্ফোৰক অভিযোগ আনিছে কেবিনেট মন্ত্ৰীগৰাকীয়ে। তেওঁ দাবী কৰিছে যে, ২০১৫ চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰাৰ পিছৰে পৰা তেওঁ কোনো ধৰণৰ দুৰ্নীতিৰে জড়িত নহয়। এই ক্ষেত্ৰত কোনেও এটা খুঁত দেখুৱাব নোৱাৰে। বৰ্তমানৰ বিজেপি চৰকাৰ দিনত দুৰ্নীতিমুক্তভাৱে ৰাইজৰ স্বাৰ্থত কাম কৰি যোৱা বুলি দাবী কৰিছে জয়ন্ত মল্লবৰুৱাই। তেওঁ কয়, "দায়বদ্ধতাৰে মই ক'ব পাৰো যে, মই বিজেপিত যোগদান কৰাৰ দিনৰে পৰা মোৰ ক্ষেত্ৰত কোনেও কোনো ভুল দেখুৱাব বা কোনো অনৈতিক কামৰ তথ্য প্ৰমাণ কৰিব নোৱাৰে।" পূৰ্বৰ ৰাজনৈতিক জীৱনৰ কথা উল্লেখ কৰি তেওঁ স্বীকাৰ কৰে যে, কংগ্ৰেছ দলত থকা সময়ছোৱাত বিশেষকৈ যুৱ কংগ্ৰেছৰ দিনত কৰা কিছুমান কামে তেওঁক খেদি ফুৰিছে। তেওঁ কয়, "ইয়াৰ দায়িত্ব কংগ্ৰেছ দলে ল'ব লাগিব।" লগতে সেই কাৰ্যসমূহ দলৰ নিৰ্দেশনা অনুসৰি কৰা বুলি দাবী কৰি তেওঁ কয়, "বিজেপিত যোগদান কৰাৰ ১০ বছৰ হ'ল আৰু মই গৌৰৱেৰে ক'ব পাৰো যে মই কোনো অবৈধ বা অনৈতিক কাম কৰা নাই। কংগ্ৰেছৰ দিনত এইধৰণৰ কামত জড়িত কৰোৱা হৈছিল। দলৰ নিৰ্দেশ মানিহে সেই ধৰণৰ কাম কৰিছিলোঁ। তাৰ দায়িত্ব কংগ্ৰেছে ল'ব লাগিব। বিজেপিত যোগদান কৰাৰ পাছত কোনো ধৰণৰ অনৈতিক কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰোঁ।" এইদৰে কয় জয়ন্ত মল্লবৰুৱাই।

## ৰবৰৰ খেতি কৰি অসমীয়া

গড়বস্তি গাঁৱৰ ৰামবল গড় নামৰ লোকজনৰ ভোগদখলত থকা ক্ষুদ্ৰ চাহ বাগিচাখনত শনিবাৰৰ পৰা ৰবৰ পুলি ৰোপণ আৰম্ভ কৰিছে একাংশ নগা লোকে। নগা পাহাৰৰ কাষতে অৱস্থিত চাহ বাগিচাখন বেদখল কৰাৰ লক্ষ্যৰে নগাই গৰাকী ৰামবল গড়ৰ অলক্ষিতে এনেদৰে ৰবৰ গছৰ পুলি ৰোপণ কৰা কাৰ্য আৰম্ভ কৰিছে। ১৯৭১ চনতে ৰামবল গড়ৰ ককাক মহাবীৰ গড়ক অসম চৰকাৰে উক্ত ভূমিখণ্ড আবণ্টন দিছিল। ঠিক তেতিয়াৰে পৰা মহাবীৰ গড়ৰ পৰিয়ালে ভূমিখণ্ড নিজা ভোগদখলত ৰাখি খেতি-বাতি কৰি আহিছে। কিন্তু কাষৰীয়া নগাপাহাৰৰ একাংশ নগালোকে উক্ত ভূমিখণ্ড কৌশলেৰে হস্তগত কৰাৰ বাবে বাৰে চেষ্টা চলাই আহিছে। নগাৰ এনে কাৰুকাৰ্যত এতিয়া শংকিত হৈ পৰিছে গড়বস্তি গাঁৱৰ কৃষকসকল। সম্প্ৰতি গাঁওবাসীয়ে অঞ্চলটোত নগাৰ অতিক্ৰমণ ৰোধ কৰাৰ বাবে পাল পাতি পহৰাৰ ব্যৱস্থা কৰিছে। গাঁওবাসীয়ে অঞ্চলবাসীৰ নিৰাপত্তাৰ স্বাৰ্থত সীমান্তত নিয়োজিত চি আৰ পি এফৰ নিয়মীয়া পহৰাৰ দাবী জনাইছে। তাৰ মাজতে আজি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰিবলৈ অহা ১৪২ নং চি আৰ পি এফৰ এটা দলৰ সন্মুখতেই হাতত বন্দুক, দা আদি লৈ চি আৰ পি এফৰ দলটোৰ লগত বাক্ বিতণ্ডা কৰাৰ লগতে নিৰীহ অসমীয়া কৃষকক উচ্ছেদ কৰাৰ ভাবুকি প্ৰদান কৰে। নগাৰ অতপালিৰ পাছতো বৰ্তমানেও নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰা গোলাঘাট প্ৰশাসনৰ কাৰ্যই আচৰিত কৰি তুলিছে স্থানীয় সীমান্তবাসী অসমৰ ৰাইজক।

## ৰঙা চন্দনৰ গছক কেন্দ্ৰ

সৃষ্টি হৈছে সংঘাত। পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তস্থিত তাপাত অঞ্চলত কাৰ্বি আংলং স্বায়ত্ত্ব পৰিষদৰ অধীনস্থ বন বিভাগৰ ফালৰ পৰা এক বৃহৎ এলেকাত কিছুদিন পূৰ্বে ৰঙা চন্দন গছৰ পুলি ৰোপণ কৰা হৈছিল। ইয়াৰ পাছতেই সীমান্তৰ খাছী আৰু কাৰ্বি লোকৰ মাজত সংঘাতৰ জুইকুৰা জ্বলিবলৈ আৰম্ভ কৰে। উক্ত বিশাল এলেকাত ৰঙা চন্দনৰ পুলি ৰোপণৰ পিছৰে পৰাই মেঘালয়ৰ এচাম দুষ্কৃতিকাৰীয়ে সীমান্তৰ কিছুসংখ্যক স্থানীয় খাছী সম্প্ৰদায়ৰ লোকক লগত লৈ সেই অঞ্চল মেঘালয়ৰ বুলি দাবী কৰিবলৈ লয়। আনহাতে একাংশ খাছী লোকে বিগত কিছুদিন পূৰ্বে অৰ্থাৎ ৰঙা চন্দনৰ পুলি ৰোপণ কৰি থকাৰ মাজতো গছপুলি ৰোপণত বাধা প্ৰদান কৰি আহিছিল। ইপিনে, এই সংঘাতৰ বিষয়ক লৈ বুধবাৰে তাপাত প্ৰাথমিক বিদ্যালয়ত দুয়োখন ৰাজ্যৰ সীমান্তবাসীৰ মাজত এক শান্তিপূৰ্ণ আলোচনা হোৱাৰ কথা আছিল যদিও আলোচনা অনুষ্ঠিত হোৱাৰ পূৰ্বেই মেঘালয়ৰ এচাম খাছী লোকৰ প্ৰৰোচনাত একাংশ লোকে ৰঙা চন্দনৰ পুলিবোৰ এফালৰ পৰা উভালি তহিলং কৰিবলৈ আৰম্ভ কৰে। ফলত স্বাভাৱিকতে এই ঘটনাক লৈ কাৰ্বি আৰু খাছী লোকৰ মাজত তৰ্ক-বিতৰ্ক হৈ এটা সময়ত হতাহতিৰ সৃষ্টি হয় আৰু পৰিস্থিতি বেয়ালৈ গতি কৰে। এই সংঘাতৰ মাজতে অসমৰ কাৰ্বিভূমিৰ আশ্ৰয় শিবিৰতো খাছী লোকে অগ্নিসংযোগ কৰে। ইপিনে, দুয়োপক্ষৰ মাজত সংঘাত ক্ৰমান্বয়ে বৃদ্ধি হোৱাত ঘটনাস্থলীত অসম আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও পৰিস্থিতি অধিক বেয়া হৈ পৰাত প্ৰথমে কন্দুৱা গেছ নিক্ষেপ কৰে। ইয়াৰ পিছতো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱৰাত আৰক্ষীয়ে ১০ ৰাউণ্ড ৰবৰৰ গুলী নিক্ষেপ কৰিবলৈ বাধ্য হয়। ইতিমধ্যে ঘটনাস্থলীত জিলা আয়ুক্ত সাৰঙ্গপানী শৰ্মা আৰু আৰক্ষী অধীক্ষক ইন্দ্ৰনীল বৰুৱা উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিছে যদিও যিকোনো মুহূৰ্ততে পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হৈ পৰাৰ আশংকা প্ৰকট হৈ পৰিছে। আনহাতে বুধবাৰে সন্ধিয়া ডিফু কাছা ষ্টেডিয়ামত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙে সাংবাদিকৰ আগত কয়- "তাপাতত কাৰ্বি আংলঙৰ ভূমিত ৰঙা চন্দন ৰোপণ কৰা হৈছে। কিন্তু মেঘালয়ৰ খাছী লোকসকলে কাৰ্বি আংলং সীমান্তৰ ডেৰ কিলোমিটাৰ ভিতৰত প্ৰৱেশ কৰি ৰঙা চন্দনৰ পুলিবোৰ নষ্ট কৰিছে। ই কাৰ্বি আংলঙৰ ভূমি বুলি দাবী কৰিছে তেওঁলোকে। এই সন্দৰ্ভত মেঘালয় চৰকাৰৰ সৈতে আলোচনা কৰি সমস্যাৰ সমাধান কৰা হ'ব।"

## ব্ৰহ্মপুত্ৰৰ বুকুত ফেৰীক

জনীয়া এটা হাতীৰ পালে বিচৰণ কৰি থকাৰ পৰিপ্ৰেক্ষিতত যোৰহাট-মাজুলী জলপথত চলাচল কৰা ফেৰী সমূহলৈ বিপদ নামি আহিছে। একপ্ৰকাৰে ভোকাতুৰ হাতীৰ পালটোৱে শেহতীয়াকৈ নিমাতী-কমলাবাৰী ঘাটৰ আৰ এলপি ডিগাৰু জাহাজ খনলৈ চোচা লোৱাৰ পৰিপ্ৰেক্ষিতত কথমপি হাতীৰ পালটোৰ মুখামুখি হোৱাৰ পৰা জাহাজখনক নিৰাপদে আঁতৰাই আনিবলৈ সক্ষম হৈছিল। আজিও নিমাতী-কমলাবাৰী ঘাট অভিমুখী এছ বি শুভলক্ষ্মী নামৰ ফেৰীখনক হাতীৰ পালটোৱে আগভেদি ধৰে। ফলত উপায়ন্তৰ হৈ ৩০খন বাইক আৰু ১০০ ৰো অধিক যাত্ৰী কঢ়িয়াই অনা ফেৰীখনে জলপথটো হাতীৰ পালটোৱে অৱৰোধ কৰাত পাৰত ৰখাই দিবলৈ বাধ্য হয়। ইয়াৰ পিছতেই কমলাবাৰী ঘাটৰ পৰা যোৱা এছডিআৰএফৰ এটা দলে অন্য দিশেৰে চেনেল দেখুৱাই ফেৰীখন কমলাবাৰী ঘাটলৈ লৈ আনিবলৈ সক্ষম হয়। ইফালে এনেদৰে হাতীৰ পালটোৰ বাবে দৈনিক বিপদসংকুল ভাৱে ফেৰী সমূহ চলাচল কৰিবলগীয়া হোৱাৰ পিছতো বন বিভাগে ব্ৰহ্মপুত্ৰৰ জলপথটোৰ পৰা হাতীৰ পালটো অন্য ফাললৈ খেদি পঠাবলৈ সক্ষম হোৱা নাই। ইফালে উক্ত বন্যহস্তীৰ পালটোৱে নিশা হ'লেই এতিয়া নদীকাষৰীয়া গাঁও সমূহত খাদ্যৰ সন্ধানত প্ৰৱেশ কৰি অহাত প্ৰতিটো নিশা উজাগৰে কটাবলগীয়া হৈছে গাঁও সমূহৰ ৰাইজে। বন বিভাগে হাতীৰ পালটোক অন্য ফালে খেদি পঠাবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ এতিয়া ৰাইজে দাবী উত্থাপন কৰিছে।

# গোৱালপাৰা জিলা প্ৰশাসনৰ 'সংবিধান হত্যা দিৱস' পালন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২৫ জুন ঃ** আজি সংবিধান হত্যা দিৱস। ১৯৭৫ চনৰ ২৫ জুনত ঘোষণা কৰা জৰুৰীকালীন অৱস্থাত ক্ষতিগ্ৰস্ত হোৱা প্ৰতিগৰাকী নাগৰিকক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে, তদানীন্তন কেন্দ্ৰীয় চৰকাৰখনৰ ইচ্ছা অনুসৰি আভ্যন্তৰীণ অশান্তিৰ ভাবুকিৰ উদ্ধৃতি দি ৩৫২ নং অনুচ্ছেদৰ অধীনত জৰুৰীকালীন ঘোষণা জাৰি কৰিছিল। এই পদক্ষেপৰ ফলত জনসাধাৰণৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছিল। ক্ষমতাৰ অপব্যৱহাৰ কৰি বহুতো ৰাজনৈতিক নেতা, সমাজ কৰ্মী আদিক গ্ৰেপ্তাৰ কৰি কাৰাৰুদ্ধ কৰা হৈছিল। সংবাদ মাধ্যমৰ স্বাধীনতা হৰণ কৰি প্ৰকৃত তথ্য প্ৰচাৰত বাধা আৰোপ কৰা হৈছিল। গোটেই ভাৰতবৰ্ষত জনসাধাৰণক সভা-সমিতি অনুষ্ঠিত কৰা বন্ধ কৰাৰ লগতে ভাষণ, বক্তৃতা আদি প্ৰদানত নিষেধাজ্ঞা জাৰি কৰা হৈছিল। আনকি সংবিধান সংশোধন কৰি বলপূৰ্বক ক্ষমতাৰ অপপ্ৰয়োগেৰে দেশৰ জনসাধাৰণৰ মাজত ত্ৰাসৰ সৃষ্টি কৰা হৈছিল। সেই জৰুৰীকালীন সময়ত দেশৰ বহু নেতৃস্থানীয় লোকে কাৰাগাৰত বন্দী হ'বলগীয়া হৈছিল আৰু দেশৰ নাগৰিকে নানা ধৰণৰ নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই ঘটনাক ভাৰতৰ সংবিধানৰ ওপৰত এক বৃহৎ আক্ৰমণ হিচাপে গণ্য কৰি ২০২৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে আনুষ্ঠানিকভাৱে ২৫ জুনৰ দিনটো "সংবিধান হত্যা দিৱস" হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি গোৱালপাৰা জিলা প্ৰশাসনেও আজি ২৫ জুন ২০২৫ তাৰিখটো 'সংবিধান হত্যা দিৱস' হিচাপে পালন কৰে। জিলা প্ৰশাসনে গণতান্ত্ৰিক প্ৰমূল্যবোধক সন্মান জনাই সেই জৰুৰীকালীন অৱস্থাত ক্ষতিগ্ৰস্ত নাগৰিকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু ৰাইজৰ মাজত ইয়াৰ সজাগতামোলক প্ৰচাৰৰ বাবে এখন বাহনৰ ব্যৱস্থা কৰা হয়। গোৱালপাৰাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত শ্ৰী খনীন্দ্ৰ চৌধুৰী মহোদয়ে ফ্লেগ অফ কৰি যাত্ৰা শুভাৰম্ভ কৰা বাহনখনে জিলাখনৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰি ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰে।

# ১৫৫নং চি আৰ পি এফৰ উদ্যোগত বোকাজানত ড্ৰাগছ বিৰোধী সজাগতা ৰেলী বাহিৰ

**অসম বাৰ্তা, বোকাজান, ২৫ জুন ঃ** ড্ৰাগছ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি নিষিদ্ধ ড্ৰাগছ বিৰুদ্ধে আজি বোকাজানত বাহিৰ কৰে এক বৃহৎ ৰেলী। আজি বোকাজানৰ ১৫৫নং চি আৰ পি এফ বাহিনীৰ উদ্যোগত নিচামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে ডিস্ক'ভাৰী ইংলিছ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে টাই আহোম ছাত্ৰ সন্থাৰ কাৰ্বি আংলং জিলা সমিতি, দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ কাৰ্বি আংলং জিলা সমিতিৰ বিষয় ববীয়া সকলৰ সহযোগত ১৫৫নং চি আৰ পি এফ কেম্পৰ পৰা নাওঘাটলৈকে হাতে হাতে বেনাৰ, প্লে'কাৰ্ড লৈ এক বৃহৎ সমদল বাহিৰ কৰা পৰিলক্ষিত হয়। আজি বাহিৰ কৰা এই ড্ৰাগছ বিৰোধী সমদলটোত নেতৃত্ব প্ৰদান কৰে ১৫৫নং চি আৰ পি এফ বাহিনীৰ সহকাৰী কামাণ্ডেণ্ট টি. কে. লালে। উল্লেখ্য যে মাৰাত্মক ড্ৰাগছৰ লগতে নিচাজাতীয় অথবা নিষিদ্ধ সামগ্ৰী সমাজৰ পৰা সম্পূৰ্ণৰূপে বন্ধ কৰিবৰ বাবে আৰু এই ক্ষেত্ৰত ৰাইজক সজাগ কৰাৰ অৰ্থে বাহিৰ কৰা হয় এই সমদল। কেৱল ড্ৰাগছেই নহয়, মাদক দ্ৰব্য, ধঁপাত আৰু গুটখা জাতীয় সমগ্ৰীও সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিবলৈ সংগঠন দুটাৰ নেতৃবৰ্গই চৰকাৰক আহ্বান জনায়।

# বটদ্ৰৱাৰ সোণাৰি গাঁৱত প্ৰচণ্ড মাৰপিটত আহত দুই

**অসম বাৰ্তা, বটদ্ৰৱা, ২৫ জুন ঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ ধিং থানাৰ অন্তৰ্গত সোণাৰি গাঁৱত এডুখৰ ভূমিক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত প্ৰচণ্ড মাৰ-পিটৰ ফলত দুজন লোক গুৰুত্বৰ ভাবে আহত হয়। এজাহাৰ অনুসৰি, সোণাৰি গাঁৱৰ ইয়াছিন আলীৰ পুত্ৰ তথা প্ৰাক্তন সৈনিক আকবৰ আলীৰ কিনা মাটিত একে গাঁৱৰে নুৰুল ইছলাম আৰু তেওঁৰ পৰিয়ালৰ সদস্য সকলে অলপতে ১০ মান বজাত বলপূৰ্বক ভাবে মাটি দখল কৰি মাটি পেলাই বাস কৰি থকা গম পাই আকবৰ আলীয়ে ছালেহ আলমক লগত লৈ চাবলৈ যোৱাত নুৰুল ইছলামৰ পৰিয়ালৰ লোকে দলবদ্ধ বাবে হাতত চোকা অশ্ৰ আৰু লোহাৰ ৰড আদি লৈ আহি আকবৰ আলীক মাৰ-পিট কৰি শৰীৰৰ বিভিন্ন ঠাইত আঘাত কৰাৰ লগতে লোহাৰ ৰডেৰে প্ৰাণে হত্যা কৰাৰ বাবে মূৰত মাৰি গুৰুত্বৰভাবে আহত কৰে। ইয়াৰ উপৰিও আকবৰ আলীৰ সম্পৰ্কীয় দাদা মোক্তাৰ হুছেইনেকো মাৰ-পিট কৰি আগ দাঁত দুটা ভাঙি গুৰুত্বৰ বাবে আহত কৰে আৰু ভবিষ্যতে প্ৰাণে মৰাৰ ভাবুকিও প্ৰধান কৰে। আকবৰ আলীয়ে ধিং আৰক্ষী নিৰেশত ৫ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে যদিও ধিং আৰক্ষীয়ে নুৰুল ইছলাম, মোজাম্মিল আৰু নাজিৰুল ইছলামক আটক কৰি জেল হাজতলৈ প্ৰেৰণ কৰে যদিও হাফিজ জিয়াউৰ ৰহমান আৰু হোচনাৰা বেগমক এতিয়ালৈকে আটক কৰিব পৰা নাই। ইপিনে, নুৰুল ইছলামেও আকবৰ আলীকে আদি কৰি তিনিজনৰ বিৰুদ্ধে ধিং আৰক্ষী নিৰেশত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে।

# ভাৰতীয় জনতা পাৰ্টি বকো মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, বকো, ২৫ জুন ঃ** বকোত দক্ষিণ কামৰূপ জিলা ভাৰতীয় জনতা পাৰ্টি বকো মণ্ডলৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আয়োজন কৰে। বকোৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহ প্ৰাঙ্গণত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় দক্ষিণ কামৰূপ জিলাৰ বকো মণ্ডলৰ এই কাৰ্যনিৰ্বাহক সভা। পুৱা দলীয় পতাকা উত্তোলনৰ পিছতে ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাপক শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে বকো মণ্ডল ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি হিৰণ্য কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত বকো ছয়গাঁও সমষ্টিত পঞ্চায়ত আৰু ৰাভা হাছং নিৰ্বাচনত ৰাইজৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰিছোঁ বাবেই ২০২৬ৰ বিধানসভাৰ নিৰ্বাচনতো বকো ছয়গাঁও সমষ্টি বাসী ৰাইজে বিজেপি প্ৰাৰ্থীক জয়ী কৰাব বুলি দাবী দলটোৰ কাৰ্যকৰ্তাৰ। ইফালে, জিলা সমিতিৰ বিষয়ববীয়া, নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি আৰু বিভিন্ন মৰ্চাৰ কৰ্মকৰ্তাৰ উপস্থিতিত অনুষ্ঠিত সভাত দক্ষিণ কামৰূপ জিলা ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি অঞ্জন গোস্বামীৰ লগতে উপস্থিত থাকে বহু দলীয় কৰ্মী।

# ব্লক পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছেমিফাইনেলত জয়ী বাঙালডোৱা ভি চি ডি চি

**অসম বাৰ্তা, বাসুগাঁও, ২৫ জুন ঃ** চিৰাং জিলাৰ ৰৌমাৰী দেৰহাছাৰ ষ্টেডিয়ামত চলি থকা বি টি চিৰ ১৫ নং কাজলগাঁও সমষ্টি ভিত্তিক তথা ব্লক পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাৰ আজিৰ অন্তিমখন ছেমিফাইনেল খেলত জয়ী হয় বাঙালডোৱা ভি চি ডি চি দলে। দলটিয়ে ডাংতল ভি চি ডি চিৰ বিপক্ষে অৱতীৰ্ণ হয় । নিৰ্দিষ্ট সময়ৰ ভিতৰত ২-২ গলেৰে সমাপ্তি হোৱাত টাইব্ৰেকাৰৰ সহায় লবলগীয়া হয়। টাইব্ৰেকাৰত বাঙালডোৱা ভি চি ডি চিয়ে ৫ গল দিয়াৰ বিপৰীতে ডাংতল ভি চি ডি চিৰ পৰা ৪ গল পৰিশোধ কৰিবলৈ সক্ষম হয়। কাইলৈ ফাইনেল খেলখন বাঙালডোৱা ভি চি ডি চি বনাম ভিৰাংগাঁও ভি চি ডি চিৰ মাজত অনুষ্ঠিত হ'ব। আজিৰ খেল পৰিচালনা কৰা ৰেফাৰী নৌজৌৰ বসুমতাৰীক সহযোগ আগবঢ়ায় যথাক্ৰমে ৰাজেশ টুডু, গৌমছাৰ মুছাহাৰী আৰু চতুৰ্থ ৰেফাৰী প্ৰাণজিৎ নাৰ্জাৰী। পৰ্যবেক্ষক হিচাপে থাকে বিশিষ্ট সমাজকৰ্মী, খেলপ্ৰেমী মনোলাল বসুমতাৰীয়ে। ফাইনেলত চূড়ান্ত বিজয়ী দলে জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত যোগদানৰ সুযোগ লাভ কৰিব বুলি কয় মনোলাল বসুমতাৰীয়ে।

# বনগাঁৱত পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ ১৪১ গৰাকী অংগনবাড়ী কৰ্মীৰ মাজত স্মাৰ্ট ফোন বিতৰণ

**অসম বাৰ্তা, চামতা, ২৫ জুন ঃ** নলবাৰী জিলা সমাজ কল্যাণ বিভাগৰ অধিনৰ পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত টিহু সমষ্টিৰ বনগাঁৱত আজি ১৪১ গৰাকী অংগনবাড়ী কৰ্মীৰ মাজত এটাকৈ স্মাৰ্ট ফোন বিতৰণ কৰা হয়। আজি ২২ নং বনগাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ সম্পাদক দ্বীপন বৰ্মনে আত ধৰা সভাত স্মাৰ্টফোন সমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ সভাপতি সীমান্ত মেনা, পশ্চিম নলবাৰী বৰক্ষেত্ৰী মণ্ডল বিজেপিৰ সভাপতি শৈলেন কলিতা, নলবাৰী জিলা বিজেপিৰ উপ সভাপতি পবিত্ৰ ডেকা, বনগাঁও পঞ্চায়ৰ নৱ নিৰ্বাচিত কাউঞ্চিলাৰ বিনয় ডেকা, পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ খণ্ড সমন্বয়ক বিক্ৰম বৰ্মন, প্ৰকল্পৰ মুখ্য সেৱীকা সকল আৰু শতাধিক অংনবাদী কৰ্মী উপস্থিত থকা সভাত সীমান্ত মেনা, পবিত্ৰ ডেকা, শৈলেন কলিতা, দ্বীপন বৰ্মন আৰু বিক্ৰম বৰ্মনে অংগনবাদী কৰ্মী সকলক স্মাৰ্ট ফোন সমূহ প্ৰদান কৰে।

# আৰক্ষীয়ে খেদি খেদি ধৰিলে দুৰ্ধৰ্ষ ডকাইত

**অসম বাৰ্তা, মিৰ্জা, ২৫ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দখলাত বুধবাৰে নিশা প্ৰায় ১০ বজাত উত্তপ্ত পৰিবেশৰ সৃষ্টি হয়। প্ৰাপ্ত খবৰ অনুসৰি আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি পিছ লৈছিল এ এচ 01 ই এচ 1929 নম্বৰৰ এখন বাহনত অহা এটা কুখ্যাত ডকাইতৰ দলৰ। বাৰাম্বাৰ আৰক্ষীয়ে বাহনখন ৰখাবলৈ চেষ্টা চলাইছিল যদিও ডকাইতৰ দলটোৱে ৰখোৱা নাছিল বাহনখন। বৰঞ্চ আৰক্ষীক দেখি পলাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল ডকাইতৰ দলটোৱে। কিন্তু অৱশেষত দখলাত আগ ভেটি ধৰি আৰক্ষীয়ে ডকাইতৰ দলটোৰ এজনক আটক কৰিবলৈ সক্ষম হয় যদিও আন দুজন ডকাইত উক্ত স্থানৰ পৰা পলাবলৈ সক্ষম হয়। লগে লগে সেই দুই ডকাইত বিচাৰি হৈ চৈ লাগে চৌদিশে। সৃষ্টি হয় তীব্ৰ উত্তপ্ত পৰিস্থিতিৰ। ইফালে আৰক্ষীয়ে পৰিস্থিতিৰ নিয়ন্ত্ৰণ কৰি আটকাধীন নগাঁৱৰ ৰূপহীহাট থানাৰ অন্তৰ্গত নিজ ছমৰিয়াৰ ৰফিকুল ইছলাম নামৰ দুৰ্ধৰ্ষ ডকাইটোক থানালৈ লৈ আহে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# নাহৰকটীয়াত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, নাহৰকটীয়া, ২৫ জুন ঃ** নাহৰকটীয়াৰ ২ নং বালিজান গাঁৱৰ ভাস্কৰ বৰা নামৰ ব্যক্তি এজনৰ চাহ বাগিচাৰ নলাত ২ নং বালিজান গাঁৱৰ ফুলমণি টপ্ন নামৰ প্ৰায় ৪০ বছৰীয়া মহিলাৰ মৃতদেহ আজি পুৱা উদ্ধাৰ হয়। মহিলাগৰাকীৰ পৰিয়ালে জনোৱা অনুযায়ী শনিবাৰে সন্ধিয়া ঘৰৰপৰা গাঁৱতে উলাই গৈছিল। কেইবাদিন বিচাৰি পৰিয়ালৰলোকে মহিলাগৰাকীৰ কোনো সন্ধান পোৱা নাছিল। আজি পুৱাতে গাঁৱৰ লোকে চাহ বাগিচাৰ নলাত মহিলাগৰাকীৰ মৃতদেহ প্ৰত্যক্ষ কৰি নাহৰকটীয়া আৰক্ষী থানাত অৱগত কৰে। নাহৰকটীয়া আৰক্ষী থানাৰ প্ৰশাসনে ঘটনাস্থলী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাস্থলীত উপস্থিত হৈ আদিবাসী ছাত্ৰ সন্থা ডিব্ৰুগড় জিলা সমিতিৰ প্ৰচাৰ সম্পাদক মিখেল পুৰ্তীয়ে কয় যে বৰ্তমান বিজেপি নেতৃত্বাধীন চৰকাৰখনে বেটি বচাও বেটি পঢ়াও বুলি শ্ল'গান দিয়ে কিন্তু আজি মহিলা-বেটী সুৰক্ষিত নহয়। মৃতদেহ অৰ্ধ উলংগ অৱস্থাত উদ্ধাৰ হোৱা প্ৰতি লক্ষ্য কৰি কোনোৱে অপকৰ্ম কৰি তাৰ পিছত হত্যা কৰি নলাত পেলাই দিয়া সন্দেহ প্ৰকাশ কৰিছে আদিবাসী ছাত্ৰ নেতা জনে। এনে ঘটনা যাতে পুনৰাবৃত্তি নহয় আৰু এই ঘটনাৰ সঠিক তদন্ত কৰি এই ঘটনাত জড়িত ব্যক্তিক চিনাক্ত কৰি কৰায়ত্ত কৰিব বাবে আৰু কঠোৰ শাস্তি প্ৰদান কৰিবলৈ চৰকাৰ তথা প্ৰশাসনক দাবী জনায়।

# ৰঙিয়াত নিষিদ্ধ অ'পিয়ামৰ সৈতে আটক পাঞ্জাবৰ চৰবজিৎ সিং

**অসম বাৰ্তাৰ, ৰঙিয়া, ২৫ জুন ঃ** ৰাজ্যত বৰ্তমানেও অব্যাহত আছে নিচাজাতীয় সামগ্ৰীৰ অবাধ বেহা। মঙ্গলবাৰে নিশা ৰঙিয়াৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ পৰা পাঞ্জাৱ প্ৰদেশৰ এজন ট্ৰাক চালকক বুজন পৰিমাণৰ সন্দেহজনক অ'পিয়ামৰ সৈতে আটক কৰিবলৈ সক্ষম হয়। উদিয়ানাৰ আৰ জে ধাবাৰ সন্মুখৰ পৰা HP-12- D-6616 নম্বৰৰ ট্ৰাক এখনত ৰঙিয়া সমজিলা আৰক্ষী অধীক্ষক বিশ্বজিৎ ডেকাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে অভিযান চলায় আটক কৰে চালক চৰবজিৎ সিঙক। আৰক্ষীয়ে তেওঁৰ পৰা ৫০ গ্ৰাম সন্দেহজনক অ'পিয়াম জব্দ কৰে। লগতে তেওঁ চলোৱা ট্ৰাকখন আৰু এটা মোবাইল ফোন জব্দ কৰে। বৰ্তমান ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# নকছাৰিত সঘনাই চুৰি কাৰ্য্য সংঘটিত; আছুৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, নকছাৰি, ২৫ জুন ঃ** মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰি অঞ্চলত যোৱা কেইবাটাও দিনত সঘনাই চুৰি কাৰ্য্য সংঘটিত হোৱাত ৰাইজ শংকিত হবলগীয়া হৈছে। ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। আজি নকছাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মাধুৰ্য্য গগৈ আৰু সম্পাদক তুৰাজ গগৈ স্বাক্ষৰ সম্বলিত এক স্মাৰক পত্ৰ প্ৰদান কৰে দেৰেৰাপাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক। ছাত্ৰনেতা দুগৰাকীয়ে কয় এনে ঘটনা নিতৌ সংঘটিত হোৱাত ৰাইজ আতংকিত হৈছে। এনে ঘটনাৰ লগত জড়িতসকলক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। লগতে আৰক্ষী তহলৰ ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ আহ্বান জনায়। যোৱা কালি গৰু চুৰ এটাক গাঁৱৰক্ষী বাহিনীৰ সহযোগত দেৰেৰাপৰ আৰক্ষীয়ে আটক কৰি জেললৈ প্ৰেৰণ কৰিছে। এক দুষ্টচক্ৰই বহু দিনৰ পৰা এনে চুৰিকাৰ্য সংঘটিত কৰি আহিছে। কেইবাজনকো ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীক কঠোৰ গ্ৰহণ কৰিবলৈ আহ্বান জনাই ছাত্ৰনেতাদ্বয়ে।

# কাণসাৰ নাই জলসম্পদ আৰু লোকনিৰ্মাণ বিভাগৰ প্ৰতিশ্ৰুতিৰ পাছতো পুনৰ্নিৰ্মাণ নহ'ল বাহাৰঘাটৰ দুটাকৈ পৰিদৰ্শন বাংলাৰ, অসাৰ জনপ্ৰতিনিধিৰ প্ৰতিশ্ৰুতি

**অসম বাৰ্তা, বাহাৰঘাট, ২৭ জুন ঃ** জনপ্ৰতিনিধিয়ে প্ৰতিশ্ৰুতি দিয়াৰ -পাছতো আজিও নতুনকৈ নিৰ্মাণ কৰা নহ'ল বাহাৰঘাটৰ দুটাকৈ পৰিদৰ্শন বাংলাৰ। বৰ্তমান বাংলাৰ ঠাইত গছ-বন গজি জয়াল অৱস্থা হৈছে। ইয়াৰ ভিতৰত বিগত অগপ চৰকাৰৰ প্ৰথমটো কাৰ্যকালতে বাহাৰঘাটত ৰাইজৰ দাবীত এটি পৰিদৰ্শন বঙলা নিৰ্মাণ কৰিছিল। চৰকাৰী বিধি অনুযায়ী প্ৰয়োজনীয় কৰ্মচাৰীৰো নিযুক্তি দিয়া হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে নিৰ্মাণৰ কেইটামান বছৰ পাছত এটি নিশা ৰহস্যময়ভাৱে বঙলাটো জ্বলি ভস্মীভূত হয়। তাৰ পিছত কংগ্ৰেছ চৰকাৰৰ দিনত মেৰামতিৰ ব্যৱস্থা কৰিছিল যদিও সামন্য কেইদালমান কাঠ লগাই বাকী কাম কৰাৰ পৰা বিৰত থাকে। ফলত বাংলা গুছি জয়াল হৈ পৰিল সমগ্ৰ ঠাইখিনি। ইয়াৰ পাছত ২০১৬ ত বিজেপি মিত্ৰ গোষ্ঠীৰ চৰকাৰ শাসনত আহে। সেই সময়ত বিধায়ক অশোক শৰ্মাক বাহাৰঘাটৰ দুটা আই বি পুনৰ নিৰ্মাণৰ বাবে ৰাইজে অনুৰোধ কৰিছিল। উল্লেখ কৰিবলগীয়া যে কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া ঠাই বাহাৰঘাটত দুটাকৈ পৰিদৰ্শন বাংলা আছিল। এটা বৰলীয়া নৈৰ পূব পাৰে আৰু এটা বৰলীয়াৰ পশ্চিম পাৰে অৱস্থিত। বৰলীয়াৰ পূব পাৰৰটো জলসম্পদ বিভাগৰ আৰু পশ্চিম পাৰটো লোকনিৰ্মাণ বিভাগৰ দ্বাৰা পৰিচালিত। বৰ্তমান দুয়োটা বাংলাই অস্তিত্ব হীন হৈ পৰিছে। মনকৰিবলগীয়া যে পূব পাৰৰ আই বিটো ভাঙি-ছিগি যোৱাৰ বিপৰীতে পশ্চিম পাৰৰটো হাবিজংঘলে জয়াল শি কৰি তুলিছে। এই সম্পৰ্কে স্থানীয় ৰাইজে বৰ্তমানৰ বিজেপি মিত্ৰ গোষ্ঠীৰ চৰকাৰৰ প্ৰথমটো কাৰ্যকালতে তদানীন্তন বিধায়ক অশোক শৰ্মাক অৱগত কৰি দুয়োটা পৰিদৰ্শন বঙলাকে নতুনকৈ নিৰ্মাণ কৰাৰ বাবে অনুৰোধ কৰিছিল। ৰাইজৰ অনুৰোধ মৰ্মে জলসম্পদ বিভাগৰ নলবাৰী সংমণ্ডলৰ বৰমুৰীয়াসকলে বৰলীয়া নৈৰ পুব দিশৰ পৰিদৰ্শন বঙলাটো স পৰ্যবেক্ষণ কৰি সোনকালে বিহিত ব্যৱস্থা লোৱাৰ আশ্বাস দিছিল। কিন্তু পৰিতাপৰ বিষয় যে আজি কোপতি স বিভাগটোৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ মাজতে বিগত ২০১৯ ৰ লোকসভা নিৰ্বাচনত সাংসদ দিলীপ সহ শইকীয়া মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ নিৰ্বাচিত হয়। স্থানীয় এজন সাংসদ পায় বাহাৰঘাট অঞ্চলৰ ৰাইজ উৎফুল্ল হৈ পৰে। সেয়েহে ৰাইজে অঞ্চলটোৰ বহুতো সমস্যাৰ লগতে পৰিদৰ্শন বঙলা দুটাৰ কথাও অৱগত কৰে। প্ৰণ সাংসদজনে পোনতে দুয়োটাৰে এটা বঙলা নিৰ্মাণ কৰাৰ আশ্বাস দিছিল। আশ্বাস মতে পশ্চিম পাৰৰ লোকনিৰ্মাণ অ বিভাগৰ পৰিদৰ্শন বঙলাটোৰ ঠাইখিনি চাফচিকুণ কৰাও দেখা গ'ল। কিন্তু তাৰ পাছত কোনো কামকৰা ৰাইজৰ চকুত উ-পৰা নাই। মনকৰিবলগীয়া যে সাংসদজনৰ প্ৰত্যক্ষ হস্তক্ষেপত কে'বাটাও গুৰুত্বপূৰ্ণ কামে অঞ্চলটোত হৈছে। সভবাস্তাঘাটকে ধৰি মঠাউৰি আদি নিৰ্মাণ কৰাত সাংসদ গৰাকীৰ যথেষ্ট ভূমিকা থকা বুলি ৰাইজে মন্তব্য কৰিছে। আনকি এবছৰ দুবছৰকৈ ১৪ বছৰে অৰ্ধনিৰ্মিত হৈ থকা চমুখাঘাটৰ পকীদলংখনো সাংসদ শইকীয়াৰ সবল ভূমিকাৰ বাবে সম্পূৰ্ণ হ'ব পাৰিছে। তাৰ বাবে বেচিভাগ ৰাইজে সাংসদজনক ধন্যবাদ জনাইছে। ইয়াৱ মাজতে অঞ্চলটোৰ ৰাইজৰ আহ্বানৰ মাজতো পৰিদৰ্শন বঙলাৱ নিৰ্মাণ কাৰ্য কিয় সম্পূৰ্ণ হোৱা নাই সেই লৈ ৰাইজৰ মাজত বুবুবাবা চলিছে। এতিয়া পূৰ্বৰ মংগলদৈ লোকসভা সমষ্টি গুচি বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত হ'ল দুয়োটা পৰিদৰ্শন বঙলা। আনহাতে 'বিধানসভা সমষ্টিও পূৰ্বৰ নলবাৰীৰ ঠাইত বৰক্ষেত্ৰী হ'ল। নিৰ্বাচনৰ আগত কৰিব নোৱাৰা হিচাপে পাছত হ'লেও পৰিদৰ্শন বাংলা দুটা নিৰ্মাণ কৰি প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পাৰি। যিহেতু চৰকাৰখন বিজেপি মিত্ৰ দলৰে। গতিকে সকলো কামে সম্ভব। সেয়েহে অঞ্চলবাসী বাইজে পৰবৰ্তী সময়ত পৰিদৰ্শন বঙলা দুটা পুনৰনিৰ্মাণ কৰাৰ বাবে সাংসদ, বিধায়কৰ লগতে বিভাগীয় উচ্চপদস্থ বিষয়াবৰ্গক দাবী জনাইছে।

# শতবৰ্ষ গৰকিব গোলাঘাট জিলা মহিলা সমিতিয়ে

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ২৫ জুন ঃ** গোলাঘাটৰ নাৰী সমাজৰ ঐক্যবদ্ধ শক্তিশালী সামাজিক অনুষ্ঠান ঐতিহ্যমণ্ডিত গোলাঘাট জিলা মহিলা সমিতিয়ে প্ৰতিষ্ঠাৰ গৌৰৱময় ১০০ টাই বছৰত পদাৰ্পন কৰিব। এই উপলক্ষে অনুষ্ঠানটোৱে আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে শতবৰ্ষীয় অনুষ্ঠান উদযাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। আজি এই সন্দৰ্ভত নগৰৰ গোলাঘাট জিলা মহিলা সমিতি ভৱনত প্ৰস্তুতি সম্পৰ্কীয় এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। জিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখোৱাৰ পৌৰাহিত্যত সম্পাদিকা ৰূপা শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট নাগৰিক শিক্ষাবিদ তিলেশ্বৰ তামূলী, নিৰন্ধকাৰ ডাঃ অজিত বৰুৱা, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা, শিক্ষাবিদ, লেখক দীপালী বৰা, প্ৰবীণ সাংবাদিক দ্বীপেন দত্ত, লনী ফুকন, সাংবাদিক ৰোহিত গগৈ আদিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অহা ১৫ আৰু ১৬ নৱেম্বৰত গোলাঘাট নগৰত শতবৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হ'ব।

# বৰক্ষেত্ৰীৰ যুৱক সন্ধানহীন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ জুন ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ বৰঢাপৰ এজন যুৱক সন্ধানহীন হোৱাত পৰিয়ালৰ লোকৰ মাজত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হৈছে। জানিব পৰা মতে সন্ধানহীন যুৱকজন ৰজব আলীৰ পুত্ৰ ৰফিকুল ইছলাম(২৭)। প্ৰাপ্ত তথ্য অনুসৰি ৰবিবাৰে জাম বিক্ৰী কৰিবলৈ ঘৰৰ পৰা গুৱাহাটীলৈ যোৱাৰ পিছৰে পৰা যুৱকজনৰ সন্ধান পোৱা নাই। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰিও আজিলৈকে সন্ধান লাভ কৰা নাই। অৱশেষত নিৰুপায় হৈ পৰিয়ালৰ লোকে যুৱকজনৰ সন্ধান বিচাৰি মুকালমুৱা আৰক্ষী থানাত অভিযোগ দাখিল কৰে। কোনো সদাশয় লোকে যুৱকজনৰ ক'ৰবাত সন্ধান পালে মুকালমুৱা আৰক্ষী থানাত নতু বা ৯১০১৯১৫৩৭৪ / ৯৭০৭৪৭২০২০ নম্বৰত পৰিয়ালৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# ৰঙানদী কাষৰীয়া গাঁৱত ঠায়ে ঠায়ে একঁকাল পানী

**অসম বাৰ্তা, লীলাবাৰী, ২৫ জুন ঃ** অৰুণাচল প্ৰদেশৰ য়াজুলিস্থিত ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পৰা পানী এৰা ফলত প্লাৱিত হৈছে লখিমপুৰ জিলাৰ লীলাবাৰী অঞ্চলৰ কেইবাটাও গাঁও। দেওবাৰে নিশা ১২ বজাৰ পৰা ছবাৰকৈ ৰঙানদী জলবিদ্যুৎ প্ৰকল্প চমুকৈ নীপকোৰ গেট খুলি ২৫০০ মিলিমিটাৰ পানী এৰাৰ ফলত ৰঙানদী কাষৰীয়া অঞ্চল প্লাৱিত হয়। আকৌ মঙলবাৰ আৰু বুধবাৰে ৰঙানদীৰ জলপৃষ্ঠ দ্ৰুতগতিত বৃদ্ধি পাইছে। মঙলবাৰে পুৱতি নিশা ৭০০ মিলিমিটাৰ আৰু বুধবাৰে পুৱা ৯ বজাত ১২০০ মিলিমিটাৰ পানী ৰঙানদীত এৰে নীপকোৱে। মঙলবাৰে ৰঙানদী দাঁতি কাষৰীয়া অঞ্চল বিশেষকৈ জহিং, ৯-৬ কয়লামাৰী, বিলাবাগান আদি গাঁৱত যথেষ্ট পানী জমা হোৱাৰ ফলত ঘৰ-দুৱাৰত পানী সোমাইছে। আজি ৰ'দ দিয়াৰ ফলত ৰঙানদীৰ জলপৃষ্ঠ কমিছে, যদিও অঞ্চলটোৰ ৰাইজে অনাকাংক্ষিত বানৰ বাবে শংকিত হৈছে।

# বৰক্ষেত্ৰীৰ ২ নম্বৰ কাপলাবড়ীত মৰণফান্দ সদৃশ জৰাজীৰ্ণ দলঙেৰে বছৰ-বছৰ ধৰি যাতায়ত স্থানীয় লোকৰ লগতে চৰাঞ্চলবাসীৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ কাপলাবড়ীস্থিত ব্ৰহ্মপুত্ৰৰ সুঁতিৰ ওপৰত থকা ২ নম্বৰ কাপলাবড়ীস্থিত এখন ভগ্ন জৰাজীৰ্ণ দলংঙেৰে দীৰ্ঘদিন ধৰি যাতায়ত অব্যাহত ৰাখিছে স্থানীয় লোকৰ লগতে চৰাঞ্চলবাসীয়ে ।কণ-কণ শিক্ষাৰ্থী অহা যোৱা কৰা অঞ্চলটোত যিকোনো মুহূৰ্ততে ঘটিব পাৰে অঘটন। অতি বিপদজনক অৱস্থাত থকা ভগ্ন জৰাজীৰ্ণ দলংখনেৰে এই ভৰ বাৰিষাৰ সময়ত নিতৌ অঞ্চলটোৰ শ শ লোকে আহ যাহ কৰাৰ উপৰিও স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী সকলেও মৰণত শৰণ দি অহা যোৱা কৰিব লগা অৱস্থা হৈছে । মৰণফান্দ সদৃশ এই দলংখনৰ ওপৰেৰে কাপলাবড়ীৰ পৰা কলপোতা চৰলৈ যাব পৰা এই অঞ্চলটোত থকা এই ভগ্ন জৰাজীৰ্ণ দলংখনৰ ফলতেই যিকোনো মুহূৰ্ততে অঘটন ঘটাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে । স্থানীয় ৰাইজে জনোৱা অনুসৰি ব্ৰহ্মপুত্ৰৰ এই উপনৈটোত থকা দলংখনেৰে প্ৰতিদিনে অঞ্চলটোৰ বহু সংখ্যক কণ-কণ লৰা-ছোৱালী শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰে। কিন্তু ইয়াৰ পছতো দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰিবলৈ যেন আহৰি নাই চৰকাৰ কিম্বা বিভাগীয় কৰ্তৃপক্ষৰ। বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত মথাউৰিৰ ওপৰৰ এই অঞ্চলটো এনেকৈ বছৰৰ পিছত বছৰ ধৰি অৱহেলিত হৈ অহাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে খৰালি কালত নৈৰ পানী শুকালে দলংখনৰ তলেৰে অহা যোৱা কৰা লোকসকলে বাৰিষা কালত তুলুঙা নাও ব্যৱহাৰ কৰি অহা যোৱাৰ লগতে সা-সামগ্ৰীসমূহ কঢ়িয়াই আনিবলগীয়াত পৰে অঞ্চলবাসীয়ে। অঞ্চলবাসীৰ এই দীৰ্ঘদিনীয়া যন্ত্ৰণা দূৰ কৰিবলৈ স্থানীয় লোকে দাবী জনাইছে। অঞ্চলটো সংখ্যালঘূ অঞ্চল হোৱা হেতুকেই উন্নয়নৰ ক্ষেত্ৰত এনেদৰে পিঠি দিছে নেকি বুলিও একাংশ লোকে প্ৰশ্ন উত্থাপন কৰিছে। ৰাইজে দাবী কৰিছে বিপদ নৌহওতেই অনতিপলমে যাতে এই দলংখন পকীকৰণ কৰি দি শিক্ষাৰ্থীসকলৰ লগতে বৃহত্তৰ চৰাঞ্চলবাসী ৰাইজৰ বৃহৎ উপকাৰ সাধন কৰে।

# ফুলবাৰী ধেমাগড়ত লালুক থানা কমিটিৰ সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, লালুক, ২৫ জুন ঃ** লালুক থানাৰ অধীনস্থ এলেকাত বাল্যবিৱাহ, ড্ৰাগছ, মদ, ভাঙ আদি অসামাজিক কাম কাজৰ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা অনাৰ লক্ষ্যৰে আজি লালুক থানাৰ অধীনৰ ফুলবাৰী ধেমাগড় যদুমণি কৃষ্টি ভৱনত এখনি সজাগতা সভা সম্পন্ন হয়। সজাগতা সভাখনত আৰক্ষী প্ৰশাসন, লালুক থানাৰ অধীনৰ ৪২খন গাঁৱৰক্ষী বাহিনীৰ বিষয় ববীয়া, স্থানীয় ৰাইজ উপস্থিত থাকে। সভাখনত সভাপতিত্ব কৰে ধেমাগড় অঞ্চলৰ সমাজ সেৱক মৃদুল মহন্তই। সভাত লখিমপুৰ জিলা আৰক্ষী অধীক্ষক গুনীন্দ্ৰ ডেকা, লালুক চক্ৰ পৰিদৰ্শক ৰামচৰণ ৰাভা, লালুক থানাৰ অচি সীমান্ত পাঠক, চক্ৰ সংগঠক ধীৰেন দাস, লালুক থানা কমিটিৰ উপ সভাপতি আলি আহমেদ, খনিন বৰগোহাঁইকে ধৰি অন্যান্য বিষয় ববীয়া উপস্থিত থাকে। সভাত বৰ্তমান সমাজত যুৱ প্ৰজন্মৰ মাজত বৃদ্ধি পাই অহা নিচাসক্ত দ্ৰব্য সেৱন, বাল্যবিৱাহ, উদণ্ডভাৱে বাহন চলোৱা আদিকে ধৰি বিভিন্ন অসামাজিক কাৰ্যকলাপে কিদৰে সমাজত বিৰূপ প্ৰভাৱ পেলাইছে সেই সন্দৰ্ভত ৰাইজৰ সন্মুখত বক্তা সকলে ব্যাখ্যা আগবঢ়ায়। লগতে ৰাইজক এই অপৰাধৰ জনিত কৰ্মৰ বিৰুদ্ধে সকলোকে সজাগ হ'বলৈ আহ্বান জনাই। সভাত অঞ্চলটোৰ বিভিন্ন এলেকাত থকা গাঁৱৰক্ষী বাহিনী সকলৰ কাম কাজৰ সন্দৰ্ভতো ৰাইজক অৱগত কৰে। সভাত স্থানীয় বহু কেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত বক্তৃতা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, বকো, ২৫ জুন ঃ** কামৰূপ জিলাৰ বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সহযোগত আজি মহাবিদ্যালয়ত এক বিশেষ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই বক্তৃতা অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে অসম বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° মহান বৰা। তেখেতে সংসদীয় গণতন্ত্ৰ, ৰাজনৈতিক দল আৰু ভাৰতৰ ৰাজনীতিৰ এক তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে। সহকাৰী অধ্যাপক ড° মহান বৰাই গণতন্ত্ৰত ৰাজনৈতিক দলৰ প্ৰকৃত ভূমিকা সম্পৰ্কে আলোকপাত কৰাৰ লগতে ভাৰতত সংসদীয় গণতন্ত্ৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এক জনপ্ৰিয় বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বাপুকণ শইকীয়াই সভাৰ আঁত ধৰে আৰু সহকাৰী অধ্যাপিকা ডঃপাপৰি শইকীয়াই সম্বৰ্ধনা পৰ্ব আৰু সমল ব্যক্তিৰ পৰিচয় দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্তই কয় যে এয়া এক সময়োপযোগী বক্তব্য অনুষ্ঠান বুলি উল্লেখ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ যোগেদি সমাজখন বা দেশৰ বাবে নিজৰ দায়বদ্ধতাৰ প্ৰতি আৰু অধিক সজাগ হ'ব পাৰিব বুলি মতপোষণ কৰে। সভাৰ মঞ্চত উপস্থিত থাকে মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰণৱ শৰ্মা, আভ্যন্তৰীণ আৰু গুণগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° অলিম্পা ভূএগ বৰুৱা আৰু সভাখনত মহাবিদ্যালয়ৰ আন আন শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ডঃ গীতিমা তালুকদাৰ আৰু যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উক্ত অনুষ্ঠানতেই ড° মহান বৰা ডাঙৰীয়াই মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা পৰিচালিত হ'বলগীয়া 'সাংবিধানিক সাক্ষৰতাৰ' তিনিমহীয়া অতিৰিক্ত পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰে। সমল ব্যক্তিৰ বক্তব্য প্ৰদানৰ শেষত ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰা হয় আৰু উপাধ্যক্ষ প্ৰণৱ শৰ্মা ডাঙৰীয়াই সমল ব্যক্তিক এখন শলাগ পত্ৰ প্ৰদান কৰে।



## বিশ্বনাথ জিলা আয়ুক্তলৈ অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ স্মাৰক পত্ৰ

# বৰগাং চাহ বাগিচাত অতি শীঘ্ৰে পুনৰ সাপ্তাহিক দৰমহাৰ ব্যৱস্থাৰ বাবে দাবী

**অসম বাৰ্তা, বিহালী, ২৭ জুন ঃ** ২৬ জুন তাৰিখে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই বৰগাং চাহ বাগিচাত নতুনকৈ প্ৰবৰ্তন কৰা পযেকীয়া দৰমহা ব্যৱস্থা বন্ধ কৰি পুনৰ সাপ্তাহিক দৰমহা দিয়াৰ ব্যৱস্থাৰ বাবে দাবী জনাই বিশ্বনাথ জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে।উল্লেখ্য যে পযেকীয়া দৰমহা ব্যৱস্থাৰ বিৰুদ্ধে যোৱা ১৮ মাৰ্চ তাৰিখে বৰগাং চাহ বাগিচাৰ শ্ৰমিক সকল বাগিচাৰ কাম কৰাৰ পৰা বিৰত থাকি তীব্ৰ প্ৰতিক্ৰীয়া প্ৰকাশ কৰিছিল।উক্ত দিনাখনেই বাগিচাখনৰ শ্ৰমিক,শ্ৰমিক ইউনিয়ন আৰু বাগিচা কৰ্তৃপক্ষৰ মাজত সভা হৈছিল আৰু সকলো শ্ৰমিকে পযেকীয়া দৰমহাৰ বিৰোধিতা কৰি বাগিচা কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ দিছিল।কিন্তু বাগিচা কৰ্তৃপক্ষই সেই ১৮ মাৰ্চ তাৰিখৰেই এখন ভুৱা চুক্তি পত্ৰ শ্ৰম বিষয়া কাৰ্যালয়ত দাখিল কৰে, য'ত বাগিচা ইউনিয়ন আৰু কৰ্তৃপক্ষৰ মাজত পযেকীয়া দৰমহা সম্পৰ্কে চুক্তি হোৱা বুলি দেখুৱাই। ইফালে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই যোৱা ৩ এপ্ৰিল,২০২৫ তাৰিখে পযেকীয়া দৰমহা বন্ধ কৰি পুনৰ সাপ্তাহিক দৰমহাৰ ব্যৱস্থা কৰাৰ দাবীত বিশ্বনাথ শ্ৰম বিষয়ালৈ স্মাৰক পত্ৰ প্ৰদান কৰে।কিন্তু শ্ৰম বিষয়া কাৰ্যালয়ৰ তৰফৰ পৰা শ্ৰমিকৰ দাবীৰ প্ৰতি আজি পৰ্যন্ত কোনো গুৰুত্ব আৰোপ নকৰিলে বুলি মন্তব্য প্ৰকাশ কৰিছে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ বিশ্বনাথ চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডীয়ে।সেয়ে আজি উক্ত বিষয়টোৰ সন্দৰ্ভত বিশ্বনাথ জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰদান কৰি অতি শীঘ্ৰে বৰগাং চাহ বাগিচাত পুনৰ সাপ্তাহিক দৰমহা দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰে সংগঠনটোৱে।আজি স্মাৰক পত্ৰ প্ৰদান কাৰ্যসূচীত উপস্থিত থকা পোন্ধৰজনীয়া দলটোত থাকে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ বৰগাং চাহ বাগিচাৰ তিনিওটা শাখাৰ সভাপতি ও সম্পাদক সকল ক্ৰমে- বৰগাং শাখাৰ নৰেশ নাহেকীয়া,ৰাজু কেৰকেটা, বৰভীল শাখাৰ তিলেশ্বৰী গোৱালা,কিৰন পৰ্জা, ৰঙাগড় শাখাৰ খেতু কালন্দি,জুনিতা মুণ্ডা।লগতে উপস্থিত থাকে সংগঠনটোৰ বিশ্বনাথ চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডী আৰু সম্পাদক কৃষ্ণ পাইক। সমস্যা সমাধান নহলে আন্দোলনৰ পথ বাচি লব বুলিও জানিবলৈ দিছে সংগঠনটোৰ নেতৃবৃন্দই।

# ধিঙৰ মৈৰাধ্বজ - বালিজান গ্ৰাম্য পথৰ শোচনীয় অৱস্থা

## পথ নিৰ্মাণত ব্যাপক অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগ

**অসম বাৰ্তা, টুকটুকী, ২৭ জুন ঃ** নগাঁও জিলাৰ ধিং বিধানসভা সমষ্টিৰ নিজ ধিং উন্নয়ন খণ্ডৰ মৈৰাধ্বজ গাঁও পঞ্চায়তৰ অন্তৰ্গত মৈৰাধ্বজ গাঁওৰ এটা প্ৰধান গ্ৰাম্য পথৰ শোচনীয় অৱস্থাই স্থানীয় ৰাইজৰ জীৱনযাত্ৰাত তীব্ৰ শোচনীয় প্ৰভাৱ পেলাইছে। বছৰৰ ১২ মাহেই মৈৰাধ্বজ - বালিজান সংযোগী পথটো বৰষুণৰ ফলত অচল হৈ পৰিছে। স্থানীয় সূত্ৰে জানিব পৰা মতে, পথটোত বৃহৎ গাঁতৰ সৃষ্টি হৈছে আৰু জল নিষ্কাশনৰ কোনো ব্যৱস্থা নথকাৰ ফলত বৰষুণৰ পানী জমা হৈ পথটো পিছল আৰু বিপজ্জনক হৈ পৰিছে ।২০১৯ - ২০ বিত্তীয় বৰ্ষত প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত মৈৰাধ্বজ গাঁও পঞ্চায়তৰ ১নং ৱাৰ্ডৰ বি.এম. ডি. পথৰ মৰিগাঁও জিলাৰ বালিজান বজাৰ সংযোগী এ.এছ. ১৭-১১৭ পেকেজৰ ২.৩৪০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণ কৰা হৈছিল। পথটোৰ নিৰ্মাণ কাৰ্যত তথাকথিত ঠিকাদাৰ জনে বিয়াগোম দুৰ্নীতি কৰাৰ দাবী স্হানীয় সচেতন ৰাইজে আৰম্ভণি পৰাই কৰি আহিছে যদিও আজিলৈকে কোনো সুফল নাপালে। পথটোৰ নিৰ্মাণ কৰাৰ সময়ত কামৰ নীতি - নিৰ্দেশনা সকলো ভৰিৰে মোহাৰি নিজ খেয়াল - খুচি মতে পথটোৰ নিৰ্মাণ কৰাৰ গুৰুত্বৰ অভিযোগ উত্থাপিত কৰিছে স্হানীয় ৰাইজে।আনকি পথ নিৰ্মাণ কাৰ্য ইতিমধ্যে পাঁচটা বিত্তীয় বৰ্ষ শেষ হৈছে যদিও আজিলৈকে এবাৰো পথটো মেৰামতি নকৰিলে ঠিকাদাৰ জনে। যাৰ ফল যমৰ যাতনা ভুগিছে গাঁও খনৰ সহজ - সৰল গঞাই। আনহাতে এনে ধৰণৰ দুৰ্নীতি আৰু অনিয়মৰ সুযোগ গ্ৰহণ কৰিছে গাঁও খনৰে একাংশ তথাকথিত নফতা ফুকনে। উল্লেখ্য যে প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সদা ব্যস্ত পথটোৰ কেইবাটাও স্হানত নিজ চোতালত পথটিৰ দুয়ো কাষত একাংশই মাটিৰ ওখ ভেটি নিৰ্মাণ কৰি পথটোৰ কেইবাটাও স্হানত পুখুৰী সদৃশ দ গাঁতৰ সৃষ্টি কৰিছে। এক কথাত ক'বলৈ গ'লে চৰকাৰী ৰাজ পথক পৈতৃক সম্পত্তি হিচাপে ব্যৱহাৰ কৰি বীৰত্ব প্ৰদৰ্শন কৰিছে একাংশ সমাজ বিৰোধি চক্ৰই। পথটোৰ কেইবাটাও স্হানত ইতিমধ্যে সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড দ গাঁতৰ আৰু বছৰৰ ১২ মাহেই একাঁঠু পৰ্যন্ত পানী জয়া হৈ থাকে পথটোৰ কেইবাটাও অংশত। এই জৰাজীৰ্ণ পথটোৰে মৰণত শৰণ দি যাতায়াত কৰিবলগীয়া হৈছে পথাচাৰীয়ে। যিকোনো সময়ত সংঘটিত হ'ব পাৰে অঘটন। এইসকল দুষ্ট চক্ৰই স্হানীয় আৰক্ষীকো কেৰেপ নকৰে। কিয়নো স্হানীয় আৰক্ষীয়ে ৰাইজৰ অভিযোগৰ ভিত্তিত তদন্ত কৰি পানী নিষ্কাষণৰ বাবে মৌখিক নিৰ্দেশ দিছিল সমাজ বিৰোধি চক্ৰটোক। ইপিনে অঞ্চলটোৰ স্হানীয় একাংশ লোকে এই পথটিত নাম মাত্ৰ কাম কৰি ঠিকাদাৰে ধন আত্মহাত কৰাৰো অভিযোগ উত্থাপন কৰিছে। অতি শীঘ্ৰে পথটো যাতায়তৰ বাবে উপযোগী কৰি তোলাৰ লগতে অনিয়মেৰে পথ নিৰ্মাণ কৰি ধন আত্মসাৎ কৰা ঠিকাদাৰৰ বিৰুদ্ধে বিহীত ব্যৱস্থা লোৱাৰ দাবী জনায় স্হানীয় লোকে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত।

### অনৈতিক কাৰ্যকলাপৰ ঘাটিলৈ পৰিণত জনীয়া

# জ্যেষ্ঠ আৰক্ষী অধীক্ষকলৈ স্মাৰকপত্ৰ প্ৰদান আমছুৰ

**অসম বাৰ্তা, জনীয়া, ২৭ জুন ঃ** সম্প্ৰতি অনৈতিক কাৰ্যকলাপৰ ঘাটিলৈ পৰিনত হৈছে বৰপেটা সদৰ আৰক্ষী থানাৰ অন্তৰ্গত জনীয়া। আমিন গাওঁ লেংটিছিঙা সংযোগী ২ নং বিকল্প ৰাজ্যিক ঘাইপথৰ দাতিত কাঠফুলাৰ দৰে গঢ়ি উঠিছে বহু ধাবা সদৃন হোটেল, ৰেষ্টোৰেণ্ট,ৰিজৰ্ট।ব্যাৱসায়ৰ নামত জনীয়াৰ একাংশঞ্জ হোটেল, ৰেষ্টোৰেণ্টত চলে নিতৌ অনৈতিক কাৰ্যকলাপ।এনে একাধিক অভিযোগ উত্থাপন হৈছে জনীয়াৰ ৰয়েল গেলে'ী, লাভলি হোটেল এণ্ড ৰেষ্টুৰেন্ট আৰু ডেজী ৰিজোৰ্টৰ বিৰুদ্ধে। ছাবলাইম পাবলিক স্কুল নামৰ শিক্ষানুষ্ঠানৰ গাতে লাগি থকা এই সমূহ হোটেল ৰেষ্টোৰেণ্টত নিতৌ চলে অনৈতিক কাৰ্যকলাপ। অভিযোগ অনুসৰি টকাৰ লোভত অপ্ৰাপ্তবয়স্ক বহু স্কুলীয়া ছাত্ৰ ছাত্ৰীও নাৰী দেহ ব্যাৱসায়ত লিপ্ত হৈছে এই সমূহ হোটেল ৰেষ্টোৰেন্টত। দীৰ্ঘদিন ধৰি নাৰী দেহ ব্যৱসায় আৰু নিচাজাতীয় দ্ৰব্য সেৱন আৰু বিক্ৰিৰ জড়িয়তে এই সমূহ হোটেলৰ স্বত্বাধিকাৰীয়ে সমাজৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি নিৰ্ভীকভাৱে চলাই গৈছে ৰমৰমীয়া ব্যৱসায়। প্ৰতিদিনে শতাধিক যুৱক যুৱতীয়ে অহা যোৱা কৰে এই সমূহ হোটেল ৰেষ্টোৰেন্টত। এই সন্দৰ্ভত সদৌ অসম সংখ্যালঘু ছাত্ৰ সংগঠন (আমছু)ৰ এটি সঁজাতি দলে ২৫ জুনত বৰপেটা জিলা জ্যেষ্ঠ আৰক্ষী আধীক্ষকলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। আমছুৰ স্মাৰকপত্ৰ পোৱাৰ পিছতেই জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকে তাৎক্ষনিক ভাৱে উক্ত হোটেল এণ্ড ৰেষ্টোৰেণ্ট বন্ধ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। সেই মৰ্মে তাৎক্ষণিক ভাৱে আৰক্ষীৰ দল আহি হোটেল এণ্ড ৰেষ্টুৰেণ্টত অভিযান চলায় যদিও কাকো আটক কৰিবলৈ সক্ষম নহয় । আমছুয়ে লোৱা এনে পদক্ষেপক সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

## ডুমডুমা -শদিয়াৰ দূৰণীবতীয়া ভিতৰুৱা গাৱঁৰ জনজাতীয় লোকৰ কাষত তিনিচুকীয়া জিলা প্ৰশাসন

# ধৰতী আবা জন-ভাগিদাৰী অভিযানৰ দ্বাৰা চৰকাৰী সুবিধা প্ৰদানৰ বিশেষ প্ৰয়াস

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ জুন ঃ** দূৰণীবতীয়া পিছপৰা অঞ্চলৰ জনজাতীয় ৰাইজক চৰকাৰী আঁচনিৰ সকলো সুবিধা প্ৰদানৰ বাবে যোৱা ১৫ জুনৰ পৰা আৰম্ভ হোৱা কেন্দ্ৰীয় চৰকাৰৰ ধৰতী আবা জন ভাগিদাৰী অভিযানৰ সৈতে সঙ্গতি ৰাখি আজিও তিনিচুকীয়া জিলাৰ কেবাখনো ভিতৰুৱা গাঁৱত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সেই অনুসৰি শদিয়া সম-জিলাৰ অন্তৰ্গত ছৈখোৱা উন্নয়ন খণ্ডৰ হাহঁখাটি গাওঁ পঞ্চায়ত এলেকাৰ কচুধূপ বজালতলি সমূহীয়া ভৱনত, ডিৱাক গাওঁ পঞ্চায়তৰ চুমনি চাপৰি খেলপথাৰত আৰু ডুমডুমা সম-জিলা তথা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাভৰুভেটি গাওঁ পঞ্চায়তৰ সোণাপুৰ দেউৰী হয়। সভাত বিভিন্ন উন্নয়নী বিভাগৰ বিষয়া উপস্থিত থাকি ৰাইজক চৰকাৰৰ বিভিন্ন জনমুখী আঁচনিৰ সুবিধা কেনেদৰে গ্ৰহণ কৰিব সেই বিষয়ে বুজাই কয়। এই উপলক্ষে সভাস্থলিত এদিনীয়া বিনামূলীয়া চিকিৎসা শিবিৰ আৰু আধাৰ সেৱা প্ৰদান কেন্দ্ৰ স্থাপন কৰা হয়। তদুপৰি, প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনাৰ কাৰ্ড বিতৰণ, যক্ষ্মা ৰোগৰ পৰীক্ষা, আভা অৰ্থাৎ আয়ুষ্মান ভাৰত পৰিচয় পত্ৰ প্ৰস্তুতি, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দ্বাৰা উপযুক্ত নতুন হিতাধিকাৰীৰ পৰা ৰেচন কাৰ্ডৰ বাবে আবেদন পত্ৰ বা তথ্য সংগ্ৰহ, কৃষি বিভাগৰ দ্বাৰা নতুন হিতাধিকাৰীক পিএম কিষাণ আৰু কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা নতুন জব কাৰ্ড আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ বাবে আবেদন গ্ৰহণ তথা অনুমোদন আদি কামো ঠাইতে সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, এই মাহ জোৰা কাৰ্যসূচীৰ অধীনত কালি শদিয়া সমজিলাৰ শদিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত হলোগাওঁ গাওঁ পঞ্চায়তৰ গড়গাঁও জনজাতি প্ৰাথমিক বিদ্যালয়ত, ছৈখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত হাহঁখাটি গাওঁ পঞ্চায়তৰ অন্তৰ্ভুক্ত উপৰ লাওপানী সমূহীয়া ভৱনত, তালাপ গাওঁ পঞ্চায়তৰ এৰাগাওঁ মুকলি মঞ্চ, ডিৱাক গাওঁ পঞ্চায়তৰ বৰডিৱাক হাইস্কুলত আৰু কাকপথাৰ গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত ধৰতী আবা জন-ভাগিদাৰী অভিযানৰ আয়োজিত অনুৰূপ অনুষ্ঠানত স্থানীয় ৰাইজে ব্যাপক সঁহাৰি জনোৱা পৰিলক্ষিত হয়। কাইলৈ দিনৰ ১১ বজাত শদিয়া সম-জিলাৰ ছৈখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত খোৱাং গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত, ১২ বজাত ছৈখোৱা গাওঁ পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত আৰু ডুমডুমা সম-জিলা তথা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাভৰুভেটি গাওঁ পঞ্চায়তৰ বাহিৰংদৈ মিচিং গাঁৱত ধৰতী আবা জনভাগিদাৰী অভিযানৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব । সকলো কাৰ্যসূচীতে স্থানীয় ৰাইজৰ অংশগ্ৰহণ জিলা প্ৰশাসনৰ তৰফৰ পৰা কামনা কৰা হৈছে।

# বিলাসীপাৰাত চৰকাৰী পেঞ্চনাৰ সন্থাৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিবেশন

**অসম বাৰ্তা, ধুবুৰী, ২৭ জুন ঃ** অসম চৰকাৰী পেঞ্চনাৰ সন্থাৰ কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিবেশন ২০২৬ চনত বিলাসীপাৰাত অনুষ্ঠিত হ'ব বুলি আজিৰ এক গুৰুত্বপূৰ্ণ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিলাসীপাৰা শাখাৰ উদ্যোগত চহৰৰ পৌৰসভা বিবাহ ভৱনত অনুষ্ঠিত সভাখনত অভ্যৰ্থনা সমিতি গঠনৰ লগতে অধিবেশন সফল কৰিবলৈ বিস্তৃত পৰিকল্পনা গ্ৰহণ কৰা হয়। দিনৰ ১১.৩০ বজাৰ পৰা আৰম্ভ হোৱা সভাখনত অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন শাখাৰ পৰা আগতীয়াকৈ আমন্ত্ৰিত প্ৰতিনিধিসকল যোগদান কৰে। তেওঁলোকে সভাখনত স্ব-স্ব মতামত আগবঢ়াই অধিবেশনটো সফল কৰাৰ ক্ষেত্ৰত একতা প্ৰদৰ্শন কৰে। সভাত উপস্থিত আছিল বিলাসীপাৰা পূব বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম চৰকাৰৰ বেঁচা- কিনা নিগমৰ বৰ্তমানৰ অধ্যক্ষ অশোক কুমাৰ সিংহী। তেওঁ গঠনমূলক পৰামৰ্শ আগবঢ়াই ঘোষণা কৰে যে, পেঞ্চনাৰ সন্থাৰ দ্বিবাৰ্ষিক কেন্দ্ৰীয় অধিবেশন সাফল্যমণ্ডিত কৰাৰ বাবে নিজৰ পৰা সম্ভৱপৰ সকলো সহায় আগবঢ়াব। সন্থাৰ জ্যেষ্ঠ সদস্য, অৱসৰপ্ৰাপ্ত গ্ৰাম্য উন্নয়ন বিষয়া থুশাৰ কান্তি দাসে সভাৰ সৌষ্ঠৱ বঢ়াই উন্নয়নমুখী পৰামৰ্শ আগবঢ়ায়। সভাই সৰ্বসন্মতিক্ৰমে অভ্যৰ্থনা সমিতি গঠন কৰে। সুধিৰ কুমাৰ দাসক সভাপতি, মজাম্মেল হকক উপ-সভাপতি আৰু বিশিষ্ট সংগীত শিল্পী তথা সাংস্কৃতিক পেঞ্চনাৰ ভোলানাথ ৰায়ক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয়। উল্লেখযোগ্য যে, ভোলানাথ ৰায় অসমৰ জনপ্ৰিয় দোতাৰা বাদকৰূপেও পৰিচিত। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়াই সভা সমাপ্ত কৰা হয়।

# নলবাৰীৰ জাগাৰাত স্প্ৰেড এন ই স্বেচ্ছাসেৱী সংগঠনটোৰ দ্বাৰা মহিলাসকলক মেটেকাৰ পৰা বেগ আৰু অন্যান্য হস্তশিল্প সামগ্ৰী বনোৱাৰ প্ৰশিক্ষণ প্ৰদান

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৭ জুন ঃ** নলবাৰী জিলাৰ জাগাৰা গাঁৱত প্ৰায় ৬৫ গৰাকী মহিলাক স্প্ৰেড এন ই (Spread NE) স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা যোৱা ইংৰাজী ২১জুনৰ পৰা ২৫ জুনলৈ মেটেকাৰ পৰা বেগ বনোৱাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। স্প্ৰেড এন ই স্বেচ্ছাসেৱী সংগঠনটোৱে " Fish biodiversity conservation and utilization in few wetlands of Nalbari district of Assam" শীৰ্ষক প্ৰকল্পৰ যোগেদি UNDP SGP TERI ৰ অধীনত এই কাৰ্যসূচী ৰূপায়ন কৰে। উল্লেখযোগ্য যে স্বেচ্ছাসেৱী সংগঠনটোৱে বিগত বৰ্ষৰ পৰাই নলবাৰী জিলাৰ বিভিন্ন অঞ্চলত নানা প্ৰশিক্ষণ দি আহিছে। পূৰ্বতে মেটেকাৰ পৰা কিদৰে ক্ষাৰ আৰু কেঁচুসাৰ প্ৰস্তুত কৰিব পাৰি সেই সন্দৰ্ভত প্ৰশিক্ষণ দিছিল। নলবাৰী জিলাৰ বিভিন্ন জলাহভূমিত প্ৰচুৰ পৰিমাণে পোৱা মেটেকাবোৰ এনেই পচি নষ্ট হয় আৰু সংগঠনটোৱে এনে মেটেকা শুকুৱাই কিদৰে তাৰ পৰা বেগ আৰু অন্যান্য হস্তশিল্প সামগ্ৰী প্ৰস্তুত কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। লগতে এনে শুকান মেটেকা বজাৰত কিদৰে বিক্ৰী কৰিব পাৰি, তাৰ বজাৰ সংযোজনৰ ওপৰতো স্থানীয় মহিলা সকলক তথ্য প্ৰদান কৰে। এনে শুকান মেটেকাৰ বজাৰ মূল্য প্ৰায় ৮০-১০০ টকা প্ৰতি কিলোগ্ৰামত বিক্ৰী হয় বুলিও জানিবলৈ দিয়ে স্বেচ্ছাসেৱী সংগঠনটোৱে ।এনে কাৰ্যসূচীয়ে মহিলা গোটৰ সদস্য সকলক নিশ্চিতভাৱে স্বাৱলম্বী হোৱাত সহায় কৰিব বুলি তেওলোক আশাবাদী । এই প্ৰশিক্ষণ আৰু পাঁচদিনৰ বাবে পৰৱৰ্তী সময়ত লখোপুৰ অঞ্চলত হাতত লোৱা হব বুলিও জানিব দিয়ে ।পাঁচদিনীয়া এই কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অঞ্জলি বৰো আৰু নিপু বৰো আৰু সামূহিক বিজ্ঞান বিভাগৰ বিজ্ঞানী ড. আস্ফিকা ইছলামে কাৰিকৰী দিশত দিহা পৰামৰ্শ আগবঢ়ায়। ইয়াৰ লগতে স্প্ৰেড এন ই স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰকল্প প্ৰবন্ধক ড. চৈয়দ ৰাছিফুৰ ৰহমান, প্ৰকল্প সমন্বয়ক শান্তনু সেন আৰু সামূহিক সমন্বয়ক প্ৰতুল বৈশ্য, পঞ্চায়ত পৰামৰ্শদাতা দীনেশ বৈশ্য আৰু NAPIA ৰ সহায়ক অনোৱাৰ হুছেইন উপস্থিত থাকি প্ৰশিক্ষণটো সাফল্যমন্ণ্ডিত কৰে। প্ৰশিক্ষণটোৰ শেষত ২৫.০৬.২০২৫ তাৰিখে প্ৰশিক্ষিত মহিলাসকলক মানপত্ৰ প্ৰদান কৰা হয়।

# চৌতাকী গাঁৱত যাতায়তৰ একমাত্ৰ ভৰসা বাহৰ দলং



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৭ জুন ঃ** বঙাইগাঁও জিলাৰ চৌতাকীত বাহৰ দলঙে যাতায়তৰ একমাত্ৰ ভৰসা গাওঁখনৰ বাবে। চৌতাকীক দেওহাটী গাওৰ সৈতে সংলগ্ন কৰা পথছোৱাৰ হকাখোৱাৰ দ খাৰৈৰ ওপৰত থকা বাহৰ দলংখন আজিলৈকে পকী দলং নহল। এই পথটোৰে যাতায়ত কৰিলে চৌতাকী গাঁও আৰু অভয়াপুৰী চহৰৰ দূৰত্ব মাত্ৰ ৫ কিলোমিটাৰ হোৱাৰ পিছতো জনপ্ৰতিনিধি তথা স্থানীয় বিধায়ক, বৰপেটা লোক সভা সমষ্টিৰ সাংসদৰ আজিলৈকে চকুত পৰা নাই । কিন্তু বৰষুণৰ সময়ত দখাৰৈতত পানী ওফন্দি উঠাৰ ফলত বাহৰে নিৰ্মিত দলং খন উটুয়াই লৈ যায়। ফলস্বৰূপে চৌতাকীবাসী ৰাইজে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ৩০ কিলোমিটাৰ পথ অতিক্ৰম কৰি অভয়াপুৰী চহৰলৈ যাব লগা হয়। চিকিৎসালয়ত ৰোগীক লৈ যোৱা ,বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰী-বেচৰকাৰী কামত কৰ্মৰত সকলোৱে সম্যসাৰ সন্মুখীন হয়। প্ৰত্যেক বছৰে গাঁওবাসীয়ে নিজৰ গাঠিৰ ধনেৰে দলংখন সাময়িকভাৱে নিৰ্মাণ কৰে যদিও, বাৰিষা অহাৰ লগে লগে পানী ঢলে বাহৰ দলং খন উটুয়াই লৈ যায়। এতিয়া চৌতাকীবাসীয়ে চৰকাৰৰ ওচৰত এখন পকী দলংৰ দাবী জনাইছে যাতে তেওঁলোকে বছৰ বছৰ ধৰি ভুগি অহা এই সমস্যাৰ পৰা মুক্তি পায়। এতিয়া অসম মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সু-দৃষ্টি কামনা কৰিছে গাওবাসীয়ে।

# তামাৰহাটত অচিনাক্ত মৃতদেহ উদ্ধাৰ, অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, তামাৰহাট, ২৭ জুন ঃ** তামাৰহাট থানাৰ অন্তৰ্গত গাৰোপাৰা গাঁৱৰ বালাডোবা বিলত বৃহস্পতিবাৰে পচি যোৱা অৱস্থাত উদ্ধাৰ হোৱা এটি অচিনাক্ত মৃতদেহে সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।স্থানীয় সূত্ৰ মতে, বালাডোবা বিলৰ মেটেকাৰ কাষৰ পৰা দুৰ্গন্ধ ওলাই আহি থকা দেখা পায় স্থানীয় লোকসকলে। দুৰ্গন্ধৰ উৎস জানিবলৈ অনুসন্ধান চলোৱাৰ পিছতেই, তলত পচি থকা অৱস্থাত এটি মৃতদেহ চকুত পৰে।চকুত পৰাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকে তামাৰহাট আৰক্ষীক খবৰ দিয়ে। আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু আইনগত কাৰ্যৱলী আৰম্ভ কৰে।মৃতদেহটো সম্পূৰ্ণৰূপে পচি যোৱা অৱস্থাত থকাৰ বাবে পৰিচয় নিশ্চিত কৰা এতিয়ালৈকে অসম্ভৱ হৈ পৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠাইছে আৰু ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।এই ঘটনাই গোটেই গাঁৱত আতংকৰ সৃষ্টি কৰিছে। স্থানীয় লোকে আৰক্ষীৰ পৰা দ্ৰুত তদন্তৰ দাবী জনাইছে।

# বিলাসীপাৰাত টটোৰ ওপৰত চোৰৰ চকু

**অসম বাৰ্তা,লক্ষীগঞ্জ, ২৭ জুন ঃ** ৰাজ্যত অব্যাহত বৰ্তমান চোৰৰ সন্ত্ৰাস। প্ৰায় দৈনিক বাতৰিৰ শিৰোনাম দখল কৰে চোৰৰ বিভিন্ন কৌশলেৰে কৰা চুৰি কাণ্ড।ব্যতিক্ৰম নহয় বিলাসীপাৰা। চোৰৰ চকু পৰিল এইবাৰ নিৰিহ লোকৰ টটো গাড়ীৰ ওপৰত। বৰ্তমান একাংশ শিক্ষিত যুৱকৰ কৰ্ম জীৱনৰ আহিলা হিচাপে চলাই আছে বেটাৰি চালিত ই ৰিস্কা টটো গাড়ী সমূহ। একাংশ যুৱকে বিভিন্ন বেংকৰ পৰা বা বিনিয়োগকাৰী প্ৰতিষ্ঠানৰ পৰা মাহিলী কিস্তিত ই ৰিস্কা টটো গাড়ী সমূহ লৈ কোনোমতে ঘৰ বা সংসাৰ এখন চলাই আছে। তেনে এজন যুৱক হল বিলাসীপাৰা সম জিলাৰ অন্তৰ্গত লক্ষীগঞ্জ গাওঁ পঞ্চায়তৰ অন্তৰ্গত কোটৈৰ গাওঁৰ আনিছুল সেখ। যোৱা আগষ্ট মাহৰ ২০ তাৰিখে মাহিলী ৭৫০০/ টকা কৈ কিস্তি হিচাপে গৌৰীপুৰৰ এটা বিনিয়োগ প্ৰতিষ্ঠানৰ পৰা এখন টটো গাড়ী লৈ সুন্দৰ ভাৱে চলি আছিল। যোৱা কালি ৫০০/ টকাৰ এটা ভাড়াই কাল হল আনিছুল সেখৰ। প্ৰাপ্ত বাতৰি মতে অচিনাকি যাত্ৰী এজনে দুই ঘণ্টাৰ বাবে ৫০০/ টকা বন্দোবস্ত কৰি বিলাসী পাৰা সম জিলাৰ কাৰ্যালয় লৈ লৈ যায়। এই খিনি লৈ ঠিকে আছিল। যাত্ৰী জনৰ কিছু সময় পলম হোৱাত যাত্ৰী জনক বিচাৰি যাওঁতে লাগিল শনি। টটোৰ গৰাকী আনিছুল সেখে যাত্ৰী জনক বিচাৰি নাপাই উভতি আহি দেখে তাৰ টটো খন নাই। বহুত বিচাৰ আচাৰ কৰিও এতিয়া লৈকে টটো গাড়ী খনৰ কোনো সংসুত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই আনিছুল সেখে। উপায়হীন হৈ কোকৰাঝাৰ আৰক্ষী চকীৰ শৰণাপন্ন হৈছে আনিছুল সেখে। জানিব পৰা মতে টটো গাড়ী খনৰ ল'বলৈ মাত্ৰ ১১ মাহ হে হৈছে, এতিয়াও গাড়ী খনৰ পাঁচ টা কিস্তি পৰিশোধ কৰিবলৈ বাকী আছে। বাকী থকা কিস্তিক লৈ চিন্তিত হৈছে টটোৰ গৰাকী আনিছুল সেখে। সাংবাদিকৰ সাক্ষাৎকাৰত নিৰিহ আনিছুল সেখে টটো গাড়ী খনৰ সংসুত্ৰ উলিয়াবলৈ প্ৰশাসনক কাতৰ অনুৰোধ কৰিছে। সম জিলা কাৰ্যালয়ৰ সন্মুখত থোৱা টটো গাড়ী খন কেনেকৈ চোৰে চুৰ কৰিব পাৰিলে সেয়া সচেতন মহলত এক চৰ্চাৰ বিষয় হৈ পৰিছে।

# চলং পথাৰৰ বলিন তামুলীৰ হত্যাকাৰী গ্ৰেপ্তাৰত ব্যৰ্থ মেৰাপানী আৰক্ষী

## তিনিমাহ উকলি যোৱাৰ পিছতো চিনাক্ত নহ'ল হত্যাকাৰী

**অসম বাৰ্তা, মেৰাপানী, ২৭ জুন ঃ** গোলাঘাট জিলাৰ মেৰাপানী চলংপথাৰ বিজেপি বুথ সমিতিৰ সভাপতি বলিন তামূলীক যোৱা ১৫ এপ্ৰিল তাৰিখে নিশা কোনো দুস্কৃতিকাৰীয়ে হত্যাকৰা ঘটনাক লৈ এতিয়াও গাওঁখনত প্ৰতিক্ৰিয়া অব্যাহত আছে ।ঘটনা সংঘটিত হোৱা তিনিমাহ উকলি যোৱাৰ পিছতো তামুলীক হত্যা কৰা হত্যাকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰা কাযই আৰক্ষীৰ ব্যৰ্থতা উদঙাই দেখুৱালে মেৰাপানীত । উল্লেখ্য যে যোৱা ১৫ এপ্ৰিল তাৰিখে ঘাতকৰ দলে হত্যা কৰি মূৰ্মুষ অৱস্থাত ডিঙিত গামোচা বান্ধি পুখুৰীত পেলাই থৈ যোৱা অৱস্থাত পুৱা গাঁওৰ মানুহে উদ্ধাৰ কৰি যোৰহাট মিছন হস্পিতলৈ প্ৰেৰণ কৰে যদিও ১৬ এপ্ৰিলত তামুলী মৃত্যু ঘটে। প্ৰথমতে মেৰাপনী আৰক্ষীয়ে স্নিফাৰ ডগক সহায়ত লৈ তদন্ত অব্যাহত ৰাখি কেবাজনো লোকক সোধ পোচৰ বাবে আটক কৰিছিল যদিও কোনো প্ৰমান নোপোৱাত ধৃত ব্যক্তি কেইজনক মুকলি কৰি দিবলৈ আৰক্ষী বাধ্য হয়। আজি তিনিমাহ ধৰি ঘাতকৰ দলটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই মেৰাপানী আৰক্ষী। অন্যহাতে ভুক্ত ভোগী পৰিয়ালটোৱে এতিয়া আশাৰে বাট চাই আছে আৰক্ষীয়ে হত্যাকাৰীক কৰায়ত্ব কৰিব আৰু পৰিয়ালটোৱে ন্যায় পাব। ইফালে গাওঁবাসীয়ে এই প্ৰতিবেদকক জনোৱা মতে তিনিমাহ উকলি যোৱাৰ পিছতো মেৰাপানী আৰক্ষীয়ে তামুলীৰ হত্যাকাৰী গ্ৰেপ্তাৰ কৰিব নোৱাৰাত আৰক্ষীৰ ব্যৰ্থতা দাঙি ধৰি আৰু কয় যে হত্যাকাৰী চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিব নোৱাৰাতো দুভাগ্যজনক। এনেদৰে মানুহ হত্যা কৰি যদি হত্যা কাৰী মুকলি আকাশৰ তলত থাকিবলগীয়া হয় তেতিয়া এনেধৰণৰ ঘটনা পুনৰাবৃতি যে ঘটিব সেইয়া নিশ্চিত। সেয়েহে মেৰাপানী আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰি হত্যাকাৰী গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমুলক শাস্তি দিবলৈ স্থানীয় ৰাইজ তথা ভুক্ত ভোগী পৰিয়ালটোৱে আৰক্ষী প্ৰশাসনক আহ্বান জনাইছে।


বিশ্বনাথ জিলা আয়ুক্তলৈ অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ স্মাৰক পত্ৰ

বৰগাং চাহ বাগিচাত অতি শীঘ্ৰে পুনৰ সাপ্তাহিক দৰমহাৰ ব্যৱস্থাৰ বাবে দাবী

অসম বাৰ্তা, বিহালী, ২৭ জুন ঃ ২৬ জুন তাৰিখে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই বৰগাং চাহ বাগিচাত নতুনকৈ প্ৰবৰ্তন কৰা পযেকীয়া দৰমহা ব্যৱস্থা বন্ধ কৰি পুনৰ সাপ্তাহিক দৰমহা দিয়াৰ ব্যৱস্থাৰ বাবে দাবী জনাই বিশ্বনাথ জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে।উল্লেখ্য যে পযেকীয়া দৰমহা ব্যৱস্থাৰ বিৰুদ্ধে যোৱা ১৮ মাৰ্চ তাৰিখে বৰগাং চাহ বাগিচাৰ শ্ৰমিক সকল বাগিচাৰ কাম কৰাৰ পৰা বিৰত থাকি তীব্ৰ প্ৰতিক্ৰীয়া প্ৰকাশ কৰিছিল।উক্ত দিনাখনেই বাগিচাখনৰ শ্ৰমিক,শ্ৰমিক ইউনিয়ন আৰু বাগিচা কৰ্তৃপক্ষৰ মাজত সভা হৈছিল আৰু সকলো শ্ৰমিকে পযেকীয়া দৰমহাৰ বিৰোধিতা কৰি বাগিচা কৰ্তৃপক্ষলৈ স্মাৰক পত্ৰ দিছিল।কিন্তু বাগিচা কৰ্তৃপক্ষই সেই ১৮ মাৰ্চ তাৰিখৰেই এখন ভুৱা চুক্তি পত্ৰ শ্ৰম বিষয়া কাৰ্যালয়ত দাখিল কৰে, য'ত বাগিচা ইউনিয়ন আৰু কৰ্তৃপক্ষৰ মাজত পযেকীয়া দৰমহা সম্পৰ্কে চুক্তি হোৱা বুলি দেখুৱাই। ইফালে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই যোৱা ৩ এপ্ৰিল,২০২৫ তাৰিখে পযেকীয়া দৰমহা বন্ধ কৰি পুনৰ সাপ্তাহিক দৰমহাৰ ব্যৱস্থা কৰাৰ দাবীত বিশ্বনাথ শ্ৰম বিষয়ালৈ স্মাৰক পত্ৰ প্ৰদান কৰে।কিন্তু শ্ৰম বিষয়া কাৰ্যালয়ৰ তৰফৰ পৰা শ্ৰমিকৰ দাবীৰ প্ৰতি আজি পৰ্যন্ত কোনো গুৰুত্ব আৰোপ নকৰিলে বুলি মন্তব্য প্ৰকাশ কৰিছে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ বিশ্বনাথ চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডীয়ে।সেয়ে আজি উক্ত বিষয়টোৰ সন্দৰ্ভত বিশ্বনাথ জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰদান কৰি অতি শীঘ্ৰে বৰগাং চাহ বাগিচাত পুনৰ সাপ্তাহিক দৰমহা দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী উত্থাপন কৰে সংগঠনটোৱে।আজি স্মাৰক পত্ৰ প্ৰদান কাৰ্যসূচীত উপস্থিত থকা পোন্ধৰজনীয়া দলটোত থাকে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ বৰগাং চাহ বাগিচাৰ তিনিওটা শাখাৰ সভাপতি ও সম্পাদক সকল ক্ৰমে- বৰগাং শাখাৰ নৰেশ নাহেকীয়া,ৰাজু কেৰকেটা, বৰভীল শাখাৰ তিলেশ্বৰী গোৱালা,কিৰন পৰ্জা, ৰঙাগড় শাখাৰ খেতু কালন্দি,জুনিতা মুণ্ডা।লগতে উপস্থিত থাকে সংগঠনটোৰ বিশ্বনাথ চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডী আৰু সম্পাদক কৃষ্ণ পাইক। সমস্যা সমাধান নহলে আন্দোলনৰ পথ বাচি লব বুলিও জানিবলৈ দিছে সংগঠনটোৰ নেতৃবৃন্দই।



◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆

❐ সম্পাদক ঃ তনয় বৰা ❐ মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন